# Legislative Assembly Debates

26-3-1997
4-4-1997
Nill

DP700

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

No. 11

The 21 March, 1997

Price Rs. 36·00

# CONTENTS

## BUDGET SESSION

No. 11

Dated, the 21st March, 1997


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Voting on Demands For Grants | 73 |
| 3. | Adjournment | 140 |
| 4. | Annexures I to VII | 141 to 181 |


×××

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 21st March, 1997

The House met at 8·30 A. M. of the clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker, in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Now, Starred Question No. 181, Hon'ble Member Shri Sheikh Abdul Hamid,

### Re : Alopatichar P.H.C.

Shri Sheikh Abdul Hamid asked,

* 181. Will the Minister of Health & Family Welfare be pleased to state :

(a) Number of posts sanctioned for Alopatichar P.H.C. Please furnish the names of the post with present employees ).

(b) The causes of vacancies and steps taken by the Government to fill up the vacancies ?

Dr. Kamala Kalita ( Minister ) replied :

(a) Total six posts have been sanctioned against Alopatichar P.H.C. The names of the posts and the present incumbents are as follows :—

| | | |
|---|---|---|
| 1. M & H. O—I | — | 1 ( one ) Dr. Tilak Pathak |
| 2. A.N.M. | — | 1 ( one ) Vacant |
| 3. Pharmacist | — | 1 ( one ) Md. Mehidul Islam |
| 4. Lab. Tech. | — | 1 ( one ) Sri Amir Hamza |
| 5. Grade-IV | — | 1 ( one ) Sri Sachadhar Pathak |
| 6. Sweeper | — | 1 ( one ) Sri Basfor |

(b) Vacancy is due to the fact that selection process of ANM's is in progress and not complete. As soon as it is complete appointment shall be made.

শ্বেখ আব্দুল হামীদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কোৱাৰ দৰে যি কেইগৰাকী পি, এইচ, চি খনত নিযুক্তি দিয়া হৈছে, আমিৰ হামযা, বাচফৰ আৰু শশধৰ পাঠক, তেওঁলোক এই পি, এইচ, চিত নাথাকে। শশধৰ পাঠকক অইন ঠাইৰ পৰা ট্ৰেন্সফাৰ কৰি আনি পি, এইচ, চি খনত নিযুক্তি দিয়া হৈছে। ১৯৮৬-৮৮ চনতে এই পি, এইচ, চি খনত মঞ্জুৰী দিয়া হৈছিল; তেতিয়া এটা কথা সিদ্ধান্ত হৈছিল সেই পি, এইচ, চি খনৰ কাৰণে যি গৰাকীয়ে মাটি দান কৰিছিল তেওঁৰ পৰিয়ালক তাত নিযুক্তি দিয়াৰ কথা আছিল, কিন্তু স্থানীয় ল'ৰাক তাত নিযুক্তি নিদি বাহিৰৰ পৰা এই শশধৰ পাঠক বোলা জনক ট্ৰেন্সফাৰ কৰি আনি নিযুক্তি দিয়া হ'ল। গতিকে শশধৰ পাঠক পি, এইচ, চিৰ পৰা ঘূৰাই পঠাই পি, এইচ, চি খনৰ কাৰণে যি গৰাকীয়ে মাটি ৬ বিঘা দান কৰিছিল তেওঁৰ পৰিয়ালৰ এজন নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই কোৱা মতে যি গৰাকী শশধৰ পাঠকক অইন ঠাইৰ পৰা ট্ৰেন্সফাৰ কৰি আনি চতুৰ্থ শ্ৰেণীত নিযুক্তি দিয়া হৈছে সেইটো অৱশ্যে জানিব পৰা হোৱা নাই, বাহিৰৰ পৰা আনি নিযুক্তি দিয়াৰ ক্ষেত্ৰত চাব লাগিব। এই ক্ষেত্ৰত যিখিনি বিশৃংখল হৈছে সেইটো নিশ্চয় চোৱা হব। পি, এইচ, চিৰ কাৰণে যি সকলে মাটি দান কৰিছে তেওঁলোকৰ পৰিয়ালক নিযুক্তি প্ৰদান নকৰাৰ ক্ষেত্ৰত আমি বহুতো অভিযোগ পাইছো।

বিগত চৰকাৰৰ দিনত বিভিন্ন ঠাইত দেখা যায় বহুতো হস্পিতাল সম্পূৰ্ণ নহওঁতেই হস্পিতাল বিলাকত নিযুক্তি দিয়া হৈছে। অথচ যিসকলে হস্পিতালৰ কাৰণে ভূমি দান কৰিছিল সেই স্থানীয় প্ৰাৰ্থীক বঞ্চিত কৰা হৈছে। গতিকে মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে শশধৰ পাঠকক অইন ঠাইত সংস্থাপন কৰি সেই হস্পিতালখনত ভূমিদান কৰা স্থানীয় লোকক নিযুক্তি দিয়াৰ ক্ষেত্ৰত বিবেচনা কৰা হব।

( Starred Question No. 182 could not be taken up for disposal as the questioner was absent in the House when called for. However, the said question deemed to have been lapsed.

Mr. Speaker : Now, Starred Question No. 183, Hon'ble Member Shri Nazibul Umer.

বিষয় ঃ ফেৰী চলাচল কৰা ঘাটৰ সংখ্যা।

শ্ৰীনাজিবুল ওমৰে সুধিছে :

* ১৮৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জল পৰিবহন বিভাগৰ অধীনত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত মুঠ কিমান ঘাটত ফেৰী চলাচল কৰে ?

(খ) গুৱাহাটী-ডিব্ৰুগড় আৰু গুৱাহাটী-ধুবুৰীৰ মাজত জল পৰিবহন বাণিজ্যিক সেৱা প্ৰৱৰ্ত্তন কৰা হৈছেনে ?

শ্ৰীপ্ৰদীপ হাজৰীকা ( পৰিবহন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ব্ৰহ্মপুত্ৰ নদীত ৪৫টা আৰু বৰাক নদীত ২৪টা মুঠ ৬৯টা ঘাটত ফেৰী চলাচল কৰে।

(খ) নাই কৰা।

* শ্ৰীনাজিবুল ওমৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে ধুবুৰী আৰু ফুলবাৰী অঞ্চলত ফেৰী চলাচলৰ ব্যৱস্থা কৰিছে

* Speech not corrected

নেকি ? যদি কৰিব বিচাৰিছে এই ঘাটটো উন্নীত কৰি নিয়মীয়াকৈ ফেৰী চলাচলৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ধুবুৰী আৰু ফুলবাৰী ঘাটটো অসম আৰু মেঘালয় সীমান্তত পৰিছে গতিকে ই বাণিজ্যিক দিশৰ পৰা আৰু এই উত্তৰ পূৰ্ব্বাঞ্চলৰ বাইজৰ পথ পৰিবহনৰ সুবিধাৰ কাৰণে ঘাটটো চালুকৰণৰ প্ৰয়োজন হৈ পৰিছে। গতিকে ই ৰাইজৰ যাতায়তৰ সুবিধাৰ কাৰণে এই ঘাটটো উন্নীত কৰি চালুকৰণৰ ওপৰত গুৰুত্ব দিয়া হব।

* শ্ৰীনাজিমূল ওমৰ : যিহেতু এই ঘাটটো মেঘালয় আৰু অসম সীমান্তত পৰিছে, গতিকে ঘাটটো অতি সোনকালে দেভেলপ কৰি চলাচলৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) : উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্যকেইখনৰ যাতায়তৰ সুবিধাৰ কাৰণে পথ পৰিবহন আৰু জলপৰিবহনৰ ব্যৱস্থা উন্নীত কৰিব পাৰি তাৰ কাৰণে আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্যকেইখনৰ পৰিবহন মন্ত্ৰী সকলৰ এখন কনফাৰেন্স পতা হৈছিল। গতিকে জলপৰিবহন ব্যৱস্থাৰ উন্নতিকৰণ আৰু চালুকৰণ কৰিবলৈ যাওঁতে এই ধুবুৰী আৰু ফুলবাৰী ঘাটত ফেৰী চলাচলৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হব।

* শ্ৰীদীলিপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, মাজুলীৰ লুইত-খাৰলুত হাতেৰে টানি নিয়া ফেৰী চলি আছে, গতিকে আজি বিজ্ঞানৰ যুগত এনে এটা অৱস্থাত চলি থাকিলে যাতায়তৰ সুবিধা নহব। গতিকে ই বিজ্ঞানৰ লগত খাপ খোৱাকৈ এই ফেৰীৰ ব্যৱস্থাটো উন্নীতকৰণৰ ব্যৱস্থা কৰিব নে ?

* শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আচলতে সেই ঠাইত পানী কম আৰু দূৰত্ব কম আৰু তাত বাম হোৱাৰ কাৰণে কাঠৰ নাওঁ হাতেৰে ঠেলি দিয়াৰ ব্যৱস্থা চলি আছে। এখন বোট তাত দিয়া হৈছে কিন্তু বৰ্ত্তমান ব্যৱহাৰ কৰিব পৰা নাই, অতি সোনকালেই তাত যাতে যাতায়তৰ সুবিধা হয় তাৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব।

* Speech not corrected

* শ্ৰীআলী আকবৰ মিঞা ঃ অধ্যক্ষ মহোদয়, গোৱালপাৰা আৰু ধুবুৰীত আমি দেখিছোঁ বহু কেইটা ফেৰী অচল হৈ পৰি আছে। সেইবিলাক বিভাগীয় ভাবে ৰিপেয়াৰ কৰা হয় নেকি, নে লেচী সকলে নিজে ৰিপেয়াৰ কৰি লয়। এই ফেৰী বিলাক সময়মতে ৰিপেয়াৰ নকৰাৰ কাৰণে ফেৰী চলাচলত অসুবিধা হৈছে আৰু ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত অসুবিধা হৈছে। গতিকে এই অচল ফেৰী বিলাক ৰিপেয়াৰ কৰাৰ কাৰণে ব্যৱস্থা লব নে? ফেৰী বেয়া হোৱা হেতুকে মই নিজেই এদিন গোৱালপাৰাত ৰখি থাকিব লগা হয়।

* শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) ঃ বিভাগৰ ফালৰ পৰা যিবিলাক ফেৰী চলাচল কৰে, সেইবিলাক বিভাগৰ ফালৰ পৰা ৰিপেয়াৰ কৰা হয় আৰু লেচী সকলে নিজে ৰিপেয়াৰ কৰে। কেতিয়াবা মেচিন বিলাক বেয়া হৈ থাকিলেও ফেৰী অচল হৈ থাকে। এই ক্ষেত্ৰত আমাৰ তুটামান অঁাচনি আছে সেই বিষয়ে কবলৈ গলে দীঘলীয়া হব। বৰ্ত্তমান আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ অধীনত ব্ৰহ্মপুত্ৰ বৰাক আৰু ইয়াৰ উপনৈ সমূহত মুঠ ৬৯টা পাৰঘাটত ফেৰী চলি আছে। নিমাতী ঘাটৰ পৰা কমলাবাৰীলৈ বৰ্ত্তমান বাণিজ্যিক সেৱা চলাই থকা হৈছে। বৰ্ত্তমান এই বিভাগৰ দ্বাৰা কলিকতাৰ পৰা নুমলীগড় শোধনাগাৰৰ যান্ত্ৰিক বস্তু কঢ়িওৱাৰ উদ্দেশ্যে সকলো যাৱতীয় ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বস্তু সমূহ কলিকতাত জাহাজত বোজাই কৰা কাম সম্পূৰ্ণ হৈছে। আৰু ২।১ দিনতে কলিকতাৰ পৰা নুমলীগড় অভিমুখে এই যান্ত্ৰিক বস্তু লৈ এই বিভাগৰ জাহাজ ৰাওনা হব। তাৰোপৰি এনে বস্তু কঢ়িওৱাৰ বাবে আৰু জাহাজ কলিকতালৈ পঠোৱা হৈছে। যদিহে নদীৰ গতিপথ আৰু গভীৰতাৰ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হয় তেনেহলে গুৱাহাটীৰ পৰা ধুবুৰীলৈ আৰু গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ এই বিভাগৰ দ্বাৰা সুকলমে পুনৰ বাণিজ্যিক সেৱা প্ৰবৰ্ত্তন কৰাত একো অসুবিধা নহব।

* শ্ৰীআলী আকবৰ মিঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, বেয়াখিনি আগৰ চৰকাৰৰ দিনত হৈছে এতিয়া ভাল কৰিব লাগে।

* Shri Misbahul Islam Laskar : Mr. Speaker Sir, will the Hon'ble Minister be pleased to inform whether there is any proposal to take up the ferries on the river Barak

* Speech not corrected

which are at present run by the Gaon Panchayats.

* Shri Pradip Hazarika ( Minister ): Sir, it is exactly not the question of Barak and Brahmaputra. In Barak we have 24 services belonging to IWT. All services are being looked after by the IWT.

* Shri Misbahul Islam Laskar : Sir, my question is the ferries which are run by the Gaon Panchayats will be taken over and looked after by the IWT because these are most important Ghats, mainly in my constituency Baribari Ferry Ghat and Ghagrapar Chalchapra Ghats are most important these ferries are connected between Katigora and Borkhola. So, I want to know whether Government has any proposal to take over these Ghats ?

* Shri Pradip Hazarika ( Minister ) : Sir, right now we do not have any proposal. If any demand comes we can consider.

Mr. Speaker : Now, Starred Question No. 184, Hon'ble Member Shri Mohan Das.

বিষয় ঃ এইড্চ ৰোগীৰ সংখ্যা

শ্ৰীমোহন দাসে সুধিছে :

* ১৮৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বিগত তিনি বছৰত ( প্ৰতি বছৰে ) এইড্চ ৰোগত আক্ৰান্ত হোৱা লোকৰ সংখ্যা কিমান ?

(খ) এই ৰোগত যোৱা তিনি বছৰত প্ৰতি বছৰে কিমান লোকৰ মৃত্যু হৈছে ?

* Speech not corrected

(গ) এই ৰোগ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহ কি কি ?

(ঘ) এই ৰোগ নিয়ন্ত্ৰণৰ বাবে বছৰি ( যোৱা ৩ বছৰত ) ব্যয়ৰ পৰিমান কিমান আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আৰ্থিক অনুদানৰ পৰিমান কিমান ?

ডাঃ কমলা কলিতা ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বিগত তিনি বছৰত এইড্‌চ ৰোগত আক্ৰান্ত ব্যক্তিৰ সংখ্যা তলত দিয়া হ'ল—

১৯৯৪ চন — ১ ( এজন )
১৯৯৫ চন — ৮ ( আঠজন )
১৯৯৬ চন — ১ ( এজন )

(খ) যোৱা তিনিবছৰত প্ৰতি বছৰে মৃত্যু হোৱা ব্যক্তিৰ সংখ্যা :

১৯৯৪ চন — নাই
১৯৯৫ চন — ৭ ( সাত ) জন
১৯৯৬ চন — ১ ( এজন )

(গ) এইড্‌চ ৰোগ নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় এইড্‌চ নিয়ন্ত্ৰণ আঁচনিখন ৰাজ্য চৰকাৰে ৰূপায়ণ কৰি আহিছে ।

(ঘ) যোৱা তিনিটা বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা অনুদানৰ পৰিমাণ আৰু ব্যয়ৰ পৰিমাণ তলত দিয়া ধৰণে দেখুৱা হ'ল ঃ—

| চন | কেন্দ্ৰই মোকোলাই দিয়া ধনৰ পৰিমাণ | ৰাজ্য চৰকাৰে মোকোলাই দিয়া ধনৰ পৰিমাণ | ব্যয়ৰ পৰিমাণ |
|---|---|---|---|
| ১৯৯৩ - ৯৪ | ১২·৪৩ লাখ | ১৬·০০ লাখ | ১১·৯৯ লাখ |
| ১৯৯৪—৯৫ | ৫০·৩৭ লাখ | ৪১·৩৭ লাখ | ৪১·৩৭ লাখ<br>+৮·০০ লাখ<br>৪৯·৩৭ লাখ |
| ১৯৯৫ — ৯৬ | ৯২·৭০ লাখ | ৩৫·০০ লাখ | ৩৫·০০ লাখ |

* শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই এই যে আৰ্থিক অনুদানৰ প্ৰশ্নটো কৰিছিলো বিগত তিনি বছৰৰ। স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে জনোৱা মতে এই ধন সম্পূৰ্ণ ভাৱে খৰচ হোৱা নাই বুলি কৈছে। সেয়ে এই ধন খিনি খৰছ কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি ? দ্বিতীয়তে এইড্‌চ বেমাৰী চিকিৎসা কৰা সময়ত ৰখাৰ ব্যৱস্থা কি ? এই বিষয়ত হিউমেন ৰাইটচৰ কমিচনে কিবা এটা কৈছিল। এই বিষয়ে কিবা ব্যৱস্থা লৈছে নেকি ? তৃতীয়তে এইড্‌চ বেমাৰীৰ সম্পৰ্কে কিবা বিশেষ আঁচনি লৈছে নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমি চৰকাৰৰ দায়িত্ব লোৱাৰ পাচত এইড্‌চ ৰোগৰ বাবে কেন্দ্ৰই মুকলি কৰি দিয়া ধন সম্পূৰ্ণৰূপে খৰছ কৰাৰ কাৰণে ব্যৱস্থা লৈছো। ১৯৯৬-৯৭ চনত এই ধন খৰছ কৰিবলৈ সক্ষম হৈছো। মাননীয় সদস্য গৰাকীয়ে এইড্‌চ ৰোগী সকলক কি ধৰণে চিকিৎসা কৰা হৈছে ? প্ৰশ্নৰ উত্তৰত মই কব খোজো যে এইড্‌চ ৰোগী সকলক সাধাৰণ ৰোগীৰ নিচিনাকৈ চিকিৎসা কৰা হয়। আমাৰ যিবিলাক হস্পিতাল আছে সেইবিলাকত ৰাখি সাধাৰণ ৰোগীৰ নিচিনাকৈ চিকিৎসা কৰিবলৈ সকলো চিকিৎসালয়ক নিৰ্দ্দেশ দিয়া হৈছে। কাৰণ বেলেগ ধৰণে চিকিৎসা কৰিলে তেওঁলোকৰ মানৱ অধিকাৰ ভঙ্গ কৰা হব। ১৯৯৭ চনত আমাৰ হস্পিতালত ৰাখি চিকিৎসা কৰা হৈছে।

* শ্ৰীদীলিপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই বাতৰি কাকতত দেখিছো যে ওৱৰ্ল্ড হেল্‌থ অৰগেনাইজেচনৰ দ্বাৰা এইড্‌চ ৰোগৰ প্ৰতিশেধক ঔষধ উলিয়াইছে, মন্ত্ৰী মহোদয়ে এই বিষয়ে জনাব নে ?

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) : বাতৰি কাকতত মইও পঢ়িছো। এইটো পৰীক্ষাধীন হৈ আছে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : যোৱা তিনি বছৰত যি কেইজন এইড্‌চ বেমাৰী হৈছে, মৃত্যুৰ সংখ্যাৰ লগত এই এইড্‌চ বেমাৰৰ কিবা মিল আছে নেকি ?

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) : মিল আছে কাৰণে কৈছো।

---

* Speech not corrected

* ডাঃ অর্ধেন্দু কুমাৰ দে : ৯ গৰাকীৰ এইড্‌চ হৈছে কিন্তু মৃত্যুৰ সংখ্যা কিমান ?

* ডাঃ কমলা কলিতা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে হয়তো ভালদৰে পঢ়া নাই। বিগত তিনি বছৰত এইড্‌চত ১০ জন মৰিছে। ১৯৯৪ চনত নাই, ১৯৯৫ চনত ৭ জন আৰু ১৯৯৬ চনত এজন। ১৯৯০ চনত এজন, ১৯৯৭ চনত এজন মুঠ ১১ জন। যোৱা তিনি বছৰৰ কথা সোধা কাৰণেহে মই ৮ জন বুলি কৈছো।

Mr. Speaker : Now, Starred Question No, 185, Hon'ble Member Shri Abu Bakkar Siddique Jotder.

**Re : Purchase of P.W.D. goods.**

Shri Abu Bakkar Siddique Jotder asked,

* 185. Will the Minister of P.W.D. be pleased to state :

(a) Whether the present Government has purchased Road Rollers computers, vehicles and cements ?

(b) If so, what is the source of money and how many Road Rollers, computers and vehicles and cements were purchased and what was the total cost ?

(c) Whether any tender was called for purchasing the above articles in proper forms ?

(d) If so, who are the suppliers ? ( Please mention the names of the farms with address ).

Shri Atul Bora ( Minister, P.W.D. ) replied :

(a) Yes, except the computers.

(b) The source of money for Road Rollers and vehicles is International Development Association ( I.D.A )

---

* Speech not corrected

towards the cost of Assam Rural Infrastructures and Agricultural Service Project ( ARIASP ).

The source of money for cement is received from the Stock Head of State P.W.D. Government of Assam.

| | | | |
|---|---|---|---|
| | Road Rollers | = | 50 Nos. |
| | No. of Diesel jeep | = | 15 Nos. |
| | Computers | = | NIL. |
| Cement : | (i) Chief Engineer ( Roads ) | = | 4699·30 M.T. |
| | (ii) Chief Engineer ( Building ) | = | 3429·10 M.T. |
| | Total | = | 8128·40 M.T. |
| | Total cost of Road Rollers | = | 2,74,36,377 00 |
| | Total cost of Vehicles | = | 43,95,317·00 |
| | Total cost of Cement | = | 2,47,78,264 00 |
| | Total cost | = | 5,66,09,958·00 |

(c) Yes.

(d) (i) For Road Rollers — M/S Speed Crafts Ltd. Layak Bhawan, Boring Canal Road, Patna.

(ii) For Diesel Jeep — M/S Mahindra & Mahindra Ltd. Builwell Compound R.G. Barua Road, Guwahati – 5.

(iii) Computer — Does not arise.

(iv) Cement — M/S Cement Corporation of India Ltd. ( A Government. of India Enterprise ).

* শ্ৰীআবু বক্কৰ চিদ্দিক জোটদাৰঃ অধ্যক্ষ মহোদয়, ( বি ) প্ৰশ্নোত্তৰত কৈছে মন্ত্ৰী মহোদয়ে বিভিন্ন সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত যিখিনি খৰছ দেখুৱাইছে এই ক্ষেত্ৰত মোৰ প্ৰশ্ন হৈছে যে আন্তৰ্জাতিক দেভেলপমেণ্ট এচ'চিয়েচনে কিমান টকা অনুমোদন দিছিল আৰু তাৰে কিমান বৰ্ত্তমানলৈ মোকলাই দিছে আৰু যিখিনি মোকলাই দিছে আৰু যিখিনি খৰছ কৰা হৈছে বিভিন্ন সামগ্ৰী কিনাৰ ক্ষেত্ৰত ইয়াৰ পিছত উন্নয়ণমূলক কাম কৰাৰ বাবে চৰকাৰৰ হাতত টকা থাকিবনে ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : বিশ্ব বেংকে মুঠ বিভাগৰ কাৰণে ৪শ কোটি টকাৰ পূজি দিবলৈ প্ৰস্তুত হৈছে আৰু গড়কাপ্তানী বিভাগৰ কথা কৈছো। এইবাৰ পুজি ২২ কোটি টকা আছিল যদিও ১১'৫ কোটি টকা ১৯৯৬-৯৭ চনৰ বাবে খৰছ কৰিবলৈ স্কীম প্ৰস্তুত কৰিছে। ৰোড ৰোলাৰ বিশ্ব বেংকৰ কামত ব্যৱহাৰ কৰিব। ৰোড ৰোলাৰ, মেচিনেৰী অবিহনে গড়কাপ্তানী বিভাগে কেতিয়াও কাম কৰিব নোৱাৰে। এইখিনি প্ৰয়োজনীয় বস্তু কাৰণে কিনা হৈছে।

* শ্ৰীআবু বক্কৰ চিদ্দিক জোটদাৰঃ প্ৰশ্ন হৈছে যিখিনি খৰছ কৰা হৈছে তাৰ পিছত উন্নয়ণমূলক কাম কৰাৰ কাৰণে টকা আছে নে নাই ?

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : বিশ্ব বেংকৰ পৰা পাব ২২ কোটি টকা। ৰোড ৰোলাৰ প্ৰতি বছৰে কিনি থাকিব নালাগে। ভৱিষ্যৎ দিনবোৰত খৰছ কৰাৰ কাৰণে বিশ্ব বেংকে ১৮৭ কোটি টকা দিব। তাৰ ভিতৰত ৰোড ৰোলাৰত খৰছ কৰা হৈছে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেঃ মুঠ খৰছ ৫ কোটি হৈছে। বিশ্ব বেংকৰ পৰা যিটো টকা পাম তাত নৰ্মচ্ আছে যে টকা যিটো ৰিলিজ কৰি দিলে তাৰ বাবে কামৰ কাৰণে ইউটিলাইজেচন চাৰ্টিফিকেট দিব লাগে। এতিয়া দেখা গৈছে শতকৰা ৫০ ভাগতকৈ বেছি মেটেৰিয়েলচ্ কিনাত গ'ল। এতিয়া কাম কৰাৰ কাৰণে টকা আছেনে ?

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : বিশ্ব বেংকৰ গাইড লাইন মতে কৰা হৈছে।

* Speech not corrected

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : ৰোড ৰোলাৰ বা অন্য বস্তু কিনাৰ কাৰণে গাইড লাইনত আছেনে ?

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : গাইড লাইনত আছে। ৰোড ৰোলাৰ কিনাটো ব্ৰেক টপিভত সোমাই আছে। মেচিনেৰী কিনাত খৰছ কৰিছো। বিশ্ব বেংকৰ কামৰ একজিকিউচনৰ কাৰণে মেচিনেৰীৰ প্ৰয়োজন আছে। এইটোত বিশ্ব বেংকৰ অনুমোদন আছে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : যিবিলাক চিমেণ্ট কিনা হৈছে সেই বিলাক নিম্ন মানৰ নেকি ?

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : আচলতে চি, চি, আইৰ পৰা লৈছো, যিটো নেকি ভাৰত চৰকাৰৰ এণ্টাৰপ্ৰাইজ। দলঙৰ কাৰণে শক্তিশালী চিমেণ্ট লাগে। সেইটো চিমেণ্ট কিনা নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : বহুত ৰাস্তা বনাব লাগে, দলঙৰ প্ৰয়োজন হব। গতিকে যি চিমেণ্ট কিনা হৈছে তাৰ দ্বাৰা দলঙৰ ইনফ্ৰাষ্ট্ৰাকচাৰ তৈয়াৰ নহব। গতিকে একে গুণৰ চিমেণ্ট কিনাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : গুণ সম্পন্ন চিমেণ্ট কিনা হৈছে। দলঙৰ কাৰণে বেছি শক্তিশালী চিমেণ্ট লাগে তাৰ বাবে ফাইনেন্সত প্ৰপ'জেল আছে। এইটো চিমেণ্ট দলঙৰ কাৰণে ব্যৱহাৰ কৰা নাই। অন্য কামৰ কাৰণে ব্যৱহাৰ কৰা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে: যিটো চিমেণ্ট কিনিছে এইটো নিম্ন মানৰ নেকি ?

শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) ঃ নিম্ন মানৰ নহয়।

Mr. Speaker : Now, you have crossed the limit. We may go ahead of the proceedings. Hon'ble Members Dr. Ardhendu Kumar Dey of Question No. 186.

---

Speech not corrected

## Re : Approved Farms

Dr. Ardhendu Kumar Day asked :

* Will the Minister of Health and Family Welfare be pleased to state :

(a) How many Medicine and Surgical Farms have been approved by the Government ? ( please mention the names of the farms and place in the Table of the House)

(b) Whether it is fact that many farms have supplied medicines of short expiry date ? (please submit the list of medicines mentioning the farms with date of receipt by the Government and date of expiry).

(d) Whether X-Ray plates are not available in Medical Colleges and Civil Hospitals ?

(d) Whether it is fact many modern apparatus in B. Baruah Cancer Institute and in Medical Colleges are lying idle and what is the reason for that ? (please mention the name of the apparatus ).

Dr. Kamala Kalita (Minister), replied ;

(a) 228. List of the Farms place on the table of the House.

(b) No such information is avilable with Government.

(c) Not, now.

(d) Yes, the following modern apparatus are lying idle for the reasons shown against each of them.

| Name | Reason |
|---|---|
| 1. Gamma Camera in BBC | Repair wanting |
| 2. Cath Lab. Machine 1 (one) in G.M.C.H. | Installation of Machine wanting |
| 3. Cobult Machine 1 ( one ) in A.M.C.H. | Installation of Machine wanting |
| 4. Cobult Machine 1 ( one ) in SMCH | Installation of Machine wanting |
| 5. E.M.G. Machine, G.M.C.H. | Repair wanting |
| 6. Heart Lang Console G,M.C.H. | Repair wanting |
| 7. Blood Gas Electrolyte Analyzer A.M.C.H. | Repair wanting |

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে :– মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে, ২২৮ খন ফাৰ্মৰ পৰা ঔষধ আৰু চাৰ্জিকেল বস্তু কিনা হৈছে। কিন্তু এই ২২৮ খন ফাৰ্ম প্ৰদাকচন ফাৰ্মনে দিষ্টিবিউচনৰ ফাৰ্ম জনাবনে ?

* ডাঃ কমলা কলিতা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই ২২৮ খন প্ৰদাকটিভ ফাৰ্ম নহয় যদিও তাৰ ভিতৰতে প্ৰদাকচন ফাৰ্মো আছে। বেছিভাগেই দিষ্টিবিউচন ফাৰ্ম।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে :– অধ্যক্ষ মহোদয়, কিমান প্ৰদাকটিভ ফাৰ্মৰ পৰা কিনা হ'ল মন্ত্ৰী মহোদয়ে জনাবনে ? যিবিলাক ঔষধ কিনা হৈছে তাৰ পাৰচেচ পলিচি কি ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ১৪ তাৰিখে আমাৰ পাৰচেচ পলিচিৰ সম্পৰ্কত যিটো প্ৰশ্ন আহিছিল সেই সম্পৰ্কত মাননীয় সদস্যসকলক অৱগত কৰিছিলো যে, আমাৰ চৰকাৰ দায়িত্বত অহাৰ পিছত আমি দেখিছো যে, বহুতো

* Speech not corrected

সময়ত অদৰ্কাৰী বা অত্যাধিক প্ৰয়োজন নোহোৱা ঔষধ কিনি টকা খৰচ কৰা হয়। যাতে এইদৰে চৰকাৰী টকা অপব্যয় কৰিব নোৱাৰে আৰু এচেনচিয়েল ঔষধৰ বাহিৰে আন আন ঔষধ যাতে বাহিৰৰ পৰা কিনা নহয় তাৰ কাৰণে দব্লিও, এইচ, অ'ৰ ৰিকমেনদেচনৰ মতে ড্ৰাগ লিষ্ট তৈয়াৰ কৰা হৈছে। আৰু ৮ অক্টোবৰ তাৰিখে ঔষধ পাৰচেচ সম্পৰ্কে এটা নীতি নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে আৰু সেই অনুসৰি আৰু দব্লিও এইচ, অ'ৰ ৰিকমেনদেচন্ মতে লিষ্টত নথকা কোনো ঔষধ ক্ৰয় কৰা নহয়। এই ক্ষেত্ৰত মই মাননীয় সদস্যক জনাব বিচাৰিছো যে, আমি কেইটামান কথাৰ ওপৰত গুৰুত্ব দিছো। সেই কেইটা হৈছে, কোনো অদৰকাৰী ঔষধ যাতে কিনা নহয় তাৰ প্ৰতি আমি লক্ষ্য ৰাখিছো। দ্বিতীয়তে, চাবষ্টেণ্ডাৰ্দৰ ঔষধ যাতে কিনা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিছো আৰু তৃতীয়তে, এচেনচিয়েল মেডিচিন বিলাকৰ এভেইলিবিলিটিৰ সম্পৰ্কত সুনিশ্চিত কৰা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত নিশ্চয় কিবা কমিটি আছে আৰু কমিটি বিলাকে কি কি ঔষধ কিনিব লাগে কমিটি বিলাকে চিলেক্ট কৰি দিয়ে আৰু কি কি ঔষধ বাহিৰৰ পৰা আনিব লাগে সেইটোও এই কমিটি বিলাকে চিলেক্ট কৰি দিয়ে। লগতে আৰু এটা কথা কব বিচাৰিছো যে, ৰিপেয়াৰ ওৱানটিং বুলি repair wanting, repair wanting, installation of machine wanting ; এই বিলাক কিমান দিনৰ পৰা ওৱানটিং অৱস্থাত আছে ?

* ডাঃ কমলা কলিতা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ঔষধ ক্ৰয় কৰাৰ সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই সম্পৰ্কত মই কব খোজো যে, এতিয়া মেডিকেল কলেজ সমূহত পাৰচেচ এদভাইজৰী কমিটি আমি গঠন কৰি দিছো। এই কমিটি আমি নবেম্বৰ মাহত গঠন কৰি দিছো। সেই কমিটিৰ চেয়াৰমেন দি, এম, ই, আৰু প্ৰিন্সিপালো আছে। হেদচ্ অৱ দি দিপাৰ্টমেণ্ট মিলি এই কমিটি কৰি

---

* Speech not corrected

দিয়া হৈছে। যাতে ঔষধ বিলাক নিদ বেষ্টত কিনা হয়। এইখিনিতে মই কবলৈ পাই লাজ পাইছো যে, যোৱা এপ্রিল মাহত আমি দায়িত্ব লোৱাৰ আগতে চালৰ মলম কিনা হৈছিল ২১ লাখ টকাৰ। আমি ষ্টক চেক কৰোতে এইটো নলবাৰী জিলাত হৈছিল। এইবোৰ ৰোধ কৰাৰ কাৰণে আমি পাৰচেচ পলিচি কৰিছো। আৰু নিজ নিজ বিভাগত কি কি ঔষধ লাগে এইটো ঠিক কৰি পাৰচেচ কৰাৰ ব্যৱস্থা কৰিছো। মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছে যে, যিবিলাক মেচিনাৰি আছে সেইবিলাক কেতিয়াৰ পৰা ওৱানটিং হৈ আছে? এইখিনিতে মই কব বিচাৰিছো যে, ১৯৯০-৯১ চনতে গামা কেমেৰাটো বি, বৰুৱা কেন্সাৰ হস্পিতালত ইনষ্টল কৰা হৈছিল কিন্তু তাৰ কোনো ফাংচন নাই। এইটো ভাৱা এটমিক কমিচনৰ ফালৰ পৰা দিয়া হৈছিল। এতিয়া সেইটো কাৰ্য্যক্ষম কৰিবলৈ যাওতে দেখা গৈছে যে, তাৰ ইকুইপমেণ্ট মেৰামতি কৰাৰ ক্ষেত্ৰত যিমান টকাৰ প্ৰয়োজন হব নতুন কৰি এটা ক্ৰয় কৰিবলৈও সিমান টকাৰে প্ৰয়োজন হব। গতিকে বি, বৰুৱা, কেন্সাৰ হস্পিতালত যি গামা কেমেৰা আৰু কেট লেব মেচিন ক্ৰয় কৰা হৈছিল সেই মেচিন আজি ৫ বছৰেও ইন্সষ্টলেচন কৰা নহল। আমি দায়িত্বলৈ অহাৰ পিচত ইন্সষ্টলেচন কৰাৰ কাৰণে ব্যৱস্থা কৰি আছো। এই মেচিন বিলাক ইউনি মেগনা কোম্পানী আৰু আৰ, পি, এচ কোম্পানী আৰু তচিবা আদি কোম্পানীৰ পৰা অনা হৈছে। যোৱা কালিও জাপানৰ তচিবাৰ লগত মেমৰেনদাম অৱ আণ্ডাৰষ্টেণ্ডিঙত চহী কৰা হৈছে। আৰু যিমান পাৰো এই মেচিন ইনষ্টল কৰাৰ বাবে আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। তচিবাই এগ্ৰিমেণ্টত চহী কৰিছে গতিকে আমি ভাবো যে সোনকালেই কিবা ব্যৱস্থা কৰিব পাৰিম। তাৰোপৰি ১৯৯১-৯১ চনতে কিনা এই মেচিনবিলাক পৰি থকা কথাটো তেখেত সকলেই উল্লিয়াইছে গতিকে কিয় বেয়া পাইছে?

* শ্ৰীনিজামুদ্দিন খান: অধ্যক্ষ মহোদয়, ২১ লাখ টকাৰ যে মলম কিনা হল সেই সম্পৰ্কত লাইয়েবিলিটিজ ফিক্স কৰা হৈছেনে নাই?

---

* Speech not corrected

ডাঃ কমলা কলিতা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আমি লাইয়েবিলিটিজ ফিক্স কৰাৰ কাৰণে ওলাইছো আৰু সেই মলম বিলাক আমি গ্ৰহণ কৰা নাই ।

* শ্ৰীমোক্তাদিৰ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, ঔষধ বিলাক দিষ্ট্ৰিক মেডিকেল অফিচাৰে চাপ্লাই কৰে নে সঞ্চালকৰ ফালৰ পৰা চাপ্লাই কৰে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ইমাৰ-জেন্সিৰ সময়ত সঞ্চালকৰ পৰা যোগান ধৰা হয় ।

ডাঃ দেৱকান্ত ৰামচিয়াৰী ঃ অধ্যক্ষ মহোদয়, মেডিকেল কলেজ হস্পিতালত সোমালে নাক বন্ধ কৰি সোমাব লাগে এই স্মেল বন্ধ কৰাৰ ব্যৱস্থা কৰিবনে ?

ডা ঃ দেৱকান্ত ৰামচিয়াৰী ঃ অধ্যক্ষ মহোদয়, আজি গুৱাহাটী মেডিকেল কলেজ খনৰ যিটো অৱস্থা, তাত যিটো স্মেল সেই অৱস্থাত নাক বন্ধ নকৰাকৈ ভালৈ যাব নোৱাৰি । গতিকে সেইখন অলপ পৰিষ্কাৰ পৰিচ্ছন্ন কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নে ? দ্বিতীয়তে অলপতে তাত মোৰ এজন বেমাৰী আছিল । তেওঁক তাত ইনভেষ্টিগেচনৰ কাৰণে প্ৰথমতে ফ্লুইড টেষ্ট কৰা হৈছিল যদিও পিচত আকৌ বাহিৰৰ লেবৰেটৰীত পৰীক্ষা কৰিবলৈ দিয়া হ'ল । আকৌ তাত চন'গ্ৰাফীও কৰা হৈছিল কিন্তু পিচত আকৌ বাহিৰৰ লেবৰেটৰীত পৰীক্ষা কৰিবলৈ কোৱা হ'ল । এইবিলাক কৰোতে কৰোতে বেমাৰীজন মৰিয়ে থাকিল । গতিকে গুৱাহাটী মেডিকেল কলেজৰ চিকিৎসা পদ্ধতিত দাবোস ষ্টেণ্ডাৰ্ডৰ কিবা কথা আছে নেকি সেই বিষয়ে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি চাব নে ? আজি গুৱাহাটী মেডিকেল কলেজলৈ ৰোগী আহিলে মৰিশালিলৈহে অহাৰ নিচিনা হৈছে । মন্ত্ৰী মহোদয়ে অৱগতনে ?

* ডাঃ কমলা কলিতা ( স্বাস্থ্য মন্ত্ৰী ) ঃ মাননীয় সদস্য গৰাকীয়ে যিটো কথা উৎথাপন কৰিছে সেই বিষয়ে মই কওঁ যে মাননীয় সদস্য গৰাকীও একালত তাতে ছাত্ৰ আছিল । তাৰ যিটো গোন্ধ সেইটো একেবাৰে নাইকিয়া কৰিব নোৱাৰি । দ্বিতীয় প্ৰশ্নটোৰ ক্ষেত্ৰত মই কওঁ যে আমাৰ বহুতো চিকিৎসকে হস্পিতাল সমূহত ঠিকমতে কাম নকৰি বাহিৰৰ চিকিৎসাত বেছি

* Speech not corrected

মনোযোগ দিয়াৰ কাৰণেও কিছুমান অসুবিধা হৈছে। গতিকে আমি 'হেল্থ এষ্টাব্লিচমেণ্ট এক্ট' খন সংশোধন কৰাৰ ব্যৱস্থা কৰিছো। তাৰোপৰি লেবৰেটৰী ইকুইপমেণ্ট বিলাকো আমি ঠিকমতে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। মেডিকেলৰ ৰোগীয়ে কোনোবাই যদি বাহিৰত লেবৰেটৰীত পৰীক্ষা নিৰীক্ষা কৰিব লগা হৈছে আৰু মেডিকেল কলেজত প্ৰপাৰ ট্ৰিটমেণ্ট পোৱা নাই তেনেহলে সেই বিষয়ত মোক মাননীয় সদস্য গৰাকীয়ে স্পেচিফিক তথ্য দিলে মই নিশ্চয় তদন্ত কৰি চাম।

Mr. Speaker : Now, Starred Question No. 187. Hon'ble Member Shri Rashidul Haque.

বিষয় : অন্ধ বিদ্যালয়ৰ সংখ্যা

শ্ৰীৰচিদুল হকে সুধিছে :

* ১৮৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যখনত মুঠ কিমান চৰকাৰী আৰু বেচৰকাৰী অন্ধ বিদ্যালয় আছে ?

(খ) ষ্টেট হোমৰ মুঠ সংখ্যা কিমান আৰু নামবোৰ কি কি ?

(তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৰাজ্যখনত চৰকাৰী এখন আৰু বেচৰকাৰী পাঁচখন অন্ধ বিদ্যালয় আছে।

চৰকাৰী বিদ্যালয়ৰ নাম :

(১) যোৰহাট অন্ধ বিদ্যালয়, যোৰহাট।

বেচৰকাৰী বিদ্যালয়ৰ নাম :

(১) জনমঙ্গল আদৰ্শ অন্ধ বিদ্যালয়, মৰানহাট।

(২) চছাইটি ফৰ ৱেলফেয়াৰ অৱ ব্লাইণ্ড, গুৱাহাটী।

(৩) ঘিলামৰা অন্ধ বিদ্যালয়, ঘিলামৰা ।

(৪) অসম অন্ধ শিশু বিদ্যালয়, বিহপুৰীয়া ।

(৫) শ্ৰীমন্ত শংকৰ মিচন অন্ধ বিদ্যালয়, নগাওঁ ।

(খ) অসমত মুঠ তিনিটা ষ্টেট হোম আছে ।

ষ্টেট হোমৰ নাম ঃ

(১) ৰাজ্যিক নাৰীগৃহ, নগাওঁ ।

(২) নিঃ সহায় ও প্ৰাক্তন কয়দীৰ ( পুৰুষ ) আবাস গৃহ, শিলচৰ ।

(৩) ৰাজ্যিক নাৰীগৃহ, জালুকবাৰী ।

* শ্ৰীৰচিহুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত যিখিনি বেচৰকাৰী অন্ধ বিদ্যালয় আছে সেইখিনি চৰকাৰী কৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নে ?

* শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( সমাজ কল্যান মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, সদাহতে আমাৰ ওচৰত তেনে ধৰণৰ প্ৰস্তাৱ নাই ।

* শ্ৰীৰচিহুল হক ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অসমত তিনিটা ষ্টেট হ'ম আছে বুলি কৈছে । তাত যিসকল নাৰী আছে তেওঁলোকৰ সংস্থাপনৰ কাৰণে কিবা ব্যৱস্থা কৰা হৈছে নেকি জনাব নে ?

* শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, তাত থকা যি সকল নাৰীয়ে পুনৰ সংস্থাপন সাহায্যৰ কাৰণে আবেদন কৰে তেওঁলোকক এই সাহায্য দিয়া হয় ।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা এটা কথা জানিব খুজিছো যে কুঠৰীত যিটো কুষ্ঠ ৰোগীৰ আশ্ৰম আছে সেইটো সমাজ কল্যান বিভাগৰ অন্তৰ্গত হয় নে নহয় ? যদি হয় তেনেহলে সেইটো উন্নয়নৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰাৰ আঁচনি আছে নেকি ?

* শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( সমাজ কল্যাণ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এইটো আমাৰ বিভাগৰ অন্তৰ্গত নহয় ।

* Speech not corrected

* শ্ৰীগৌতম ৰয় : অধ্যক্ষ মহোদয়, শিলচৰত যিটো ষ্টেট হ'ম আছে সেইটোৰ অৱস্থা অতি বেয়া। সেই বিষয়ে মন্ত্ৰী মহোদয়াই জানে নে নাজানে? যদি জানে তেনেহলে সেইটোৰ উন্নতিৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

* শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ জ্ঞাত। এইটো উন্নয়নৰ বাবে নতুন বাজেটত ব্যৱস্থা কৰা হৈছে।

## Re : No. of roads constructed.

Shri Sukur Ali asked :

* Will the Minister of P.W.D. be pleased to state :

(a) How many roads were constructed / repaired in 1996/1997 in Guwahati Road Division ?

(b) What is the total cost ?

(c) What is the total L.O.C. distributed for such work ? (Please mention the names of the contractors with address whom the L.O.C. was given and place on the table of the House ) ?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) The number of Roads constructed / repaired in Guwahati Road Division during, 1996-97 are 364 Nos.

(b) The total cost is Rs. 550·00 Lakhs.

(c) The amount of the total L.O.C. (F.O.C.) distributed for such work is Rs. 385,63 Lakhs. No. F.O.C. was issued in the names of Contractors but F.O.C. were issued against.

---

* Speech not corrected

* শ্ৰীশুকুৰ আলী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে যে গুৱাহাটী ৰ'ড ডিভিজনৰ অধীনত ১০০ টা কামৰ বিপৰীতে যিবিলাক বিল আদায় দিয়া হৈছে তাত কিছুমান অভিযোগ শুনা যায়। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত তদন্ত কৰি চাব নে ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানি মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আমি কোন হেদত আৰু ক'ত ক'ত কিমান টকা দিছো তাৰ এটা হিচাব সদনৰ মেজত ৰখা হৈছে। তেখেতে শুনা যায় বুলি যিষাৰ কথা কৈছে সেই বিলাকৰ উত্তৰ দিবলৈ টান। এই কথা বিলাক অলপ স্পেচিফিক ভাৱে দিলে চাব পৰা যায়।

### বিষয় ঃ ক্ষতিগ্ৰস্থ পথ আৰু দলঙৰ মেৰামতি।

ডাঃ নজৰুল ইচলামে সুধিছে :

* ১৮৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা বানপানীত ক্ষতি হোৱা পথ আৰু দলংবোৰ মেৰামতি কৰিবলৈ F.D.R. শিতানত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে।

(খ) উক্ত ধাৰ্য্য কৰা টকাৰ এতিয়ালৈকে মুঠ কিমান টকা আৱন্টন দিছে।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিয়ে :

(ক) যোৱা বানপানীত ক্ষতি হোৱা পথ আৰু দলংবোৰ মেৰামতি কৰিবলৈ F.D.R. শিতানত মুঠ ৭৯৬৬ ৭২ লক্ষ টকা ধাৰ্য্য কৰা হৈছে।

(খ) উক্ত ধাৰ্য্য কৰা টকাৰ পৰা এতিয়ালৈকে মুঠ ১০ কোটি টকাৰ আৱন্টন ( F.O,C ) পোৱা হৈছে।

* ডাঃ নজৰুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ইতিমধ্যে ১০ কোটি টকা দিয়া হৈছে। অধ্যক্ষ মহোদয়, এই টকা

* Speech not corrected

চেংচনিং লেটাৰত গৈছে নে টকা হিচাবে গৈছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোঁৱেই যে প্ৰায় ৮০ কোটি টকাৰ প্ৰয়োজন। ১০ কোটি টকা পোৱা হৈছে। এই ১০ কোটি টকাৰ ভিতৰত ইতিমধ্যে ৫ কোটি ২৫ লাখ টকা গৈছে বাকী ৪ কোটি ৭৫ লাখ টকা দুই এদিনতে দিয়া হৈছে।

* ডা: নজৰুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ চাব ডিভিজনৰ কাৰণে কিমান টকা দিয়া হৈছে আৰু বিশেষকৈ লাহৰীঘাত সমষ্টিত যিবিলাক দলং বানপানীয়ে উটুৱাই লৈ গৈছে সেইবিলাক সোনকালে নিৰ্মান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

* শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে মৰিগাওঁ ৰোড ডিভিজনত ৯ লাখ টকা দিছো।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে এফ, ডি, আৰ শিতানত বিশেষকৈ ঘিলামৰা ডিভিজন ধেমাজী, ঘিলামৰা— ঢকুৱাখানা পথ বৰষুণ হোৱাৰ পিচতে বন্ধ হৈ গৈছে। মাননীয় মন্ত্ৰী মহোদয়ে দয়া কৰি গুৰুত্বসহকাৰে ঢকুৱাখানা ঘিলামৰা, ঘিলামৰা মাছখোৱা পথ কেইটাৰ যি শোচনীয় অৱস্থা হৈছে। সেই কামখিনি সোনকালে কৰাৰ ব্যৱস্থা কৰিবনে আৰু ইয়াৰ কাৰণে কিমান টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে।

* শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ঘিলামৰাৰ কাৰণে ইতিমধ্যে ৪০ লাখ টকা দিয়া হৈছে আৰু ৪ লাখ টকা দিয়া হব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, যি ৪০ লাখ টকা দিছিল সেইখিনিৰে আগৰ বিল দিওঁতেই গৈছে। এফ, ডি, আৰত খৰচ নকৰি আগৰ কামত খৰচ কৰিছে। এইটো তদন্ত কৰি ব্যৱস্থা লব নেকি ?

* শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইটো তদন্ত কৰিবলৈ প্ৰস্তুত কিন্তু তেখেতে নিৰ্দ্দিষ্ট অভিযোগ দিলে ভাল হয়।

---

* Speech not corrected

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, বানপানীত ক্ষতিগ্ৰস্থ হোৱা দলঙৰ'পথৰ কাৰণে টকা দিয়া হৈছে নে বানপানীত ক্ষতি নোহোৱা সমূহো ধৰা হৈছে।

* শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বানপানী বুলিলে আমি নদীৰ পানীৰে বুৰাই পেলোৱা অঞ্চলকহে বুজাও। কেতিয়াবা বৰষুণৰ পানীয়েও বিভিন্ন ঠাই বুৰাই পেলাই আৰু বহুটো ৰাস্তা নষ্ট কৰে। সেইবিলাক আমি বানপানীয়ে ক্ষতি কৰা বুলি নকওঁ।

* শ্ৰীৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা চৰকাৰৰ দিনত ১৯৯৪ চনৰ জানুৱাৰী মাহত দলং মেৰামতি কৰাৰ যি প্ৰতিশ্ৰুতি দিছিল সেইবিলাক সম্পূৰ্ণ কৰিছে নেকি। আৰু যিখিনি বাকী আছে আমাৰ চৰকাৰে কৰিব নেকি ?

* শ্ৰী অতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা চৰকাৰৰ দিনত নিৰ্ব্বাচনৰ আগে আগে ৮০ কোটি টকাৰ কাম কৰিছিল তাত ফাইনেঞ্চৰ কনকাৰেঞ্চও নাছিল। লগতে ঠিকাদাৰ বিলাকে টকা নাপায় কাম বেয়াকৈ কৰিছিল। টকা নোপোৱা কাৰণে ঠিকাদাৰে কাম কৰা নাছিল। ফাইনেঞ্চৰ ক্লিয়াৰেঞ্চ নাছিল। এইবিলাক যথেষ্ঠ খেলিমেলি আছিল।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে যথেষ্ঠ খেলিমেলি আছে। গতিকে ইয়াৰ তদন্ত কৰি ব্যৱস্থা লব নেকি ?

* শ্ৰী অতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, টকাটো খৰচ কৰিছে। কামৰ কোৱালিটি হয়টো বেয়া হৈছে। কৰবাত হয়তো কাম কৰা নাই আৰু কৰবাত কাম হৈছে। গতিকে ইয়াত কামৰ কোৱালিটি ভিনিবিধৰ হৈছে। একে আষাৰে কাম নকৰা বুলি কব নোৱাৰি।

* Speech not corrected

বিষয়ঃ বৃদ্ধ পেঞ্চন আঁচনি।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ১৯০। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে :

(ক) তিনিচুকীয়া জিলাত কিমান গৰাকী মহিলাই পোৱাতী সাহায্য Meternity benefit ) পৰিয়াল কল্যাণ আঁচনিত ( Family benefit scheme ) কিমান পৰিয়ালে আৰু বৃদ্ধ পেঞ্চন আঁচনিৰ যোগে সাহায্য পাইছে জনাবনে ?

(খ) পোৱাতী সাহায্য পোৱাৰ নিয়মাৱলী কি কি ? ( Central Government. )

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়া জিলাত ৬৭৯ গৰাকী মহিলাই ৰাষ্ট্ৰীয় পোৱাতী সাহায্য ৭৮ টা পৰিয়ালে ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ সাহায্য আৰু ৯৬৭ জনে ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনিৰ যোগে সাহায্য পাইছে।

(খ) ৰাষ্ট্ৰীয় পোৱাতী সাহায্যৰ নিয়মাৱলী—

১। গৰ্ভৱতী মহিলা গৰাকী দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা হব লাগিব আৰু বয়স ১৯ বছৰৰ কম হব নালাগিব।

২। প্ৰথম দুটি জীৱিত সন্তান প্ৰসৱ কৰাৰ ক্ষেত্ৰত প্ৰতিবাৰতে সন্তান প্ৰসৱৰ ১২-৮ সপ্তাহৰ পূৰ্বে ৩০০ টকাকৈ সাহায্য দিয়া হয়। নৱজাত শিশুক জন্মতে এপালি পলিও ঔষধ আৰু এটা বি, চি, জি প্ৰতিশেধক ছিটা আৰু ৬ষ্ঠ সপ্তাহত প্ৰথমপালি ডি, পি, টি আৰু পলিও ঔষধ দিয়াটো বাঞ্ছনীয়।

স্থানীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিষয়াৰ পৰা গৰ্ভৱস্থাৰ প্ৰমান পত্ৰ সহ আবেদন পত্ৰ গাওঁ পঞ্চায়ত/নগৰ সমিতি/পৌৰ নিগমৰ জড়িয়তে খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগে; ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ বাবে গঠিত জিলা সমিতিয়ে

খণ্ড উন্নয়ণ বিষয়াৰ পৰা পোৱা আবেদন পত্ৰ সমূহত অনুমোদন জনোৱাৰ পিছত জিলা উপায়ুক্তই মঞ্জুৰী প্ৰদান কৰে; মঞ্জুৰীৰ টকা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সঞ্চালকৰ দ্বাৰা একাউন্ট পেয়ি চেক যোগে নিৰ্বাচিত আবেদনকাৰীলৈ পঠিওৱা হয়।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ: মাননীয় অধ্যক্ষ মহোদয়া, মাননীয় মন্ত্ৰী মহোদয়াই অৱগত নে যে এই যি ৩০০ টকাৰ চেক দিয়া হৈছে সেই চেক বিলাক বেংকত একাউন্ট নোহোৱাৰ কাৰণে লব পৰা নাই আৰু তাৰ কাৰণে বহুটো বেনিফিছাৰী অসুবিধাত পৰিছে।

* শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেই বিষয়ে আমি অৱগত নহয়।

**বিষয়: ধোদৰ আলিৰ মেৰামতি।**

শ্ৰীহেমন্ত কলিতাই সুধিছে:

* ১৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) তিতাবৰ টাউনৰ অসম্পূৰ্ণ হৈ থকা ধোদৰ আলিৰ পথচোৱা উত্তৰ পূব পৰিষদৰ আঁচনিৰ জড়িয়তে কেতিয়াৰ পৰা কাম আৰম্ভ হব জনাবনে?

(খ) কামটোৰ বাবে কিমানজনে নিবিদা দিছিল আৰু কিমান জনক কামটোৰ বাবে নিৰ্বাচিত কৰা হব?

(গ) পথটোৰ কামটোৰ বাবে পূৰ্বতে কৰা আঁচনি মতেই কৰা হব নে? যদি নহয়, তেনে ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে?

(ঘ) পথটোৰ দুৰাৱস্থা আৰু গুৰুত্বলৈ চাই অতি শিঘ্ৰে ব্যৱস্থা লব নে?

(ঙ) ধোদৰ আলিৰ দলং সমূহ কেতিয়া আৰু কেনে আঁচনিৰ দ্বাৰা নিৰ্মাণ কৰা হব জনাব নে?

---

* Speech not corrected

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) চলিত মাৰ্চ '৯৭ মাহতেই কামটো আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হৈছে

(খ) কামটোৰ বাবে মুঠ পাচটা গ্ৰুপত ২৮ খন নিবিদা পোৱা হৈছে আৰু পাচটা গ্ৰুপত পাচ জনক নিৰ্বাচিত কৰা হৈছে।

(গ) পথটোৰ কামটোৰ বাবে পূৰ্বতে কৰা আঁচনিৰ উত্তৰ পূব পৰিষদে কৰা সংশোধিত অনুমোদন মতে কামটো কৰা হব।

(ঘ) হয়। প্ৰশাসনিক অনুমোদন আৰু পূঁজিৰ আৱণ্টন সাপেক্ষে ব্যৱস্থা লোৱা হব।

(ঙ) ধোদৰ আলিৰ ২৩ খন দলঙৰ কাম উত্তৰ পূৱ পৰিষদৰ আঁচনিত অন্তৰভুক্ত কৰি পুনৰ নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা লৈ থকা হৈছে। আৰু বাকী থকা ২২ খন কাঠৰ দলঙৰ পকী দলং ৰূপে নিৰ্মাণৰ বাবে আৱশ্যকীয় ধন ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ণ বেংকৰ পৰা ঋণ স্বৰূপে পাবলৈ উক্ত বেংকৰ লগত যোগাযোগ চলি আছে। যদি ঋণ মঞ্জুৰি পোৱা হয় এই কামবোৰ হাতত লোৱা হব।

* শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনেকি প্ৰথমতে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰা হৈছিল। আৰু বৰ্ত্তমান সংশোধনী ঘটাই কেনে ধৰণে কৰিব।

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, এম, ই, চিৰ মতে মাটি ট্ৰাকেৰে কঢ়িয়াব লাগিছিল। এতিয়া আকৌ মুৰেৰে মাটি কঢ়িয়াব লগীয়া হৈছে। যিটো আলিত লাগে বহুত টকা, লিমিটেড টকা চেংচন কৰিছে। আগৰ টকা যিটো আছিল অতি কম। ১ কোটি ৩৩ লাখ ২৭ হাজাৰ টকা। মাটি লড়িৰে কঢ়িওৱাৰ বিপৰীতে মুৰেৰে কঢ়িয়াইছে।

* শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো থাকিলে আঁচনিখন কাৰ্য্যকৰী কৰাত অসুবিধা নহব নে ? যদি হয় সেই বিষয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব।

* Speech not corrected

* শ্ৰীঅতুল বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এনেকুৱা খেলি মেলি হৈ থকাৰ কাৰণে এন ই চি এ যিবিলাক সংশোধনী কৰিছে সেই বিলাকৰ কাৰণে বহুটো অসুবিধাৰ সন্মুখীন হৈ আছিছো। এতিয়া বহুতেই টকা দিব লাগে, সময় নাই। আকৌ ৫ বছৰ লাগিব চেংশ্যন কৰিববৰ কাৰণে। কিবা এটা উপায় কৰি খৰছ কৰিব লাগে নহলে এইটো 'ডিলে' হৈ যাব।

* শ্ৰীমতী ৰূপম কুৰ্মী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা লিখিত প্ৰশ্ন আছিল প্ৰশ্ন নং ১৭৬– তাৰ উত্তৰ দিয়া হৈছিল ১৪/৩/৯৭ তাৰিখে। মই একে প্ৰশ্ন কৰিছো, মাননীয় মন্ত্ৰীয়ে তাৰ উত্তৰ দিছে– 'হয়, অবগত'। ইয়াৰ বাবে ১৯৯৬-৯৭ চনত পৰিকল্পনাৰ ধন ধৰা নাই। প্ৰশ্ন নুঠে।

Mr. Speaker : Now, Question Hour is over.

( Starred Question Nos. 192 to 200 could not be taken up for desposal as the Question hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto. )

বিষয় ঃ পানীৰ পাম্পৰ সংখ্যা।

শ্ৰীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে :

* ১৯২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানলৈকে যমুনামুখ সমষ্টিত কিমানটা Mark—II, Mark—III আৰু Tara Pump Tube Well দিয়া হল আৰু কিমান কাৰ্যকৰী হৈ আছে ?

(খ) অকাৰ্যকৰী হৈ পৰি থকা Mark—II, Mark—III আৰু Tara Pump Tube Well সমূহ মেৰামতি কৰাৰ ব্যৱস্থা লবনে ?

---

* Speech not corrected

শ্ৰীউৎপল দত্ত (ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) মাৰ্ক টু ৭২ টা দিয়া হৈছে তাৰে ৪৩ টা কাৰ্যকৰী হৈ আছে। তাৰা পাম্প ৬টা দিয়া হৈছে তাৰে ২ টা কাৰ্যকৰী হৈ আছে। হস্ত চালিত নলীনাদ ১০৭৪ টা দিয়া হৈছে তাৰে ৭৫৫ টা কাৰ্যকৰী হৈ আছে।

(খ) পৰ্যায়ক্ৰমে পুঁজি সাপেক্ষে মেৰামতি কৰাৰ ব্যৱস্থা কৰা হব।

## Re : Improvement of Roads.

Shri Jagannath Sinha asked :

* 193. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government is aware that P.W.D. road from Sonai to Matinagar remains closed for vehicular traffic very often during the rainy season ?

(b) For how many years condition of the road is remaining as such ?

(c) What are the reasons for not improving road ?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) The road is always opened to vehicular traffic even during rainy season.

(b) Does not arise.

(c) Due to non availability of sufficient fund the improvement work could not be done.

## Re : Repairing of P.W.D. Roads.

Shri Prithibi Majhi asked :

* 194. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government is aware of the fact that the following P.W.D. Roads of Dibrugarh district are in dilapidated condition ?

1. Mancotta Road from Lekai Thakurthan to Khamtighat T.E.

2 Rohmoria Road from Mohanbari Airport to Hezetbank.

3. Ghoramora-Basmotia Road.

4 Bokel-Phulampur Road.

5. Hatkota Road from Bokpara to Jamira Tiniali.

(b) If so, whether Government will take initiative for repairing/construction of these P.W.D. Roads under Dibrugarh P.W.D. Division.

Shri Atul Bora ( Minister ) replied :

(a) Yes.

(b) Yes.

**Re : Nos. of 30, bedded Hospital.**

Shri Etuwa Munda asked :

* 195. Will the Minister of Health and Family Welfare be pleased to state :

What is the total number of 30 bedded Hospital under construction in the State ?

Dr. Kamala Kalita (Minister) replied :

Total number of 30 bedded Hospitals now under construction in the State is 48 ?

### Re : Non payment of Salaries.

Sri Sukhendu Shekhar Dutta asked :

* 196 will the Minister, P.W.D. be pleased to state :

(a) What is the reason for non payment of salaries to the employees of Border Roads Construction Depantment at Karimganj and Patharkandi for several months ?

(b) Whether all employees or part are not getting regular salary ?

(c) Whether measures would be taken to make regular payment ? If yes, when payment ?

Sri Atul Bora (Minister, P.W.D.) replied ;

(a) Payment could not be made due to paucity of fund and shortfall in Budget provision.

(b) Payment to regular staff only are made monthly. Only Payment to work Charge & Master Roll Labourers could not be made regularly.

(c) Yes. Action is being taken to provide fund from the next financial year i. e. 1997-98.

### বিষয় ঃ ৩০ শয্যা বিছনাযুক্ত চিকিৎসালয়।

শ্ৰীমতী সুশীলা হাজৰীকাই সুধিছে ঃ

* মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত পূব ব্ৰহ্মপুত্ৰ গাওঁ পঞ্চায়তৰ অধীনত থকা ৩০ খন বিছনাযুক্ত চিকিৎসালয়খন কোন চনত আৰম্ভ কৰা হৈছিল ?

খ) বৰ্ত্তমান চিকিৎসালয়খন কাৰ্য্যক্ষমনে ? যদি কাৰ্য্যক্ষম নহয়, এই বিত্তীয় বছৰৰ পৰাই কাৰ্য্যক্ষম কৰি তোলাৰ আশ্বাস দিবনে ?

গ) চিকিৎসালয়খন স্থাপনৰ আনুমানিক ব্যয় কিমান আছিল ? তাৰ বিপৰীতে কিমান টকা খৰছ কৰা হ'ল ?

ঘ) চিকিৎসালয়খনৰ বিছনা আৰু অপাৰেচন থিয়েটাৰ আদিৰ বাবে প্ৰয়োজনীয় সকলো বস্তু আছেনে ?

ঙ) যদি নাই, সম্পূৰ্ণ কৰাৰ ব্যৱস্থাৰ আশ্বাস দিবনে ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১৯৮৬ চনত।

খ) বৰ্ত্তমান বহিৰ্বিভাগ ( outdoor ) চলি আছে। অন্তৰ্বিভাগ এই বিত্তীয় বছৰত কাৰ্য্যক্ষম কৰিব পৰা নাযাব।

গ) ২৭.২৬ লাখ টকাৰ আনুমানিক ব্যয়ৰ বিপৰীতে ২৫.৪৪ লাখ টকা খৰছ হৈছে।

ঘ) বৰ্ত্তমান নাই।

ঙ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

বিষয় ঃ ব্যক্তিগত নাৰ্ছিং হোমৰ সংখ্যা।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ১৯৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত ব্যক্তিগত মালিকৰ অধীনত গা কৰি উঠা নাৰ্ছিং হ'মৰ সংখ্যা বৰ্ত্তমান কিমান। (জিলা ভিত্তিত নাৰ্ছিং হ'মৰ সংখ্যা দাখিল কৰিব) ?

খ) উন্নত মানৰ চিকিৎসাৰ বাবে কোন কোন জিলাত নাৰ্ছিংহ'মৰ সুব্যৱস্থা আছে ?

গ) এই নাৰ্ছিংহ'ম সমূহৰ পৰা চৰকাৰে কিমান টকাৰ ৰাজহ লাভ কৰিছে এখন প্ৰতিবেদন দাখিল কৰিব ?

ডাঃ কমলা কলিতা ( স্বাস্থ্য মন্ত্ৰী ) যে উত্তৰ দিছে :

ক) ১৫৪ খন। জিলা ভিত্তিত তালিকা সংলগ্ন কৰা হ'ল।

(See the Annexure—I)

খ) উন্নত মানৰ নাৰ্ছিংহ'ম ( গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ) চিকিৎসালয়ৰ নিচিনা মানদণ্ডৰ কতো নাই।

গ) ৩,৭৭, ৬১৫ টকা ( পঞ্জীয়ন মাচুলৰ বাবদ )

## Re : Ayurvedic Pharmacists.

Shri Silvius Condpan asked :

* 199. Will the Minister of Health be pleased to state :

(a) Whether Government is aware of the problem of unemployed Ayurvedic Pharmacists ?

(b) What is the policy of the Government in absorbing the Ayurvedic Pharmacists in different parts of the State ?

Dr. Kamala Kalita (Minister, Health ) replied :

(a) Yes.

(b) The policy of the Government is to absorb as many of the Ayurvedic Pharmacists in Government jobs as are necessary for the Health Programmes.

**Re : Water Supply Scheme.**

Shri Bimolangshu Roy asked :

* 200. Will the Minister of Public Health Engineering be pleased to state :

(a) Is it a fact that one-third population of Silchar town is still uncovered by any water supply scheme for which Public Health Engineering Department of Silchar has sent a proposal for new Silchar water supply scheme to be executed phase-wise at the cost of two crores and ten lakhs of rupees ?

(b) Is it a fact that water supply and Urban Sewarage Board has also drawn up a scheme for greater Silchar for Rupees twenty crores ?

(c) Is it a fact that Public Health Engineering Department is not authorised to execute any scheme in Urban areas in absence of any specific direction from the Government and if so, through which agency Government proposes to execute the scheme.

(d) Will the Government clear the project as special case to be executed by the Public Health Engineering Department during current financial year ?

Shri Utpal Dutta ( Minister, P.H C. ) replied :

(a) Yes, newly extended Silchar Town is left uncovered by the existing Silchar Town Water Supply Scheme.

Yes, Now Silchar Water Supply Scheme has been proposed to be taken up in 3 phases for a total cost of Rs. 2.20 crores.

(b) P.H.E. Department has no information regarding this as Assam Urban Water Supply & Sewerage Board is under Municipal Administration Department.

(c) Yes. Only with the approval of Municipal Administration Deptt. Schemes in Urban areas are executed by the P.H.E. Deptt. from time to time.

(d) Not yet finalised.

## Unstarred Questions & Answers

বিষয় ঃ গছপুলি ৰোৱাৰ আঁচনি।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

৪০১। মাননীয় সামাজিক বনানিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সামাজিক বনানিকৰণ আঁচনিৰ অন্তৰ্গত ধুবুৰী জিলাত যোৱা পাচঁটা বছৰত কিমান সংখ্যক গছপুলি ৰোৱা হৈছে জনাবনে ?

(খ) স্কুল ফিল্ডত/অফিচ আদিৰ ফিল্ডত এই আঁচনিৰ গছ পুলি ৰোৱা হয় নে ?

(গ) যদি হয়, তেন্তে যোৱা পাচটা বছৰত ধুবুৰী জিলাৰ কোন কোন স্কুল বা অফিচ ফিল্ডত কিমান সংখ্যক গছপুলি ৰোৱা হৈছে আৰু ইয়াত সৰ্বমুঠ কিমান টকা খৰছ হৈছে ?

(ঘ) লগতে চলিত বছৰত ধুবুৰী জিলাৰ বাবে উক্ত আঁচনিত সৰ্বমুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) ৭০,২৪,৪০০ টা গছ পুলি বোৱা হয়।

(খ) হয়।

(গ) যোৱা পাঁচ বছৰত ধুবুৰী জিলাৰ তলত দিয়া স্কুল/কলেজ সমূহত গছ পুলি বোৱা হয়।

| | |
|---|---|
| (১) জগমোহন হাইস্কুল— | ২৫০০ টা |
| (২) বেৰভাঙ্গী হাইস্কুল — | ২৫০০ টা |
| (৩) পি, বি, কলেজ, গৌৰীপুৰ— | ২৫০০ টা |
| (৪) ঝগৰাৰ পাৰ মাদ্ৰাছা— | ২৫০০ টা |
| (৫) অলমগঞ্জ ৰঙা মাটি— | ১২৫০০ টা |
| (৬) চত্ৰশাল হাইস্কুল— | ২৫০০ টা |
| (৭) বৰকান্দা হাইস্কুল— | ২৫০০ টা |
| (৮) বন্দিহানা হাইস্কুল— | ২৫০০ টা |
| (৯) চাপটগ্ৰাম কলেজ— | ২৫০০ টা |
| (১০) বি, এম, গালৰ্চ কলেজ — | ২৫০০ টা |
| (১১) ফুটকিবাৰী হাইস্কুল— | ২৫ টা |
| (১২) নায়াৰ আল্লা হাইস্কুল— | ২৫০০ টা |
| (১৩) মানকাচাৰ কলেজ কেম্পাচ— | ১০০ টা |
| (১৪) হাত শিঙ্গিমাৰী কলেজ— | ৩৩ টা |
| (১৫) মটেৰঝাৰ ছিনিয়ৰ বেচিক স্কুল— | ৬৭ টা |
| (১৬) কুৰণাকাট্ৰী হাইস্কুল— | ৭০ টা |
| (১৭) বাশবাৰী হাইস্কুল— | ২৫০০ টা |
| (১৮) কাজীগাওঁ হাইস্কুল— | ২৫০০ টা |
| (১৯) টিপকাই কলেজ— | ২৫০০ টা |

(২০) ডলিগাওঁ এম, ই স্কুল— ৪৬ টা
(২১) চাপৰ গালৰ্চ হাইস্কুল— ৬৭ টা
(২২) বহলপুৰ গালৰ্চ হাইস্কুল— ৬৭ টা
(২৩) আৰেঙ্গাৰঝাৰ এল, পি স্কুল— ৬৭ টা

উক্ত কামৰ বাবদ ২,৭৫,৮০০ টকা খৰছ কৰা হয়।

(ঘ) মুঠ ২,০৫,২০০·০০ টকা ধাৰ্য্য কৰা হৈছে।

বিষয় ঃ হাস্পাতালের ভবন নির্মান।

শ্রীশম্ভু সিং মাল্লাই সুধিছে ঃ

৪০২। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় নিম্নোক্ত হাস্পাতাল গুলির ভবন নির্মানের কাজ বর্ত্তমান অর্থবর্ষে বর্ষাশুর হওয়ার পূর্বেই আরম্ভ করার বিষয়ে বিভাগীয় কর্ত্তৃপক্ষ কি কি কার্যকরী নিয়েছেন ?

(১) নগেন্দ্র নগর প্রাথমিক স্বাস্থ্য কেন্দ্র (S.C.)।
(২) নিলাম বাজার ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল (S.C.)।
(৩) বাজাৰঘাট ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল (S.C.)।
(৪) রামকৃষ্ণ নগর ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল।
(৫) নালারপার ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল।
(৬) গোবিন্দ গঞ্জ প্রাথমিক স্বাস্থ্য কেন্দ্র।

(খ) (১) বারৈগ্রাম Mini P.H.C. } Untied Fund
(২) ডলু Mini P.H.C. }

(গ) (১) নিডিয়াছড়া প্রাথমিক স্বাস্থ্য কেন্দ্র।
(২) চেরাগী প্রাথমিক স্বাস্থ্য কেন্দ্র।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ১। নিবিদা আহ্বানৰ বাবে যো-জা কৰা হৈছে।

২। সোনকালে নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হব।

৩। প্ৰয়োজনীয় সুবিধাজনক মাটিৰ অভাৱত প্ৰাক্কলন প্ৰস্তুত কৰিব পৰা হোৱা নাই।

৪। সোনকালে নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হব।

৫। নালাৰপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এখনহে অনুমোদিত হৈছে, ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় নহয়। নিৰ্মাণ স্থানৰ থেলি মেলিৰ বাবে কাম হাতত লব পৰা নাই।

৬। এই বিষয়ত স্বাস্থ্য বিভাগৰ পৰা কোনো প্ৰস্তাৱ পোৱা নাই।

(খ) ১। 'বাৰৈগ্ৰাম' এখন ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰহে, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নহয়। কাম আৰম্ভ কৰাৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হৈছে।

২। 'ডলু' এখন ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰহে, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নহয়। যি নহওক কাম আৰম্ভ কৰাৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা লোৱা হৈছে।

(গ) ১। নিৰ্মাণ কাৰ্য্য আগবাঢ়িছে।

২। উক্ত কাম জিলা গ্ৰামীণ উন্নয়ণ প্ৰাধীকৰণৰ দ্বাৰাহে কাৰ্য্যকৰী কৰা হব।

বিষয় ঃ স্কুল বাছৰ ভাড়া বৃদ্ধি।

শ্ৰীনিজামুদ্দিন খানে সুধিছেঃ

৪০৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৃহত্তৰ গুৱাহাটী মহানগৰীৰ বিভিন্ন স্কুল সমূহৰ ছাত্ৰ-ছাত্ৰী সকলক অনা-নিয়া কৰাৰ বাবে বিভাগীয় চিটি বাছ সমূহৰ ভাড়া বৃদ্ধি কৰাটো সঁচানে?

(খ) স্কুলীয়া চিটিবাছৰ বৰ্দ্ধিত ভাড়া লগতে অন্যান্য বাছ সেৱাৰ ভাড়া বৃদ্ধি কৰা হৈছে নেকি ?

(গ) যদি হোৱা নাই, কি ভিত্তিত এই ভাড়া বৃদ্ধি কৰা হৈছে ?

(ঘ) এই সম্পৰ্কত তদন্তমৰ্মে বৰ্দ্ধিত ভাড়া প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটীত চলা চিটি বাছৰ নিৰিখ অনুযায়ী স্কুলবাছে অতিক্ৰম কৰিবলগীয়া সৰ্বমুঠ দূৰত্ব আৰু ৰৈ থাকিবলগীয়া সময়ৰ ওপৰত নিৰ্ভৰ কৰি ভাড়া স্থিৰ কৰা হৈছে।

(খ) স্কুলীয়া বাছৰ ভাড়া আৰু চিটি বাছৰ ভাড়া বৃদ্ধি কৰা হোৱা নাই।

(গ) নিৰিখৰ আধাৰ দূৰত্ব আৰু ৰৈ থাকিব লগা সময়ৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰা হৈছে।

(ঘ) ভাড়া যিহেতুকে ব্যয় সাপেক্ষে নিৰ্দ্ধাৰণ কৰা হৈছে প্ৰত্যাহাৰৰ প্ৰশ্ন নুঠে।

বিষয়ঃ পানী যোগান আঁচনি।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

৪০৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলোকগঞ্জ সমষ্টিত মুঠ কিমান খোৱা পানী যোগানৰ আঁচনি আছে ? (গাওঁ ভিত্তিত আঁচনি সমূহৰ নাম জনাব)

(খ) উক্ত আঁচনি সমূহৰ দ্বাৰা কিমান সংখ্যক মানুহ উপকৃত হৈছে ?

(গ) উক্ত সমষ্টিত খোৱা পানী যোগানৰ কেন্দ্ৰ কিমান সচল আৰু কিমান অচল অৱস্থাত আছে।

(ঘ) অচল হৈ থকা আঁচনি সমূহক সচল কৰাৰ বাবে খৰতকীয়া ব্যৱস্থা কৰা হবনে ?

(ঙ) নতুনকৈ নলী যোগে খোৱা পানী যোগান ( Pide Water Scheme ) ধৰাৰ আঁচনি বিভাগৰ আছে নেকি ?

(চ) যদি আছে, কি ধৰণে উক্ত আঁচনি ৰূপায়ণ কৰা হব ?

শ্ৰীউৎপল দত্ত (ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিয়ে :

(ক) পাইপ পানী যোগান আঁচনি— ২৮ খন।
হস্ত চালিত নলী নাদ— ১২১৬ টা।
মাৰ্ক-টু হেণ্ড পাম্প— ৬৯ টা।
তাৰা পাম্প— ২০ টা।
পকী কুৱাঁ— ৪৯ টা।
( গাওঁ ভিত্তিত আঁচনি সমূহৰ নামৰ তালিকা পৰিশিষ্ট 'ক' ত গাঠি দিয়া হল )। (See the Annexure – II)

(খ) ২,১৮,৩২৩ জন।

(গ)

| | সচল | অচল |
|---|---|---|
| পাইপ পানী যোগান আঁচনি | ২৬ | ২ |
| হস্ত চালিত নলী নাদ | ১০৭৬ | ১৪০ |
| মাৰ্ক-টু হেণ্ড পাম্প | ৬৫ | ৪ |
| তাৰা পাম্প | ১৯ | ১ |
| পকী কুৱাঁ | ৪৩ | ৬ |

(ঘ) পৰ্য্যায়ক্ৰমে আৰু পুঁজি সাপেক্ষে ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) আছে।

(চ) কোনো উৎস নথকা আৰু কম পৰিমানৰ পানী যোগান ধৰা চুবুৰী সমূহত কেন্দ্ৰীয় চৰকাৰৰ চৰ্ত্ত সাপেক্ষে অগ্ৰাধিকাৰ ভিত্তিত পৰ্য্যায়ক্ৰমে লোৱা হয় আৰু পুঁজি সাপেক্ষে আঁচনিৰ কাম ৰূপায়ণ কৰা হয়।

বিষয় ঃ সামাজিক বনানিকৰণ আঁচনি।

শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ

৪০৫। মাননীয় সামাজিক বনানিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সামাজিক বনানিকৰণ বিভাগৰ জড়িয়তে যোৱা পাঁচ বছৰত গোৱালপাৰা জিলাত কি কি আঁচনি লৈছিল আৰু সেইবোৰ সম্পূৰ্ণ হৈছেনে?

(খ) কিমান টকা প্ৰত্যেক আঁচনিত ধৰা হৈছিল বিতং তথ্য বিভাগীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা পাঁচ বছৰত গোৱালপাৰা জিলাত লোৱা আঁচনি সমূহ হ'ল— (১) সামাজিক বনানিকৰণ সাধাৰণ আঁচনি (২) জনজাতি উপ আঁচনি (৩) অনুসূচীত জাতি উন্নয়ণ আঁচনি (৪) খৰি-খেৰ (ঘাঁহ) যোগান আঁচনি (৫) বিকেন্দ্ৰীকৃত জনসাধাৰণৰ পুলি বাগান আঁচনি।

উক্ত আঁচনি সমূহ সম্পূৰ্ণ কৰা হৈছে।

(খ) প্ৰত্যেক আঁচনিত ধাৰ্য্য কৰা ধনৰ পৰিমাণ এনে ধৰণৰ—

(ক) সামাজিক বনানিকৰণ সাধাৰণ আঁচনি— ৯০·৫৬ লাখ টকা।

(খ) জনজাতি উপ আঁচনি— ৫৮·৬৩ লাখ টকা।

(গ) অনুসূচীত জাতি উন্নয়ণ আঁচনি—৩০·৩৫ লাখ টকা।

(ঘ) খৰি-খেৰ (ঘাঁহ) যোগান আঁচনি—১৩৩·১৫ লাখ টকা।

(ঙ) বিকেন্দ্ৰীকৃত জনসাধাৰণৰ পুলি বাগান আঁচনিত মুঠ ৭,৬২,৬৮৯ টা পুলি বিতৰণ কৰা হয়। এই আঁচনিত জনসাধাৰণৰ বাবে পুলিহে যোগান ধৰা হয়।

**Re : Proposal of 30 bedded Hospital.**

Shri Misbahul Islam Laskar asked :

406. Will the Minister of Health and Family Welfare be pleased to state :

(a) Whether the Government has any proposal to construct more new 30 bedded Hospital in the State ?

(b) Whether the Government has any proposal to upgrade the existing Medical Sub-Centre to P.H.C. in the State ?

**Dr.** Kamala Kalita (Minister, **Health & F.W.**) replied :

(a) Yes

(b) There is no proposal to upgrade all the existing Sub-Centres to P.H.C.s. However, some of the Sub-Centres may be up-graded to P.H.C.s depending upon fullfilment of norms and subject to availability of fund.

বিষয়—ৰাজ্যিক পৰিবহন নিগম।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

৪০৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ ৰাজ্যখনত কিমানটা আস্থান বৰ্ত্তমান অব্যৱহৃত হৈ পৰি আছে আৰু কিমানটা আস্থান মেৰামতি নোহোৱাকৈ ব্যৱহাৰৰ অনুপযোগী হৈ আছে ?

(খ) অসম ৰাজ্যিক পৰিবহন নিগমত বৰ্ত্তমান কিমানখন বাছ চলি আছে আৰু কিমানখন অচল হৈ পৰি আছে ?

(গ) পৰিবহন নিগমৰ কাৰ্য্যক্ষম প্ৰতিখন বাছৰ বিপৰীতে বৰ্ত্তমান কৰ্মচাৰীৰ সংখ্যা কিমান ?

(ঘ) বেচৰকাৰী পৰিবহন সংস্থাৰ বাছৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি পৰিবহন নিগম চলাই যাবলৈ কি ব্যৱস্থা হাতত লৈছে ?

(ঙ) পৰিবহন নিগমৰ বৰ্ত্তমান অৰ্থনৈতিক অৱস্থা কেনে ?

(চ) চৰকাৰে ঘোষণা কৰা বিধায়ক, প্ৰাক্তন বিধায়ক, ৰাজনৈতিক নিৰ্য্যাতিত সকলৰ বিনামূলীয়া ভ্ৰমণৰ বাবদ নিগমে কিমান টকা পাবলৈ বাকী আছে ।

শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ ৰাজ্যখনত ১৯ টা আস্থান বৰ্ত্তমান অব্যৱহৃত হৈ আছে। ইয়াৰ ভিতৰত ২১ টা আস্থান/উপ-আস্থান মেৰামতি নোহোৱাকৈ ব্যৱহাৰৰ অনুপযোগী হৈ আছে।

(খ) দৈনিক গড়ে সচল বাছৰ সংখ্যা ৩৮০ খন আৰু ২৮২ খন বাছ অচল অৱস্থাত আছে ।

(গ) প্ৰতিখন সচল বাছৰ বিপৰীতে কৰ্মচাৰীৰ সংখ্যা ১৫ জন।

(ঘ) নিগমে বাৱসায়িক ভিত্তিত চলাৰ উদ্দেশ্যে দূৰনীবতীয়া আৰু লাভজনক পথত অধিক বাছ চলাবলৈ সিদ্ধান্ত লৈছে। তদুপৰি ৬৫ বছৰীয়া বৃদ্ধ-লোকৰ বিনামূলীয়া ভ্ৰমণ চলিত মাহৰ পৰা উঠাই দিয়া হৈছে। নিগমৰ কাম-কাজ অধিক উপাৰ্জনমুখী, মিতব্যয়ী আৰু উন্নত মানৰ সেৱা আগ-বঢ়াবলৈ পৰামৰ্শ দিয়া হৈছে ।

(ঙ) নিগম বৰ্ত্তমান ঘাটিত চলি আছে ।

(চ) (১) চৰকাৰে ঘোষণা কৰা বিধায়ক, প্ৰাক্তন বিধায়কসকলৰ ভ্ৰমণৰ বাবদ পৰিবহন নিগমে ১৯৯৬ চনৰ নবেম্বৰ মাহলৈকে কোনো টকা পাবলৈ নাই।

(২) ৰাজনৈতিক নিৰ্য্যাতিত বিনামূলীয়া ভ্ৰমণৰ কোনো ব্যৱস্থা নাই।

**Re : Construction of Roads/Bridges.**

**Sri Hemen Das** asked :

408. Will the Minister, P.W.D. be pleased to state :

(a) Is it a fact that in 1995 August Government sanctioned an amount of Rs. 80.00 crores ( Eighty crores ) for "repair of all P.W.D. Roads both surfaced and unsurfaced and SPT bridges" and this amount was to be released in two instalments to the Divisions.

(b) If so, whether the money was spent ?

(c) Please state the dates on which money was released to various Divisions.

**Sri Atul Borah** (Minister, P.W.D.) replied :

(a) No

(b) Does not arise.

(c) Does not arise.

Re : **Establishment of P.H.C.**

**Shri** Abdur **Rouf** asked :

409. Will the Minister of Health & Family Welfare be pleased to state :

(a Is there any proposal with the Government for establishment of P.H.C. at Balikuri and Roha under No. 44 Jonia L.A.C.

(b) Is it a fact that cost estimates was called for and approved ?

(c) In view of the (a) & (b) Whether Government will take up for sanction of P.H.C. at Balikuri and Roha ?

Dr. Kamala Kalita (Health Minister) replied :

(a) Yes.

(b) Yes.

(c) Administrative approval for P.H.C. at Roha has been issued on 21.1.96 and for P.H.C. at Balikuri it is in process.

বিষয় ঃ ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্ম্মাণ।

শ্ৰীচন্দ্ৰ কান্ত টেৰাং
শ্ৰীহেমসিং তিচ্চু } যে সুধিছে ঃ

৪১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁৰ পৰা ডবকা হৈ ডিমাপুৰলৈ যোৱা ৩৬ নং ৰাষ্ট্ৰীয় পথটো এতিয়ালৈকে নিৰ্মাণ নোহোৱা আধৰুৱা কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হব ?

(খ) উক্ত পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ ১৯৯৭-৯৮ চনৰ পৰিবহন বিভাগৰ বাৰ্ষিক পৰিকল্পনাত অন্তভূ'ক্ত কৰা হৈছে নে ?

(গ) যদি কৰা নাই, কিয় কৰা হোৱা নাই আৰু কাৰণ সমূহ কি কি ?

শ্ৰীঅতুল্য বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নগাওঁৰ পৰা ডবকা হৈ ডিমাপুৰলৈ যোৱা ৩৬ নং ৰাষ্ট্ৰীয় ঘাই পথটোৰ নিৰ্মাণ কৰিবলৈ বাকী থকা আধৰুৱা অংশখিনি ১৯৯৭-৯৮ চনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

(খ) পৰিবহন বিভাগৰ বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত কৰাৰ বিষয়ে এই বিভাগ অৱগত নহয়।

(গ) ১৯৯৭-৯৮ চনৰ পৰিবহন মন্ত্ৰালয় ( M.O.S.T. ) বাৰ্ষিক পৰিকল্পনা অহা বিত্তীয় বৰ্ষৰ আৰম্ভনিতহে প্ৰস্তুত কৰা হব।

বিষয় ঃ F.D.R. শিতানৰ টকা।

শ্ৰীভূপেন ৰায়ে সুধিছে :

৪১১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ গড়কাপ্তানী সংমণ্ডলত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত কিমান টকা ( F.D,R.) শিতানত আবণ্টন দিয়া হৈছে ?

(খ) উক্ত টকাৰে বঙাইগাওঁ জিলাৰ কোন কোন পথৰ মেৰামতি কামত খৰছ কৰা হৈছে অনুগ্ৰহ কৰি জনাবনে ?

(গ) মানাহঘাট চকিহালি, মানিকপুৰ চকিহালি, মানিকপুৰ বাছবাৰী, ধৰ্মপুৰ বৰঘোলা আদি (P.W.D. ৰাস্তা সমূহৰ মেৰামতি বা পকীকৰণৰ বাবে কিবা টকা ধাৰ্য্য কৰিছে নেকি ?

(ঘ) যদি কৰা নাই, তেনেহ'লে চলিত বিত্তীয় বৰ্ষত উক্ত ৰাস্তাসমূহৰ মেৰামতি বা পকীকৰণৰ বাবে টকা ধাৰ্য্য কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ১৫·০০ লাখ টকা F.D.R. শিতানত আবণ্টন দিয়া হৈছে।

(খ) উক্ত আবণ্টিত ধনেৰে বঙাইগাওঁ জিলাৰ ৬৩ টা পথৰ বিপৰীতে ১২,৬৯,৮৭৮·০০ টকা খৰছ কৰা হৈছে। খৰচৰ বিতং বিৱৰণী তালিকা সংলগ্ন কৰা হ'ল। আৰু অৱশিষ্ট ২,৩০,১২২·০০ টকা বঙাইগাওঁ পথ সংমণ্ডলৰ অধীনত কোকৰাঝাৰ জিলাৰ পথ সমূহৰ বাবে খৰছ কৰা হৈছে। (See the Annexure-III)

(গ) ১। মানাহঘাট চকিহালি পথৰ পকীকৰণ শিতানত কোনো টকা ধাৰ্য্য কৰা নাই। কিন্তু মেৰামতিৰ বাবে untied শিতানত ১,৫০,০০০.০০ (এক লাখ পঞ্চাশ হাজাৰ) টকা ধাৰ্য্য কৰা হৈছে।

২। মানিকপুৰ চকিহালি পথত ১৯৯৬–৯৭ চনৰ বিত্তীয় বছৰত জৰুৰী (Emergent) শিতানত পকী কৰা বাবে ১০,০০,০০০.০০ (দহ লাখ) টকা ধাৰ্য্য কৰা হৈছে। আৰু ১৯৯৬-৯৭ চনৰ বছেৰেকীয়া পৰিকল্পনাৰ শিতানত ৩,০০,০০০.০০ টকা (তিনি লাখ) ধাৰ্য্য কৰা হৈছে।

৩। মানিকপুৰ বাছবাৰী পথত মেৰামতি বা পকীকৰণৰ কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

৪। ধৰ্মপুৰ বৰঘোলা পথত ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত পকীকৰণৰ বাবে দহ লাখ (১০,০০,০০০.০০) টকা বাৰ্ষিক পৰিকল্পনাত ধাৰ্য্য কৰা হৈছে।

(ঘ) ১৯৯৭-৯৮ চনত পকীকৰণ বা মেৰামতি পুঁজিৰ অনুদান সাপেক্ষে কৰা হ'ব।

**Re : Drinking water supply.**

Shri Derhagra Mochahary asked :

412. Will the Minister of Public Health Engineering be pleased to state :

Whether department has proposed to regularise the Tamulpur drinking water supply system ?

Sri Utpal Dutta (Minister, P.H.C.) replied :

Does not arise as this scheme is running at present.

বিষয় ঃ তালাচী চকীত কৰ সংগ্ৰহ।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে ঃ

৪১৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩১ নং ৰাষ্ট্ৰীয় পথৰ শ্ৰীৰামপুৰত থকা পৰিবহন বিভাগৰ তালাচী চকীখনত দৈনিক কিমান টকা (কৰ হিচাবে) সংগ্ৰহ হয়?

(খ) শ্ৰীৰামপুৰ তালাচী চকীয়েদি দৈনিক কিমানখন মালবাহী ট্ৰাক অহা-যোৱা কৰে?

শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পৰিবহন বিভাগৰ শ্ৰীৰামপুৰত থকা তালাচী চকীত দৈনিক গড় হিচাবত মুঠ ৫.০৪ লাখ টকা (কৰ হিচাবে) সংগ্ৰহ কৰা হয়।

(খ) শ্ৰীৰামপুৰ তালাচী চকীয়েদি দৈনিক গড় হিচাবত ১০২০ খন মালবাহী ট্ৰাক অহা যোৱা কৰে।

Re : **Patacharkuchi Anchali Road.**

Shri Jagmohan Basumatary asked :

414. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government will take immediate measures for improvement of Patacharkuchi-Anchali P.W.D. road upto Lakhibazar in Chapaguri L.A.C. under Barpeta division which is lying in a most deplorable condition for flying vehicles since last few years ?

(b) Whether Government is aware that this runs from Indo-Bhutan International Border area touching the Kokilabari Central State Farm and join the 31 No. National High Way at Pathsala ?

(c) Will the Government give priority to improve the said road with the scheme of metalling and black topping during the current financial year of 1996—97 ?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) Yes, subject to availability of adequate fund.

(b) Yes.

(c) Due to inadequate fund, there is no scope during the financial year 1996-97.

**Re : Road and Bridge Construction.**

**Shri Kali Ranjan Deb** asked :

415. Will the Minister of P.W.D. be pleased to state :

(a) Is it a fact that Government of Assam have since received the sanctioned amount of Rs. 1.98 crore for re-construction of Haritikor-Sadirkhal Road & construction of a R.C.C. bridge over River Kinnokhal in Katigora constituency of Cachar district ?

(b) If already received, when ?

(c) If received, whether adequate fund has been placed with Cachar Road Division.

(d) If fund already placed, why there is no progress of work ?

(e) Whether Government is aware about the fact that the said road is strategically very important as it is running parallel with the Indo-Bangladesh International Border ?

(f) Considering all the factor, whether Government will start construction work on priority basis?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) Yes, Rs. 78·33 lakhs have been sanctioned for improvement of Haritikar Sadhirkhal Road. and Rs. 119.67 lakhs have been sanctioned for construction of R.C.C. bridge over river Kinnorkhal.

(b) The schemes were approved in September, 1994 and administrative approval for the road project were accorded on February 7, 1995 and for the bridge project on March 29, 1995.

(c) Rs. 80,000.60 has so far been placed with Silchar Road Division.

(d) Progress is slow due to inadequency of fund.

(e) Yes.

(f) Yes, subject to availability of adequate fund.

বিষয় ঃ সহকাৰী অভিযন্তা পদৰ সাক্ষাৎকাৰ

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে ঃ

৪১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগৰ সহকাৰী অভিযন্তাৰ পদসমূহ পুৰণ কৰিবৰ বাবে APSC য়ে সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল নে?

(খ) যদি কৰিছিল, কিমান প্ৰাৰ্থীক উত্তীৰ্ণ কৰা হৈছিল?

(গ) আৰু কিমানক মকৰল কৰা হ'ল আৰু কিমান প্ৰাৰ্থী মকৰল কৰিবলৈ থাকিল?

(ঘ) বাকী থকা উত্তীৰ্ণ প্ৰাৰ্থীক কেতিয়াৰ পৰা মকৰলৰ ব্যৱস্থা কৰিব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ১৫০ জন।

(গ) মকৰল কৰা হ'ল ৪০ (চল্লিছ) জন আৰু বাকী থাকিল ১১০ জন।

(ঘ) মকৰলৰ ব্যৱস্থা কৰিব পৰা নাযায়।

বিষয় ঃ ব্লাড বেংক।

শ্ৰীৰাজেন্দ আলি চৌধুৰীয়ে সুধিছে :

৪১৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ব্লাড বেংক ( Blood Bank ) নথকা চিভিল হস্পিতেলৰ মুঠ সংখ্যা কিমান ?

খ) জেনেৰেটৰ যোগান নিদিয়া চিভিল হস্পিতেলৰ মুঠ সংখ্যা কিমান ?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ব্লাড বেংক নথকা চিভিল হস্পিতালৰ মুঠ সংখ্যা ২৪ খন।

খ) এখন।

Re : Day and Night Super Bus.

**Shri Dileswar Tanti** asked :

418. Will the Minister of Transport be pleased to state :

(a) Whether the Government is aware that the Transports Vehicles available at Tinsukia District are of mostly in very deplorable conditions and the Day Super Service and Night Super Services are also of pitiable conditions causing regular breakdowns on the road ?

(b) Whether the Transport services earlier provided in the Doom-Dooma Phillobari road and Doom-Dooma Duamara roads are plying on the roads ?

Shri Pradip Hazarika (Minister, Transport) replied :

(a) There are 40 Nos. of A.S.T.G. Buses under Tinsukia Divn. and out of these 21 Nos. of Buses are on road. The condition of Night Super and Day Super Buses are considerably good. Some vehicles at times unexpectedly breakdown due to prevailing road condition between Tinsukia and Dibrugarh.

(b) No. A. S. T. C. Buses are plying. But 6 (six) numbers of private buses are plying on the routes.

Re : Hundred Bedded Hospital.

Shri Dinesh Prasad Goala asked :

419. Will the Ministers of Health & Family Welfare be pleased to state :

a) Whether Government has any proposal to establish a hundred bedded hospital at Lakhipur, the newly created Civil Sub-division ?

b) If so, what step Government has taken ?

c) If not, will the Government take immediate step to establish a hundred bedded hospital to give the minimum medical facility to the people of this Sub-division ?

Dr. Kamala Kalita (Minister- Health & F.W.) replied :

a) There is no proposal for the present.

b) Government is considering this matter in respect of all Sub-divisions where 100 bedded Hospitals are to be set up as per norms.

c) It will receive due priority when fund is available.

বিষয় ঃ পৰিবহন নিগমৰ বাছৰ সংখ্যা ।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে সুধিছে ঃ

৪২০। মাননীয় পৰিবহন নিগমৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ অসম ৰাজ্যিক পৰিবহন নিগমক বৰ্ত্তমানৰ ৰুগ্ন অৱস্থাৰ পৰা উদ্ধাৰৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীপ্ৰদীপ হাজৰিকা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

অসম চৰকাৰে ৰাজ্যিক পৰিবহন নিগমক চলিত বিত্তীয় বছৰত ১০ কোটি টকা ঘাটি পূৰণৰ বাবে আৰু ৭·৬৫ কোটি টকা পৰিকল্পনাৰ শিতানত উন্নয়নমূলক কামৰ বাবে মোকোলাই দিছে।

তদুপৰি নিগমক কাৰ্য্যক্ষম হ'বলৈ আৰু সম্পদৰাজিৰ উচিত ব্যৱহাৰৰ যোগেদি আয় বঢ়াবৰ বাবে পৰামৰ্শ দিয়া হৈছে।

বিষয় ঃ কৰ্মচাৰীৰ ভবিষ্য নিধি।

ডাঃ কল্যাণ কুমাৰ গগৈ য়ে সুধিছে ঃ

৪২১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম পৰিবহন নিগমৰ কৰ্মচাৰীসকলৰ ভবিষ্যনিধিৰ কেইবা কোটি টকা নিগমৰ বাবে খৰছ কৰা কথাটো সঁচা নেকি ?

(খ) যদি সঁচা, তেন্তে কষ্টৰে ভবিষ্য নিধিত জমা কৰা টকাখিনি খৰছ কৰাত অৱসৰ পোৱা কৰ্মচাৰী, দুৰাৰোগ্য কেন্সাৰ আদিত ভোগা কৰ্মচাৰী সকলে ভবিষ্যনিধিৰ ধন পোৱাৰ পৰা বঞ্চিত হব লগা হৈছে নেকি ?

শ্ৰীপ্ৰদীপ হাজৰিকা ( পৰিবহন মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) নিগমৰ উপাৰ্জন সময়ে-সময়ে কমি যোৱা বাবে ভবিষ্যনিধিৰ শিতানত জমা কৰিব লগা পুঁজি হ্ৰাস পোৱাটো সঁচা।

(খ) মাজে সময়ে বিলম্ব হ'লেও বঞ্চিত হ'ব লগা হোৱা নাই।

বিষয় ঃ নিযুক্তিৰ তদন্ত।

শ্ৰীঅতুল কুমাৰ শৰ্মাই সুধিছে ঃ

৪২২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰূপহী শিশু উন্নয়ণ প্ৰকল্পৰ অন্তৰ্গত অঙ্গণবাদী কেন্দ্ৰত শিশু উন্নয়ণ প্ৰকল্প বিষয়াই দিয়া নিযুক্তিৰ সন্দৰ্ভত বিভাগীয় ভাবে তদন্ত কৰাৰ ব্যৱস্থা লৈছিল নেকি?

(খ) তদন্ত কৰাৰ পিছত সেই নিযুক্তিৰ সন্দৰ্ভত কি ব্যৱস্থা লোৱা হ'ল জনাবনে?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়। নিযুক্তিৰ সন্দৰ্ভত বিভাগীয় ভাবে তদন্ত কৰি প্ৰতিবেদন পোৱা হৈছে।

(খ) তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত বিভাগীয় ভাৱে ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ ৰাস্তা মেৰামতি।

শ্ৰীমোস্তাফা শ্বহীদুল ইছলামে সুধিছে :

৪২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰী, বৰজাবাৰী, গৰুখুটী বৰছলা, ভুৰবন্ধা হৈ মৰিগাওঁ সদৰলৈ যোগাযোগ কৰা গড়কাপ্তানী ৰাস্তাৰ কিমান দলং বেয়া হৈ আছে বৰ্ত্তমানে ৰাস্তাৰে বাছ গাড়ী চলাচল বন্ধ হৈ আছে জানে নে? উক্ত ৰাস্তাটো মেৰামতি কৰিবলৈ কিমান দিন লাগিব?

(খ) মৈৰাবাৰী ভুৰাবন্ধী লোচনাবড়ী হৈ মৰিগাওঁ সদৰলৈ অহা যোৱা কৰা ৰাস্তাত বাছ গাড়ী চলাচল বন্ধ হৈ আছে, এই কথা জানে নে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এখন। হয় জানো। মেৰামতিৰ শিতানত পৰ্য্যাপ্ত পৰিমানৰ পুঁজি আবণ্টন পালে সোনকালে সম্পূৰ্ণ কৰিব পৰা যাব।

(খ) এই পথটোত বাছ গাড়ী চলাচল বন্ধ হৈ থকা নাই।

বিষয় ঃ মেলেৰীয়া ৰোগত মৃত্যু।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে :

৪২৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) শোনিতপুৰ জিলাৰ সীমান্তৱৰ্ত্তী অঞ্চল সমূহত বছৰি কিমান লোকৰ মেলেৰীয়া ৰোগত মৃত্যু হল জনাবনে?

খ) উক্ত মেলেৰীয়া ৰোগৰ নিৰ্মূল কৰণৰ বাবে কিবা ব্যৱস্থা লবনে?

গ) চতিয়া সমষ্টিত থকা স্বাস্থ্য উপকেন্দ্ৰ সমূহত আগতীয়াকৈ মেলেৰীয়া ঔষধ বিনামূলীয়াকৈ বিতৰণৰ ব্যৱস্থা কৰিবনে?

ঘ) চতিয়া সমষ্টিৰ যিকোনো এখন স্থানত মেলেৰীয়া গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা কৰিবনে?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) যে উত্তৰ দিছে:

ক) শোণিতপুৰ জিলাৰ সীমান্তবৰ্ত্তী অঞ্চল সমূহত ১৯৯৪ চনত ৬ জন, ১৯৯৫ চনত ২১ জন আৰু ১৯৯৬ চনত ৬ জন লোকৰ মেলেৰীয়া ৰোগত মৃত্যু হৈছে।

খ) ৰাষ্ট্ৰীয় মেলেৰীয়া নিৰ্মূল আঁচনিৰ জড়িয়তে মেলেৰীয়া ৰোগৰ নিৰ্মূল কৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

গ) চতিয়া সমষ্টিত থকা স্বাস্থ্য উপকেন্দ্ৰ সমূহত ৰাষ্ট্ৰীয় মেলেৰীয়া নিৰ্মূল আঁচনিৰ জড়িয়তে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰি থকা হৈছে।

ঘ) বৰ্ত্তমানলৈ প্ৰস্তাৱ লোৱা হোৱা নাই।

বিষয়ঃ পূৰ্ত্ত ৰাস্তাৰ সৰ্ব্বমোট দৈৰ্ঘ্য।

শ্ৰীআনোৱাৰ হুছেইন লস্কৰ জিজ্ঞাসা করছেন:

৪২৫। মাননীয় পূৰ্ত্ত বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:

(ক) কাছাড় জেলার পূৰ্ত্ত বিভাগে রাস্তার সর্ব্বমোট দৈর্ঘ্য কত? এই রাস্তার মধ্যে পিচ (Black Topping) রাস্তার দৈর্ঘ্য কত? (সমষ্টি ভিত্তিক)

(খ) সোনাই বিধান সভা সমষ্টিতে পূর্ত্ত বিভাগের রাস্তার কত কিলোমিটার পিচ (Black Topping) এবং কত টুকু পিচ করা নয়, কত কিলো-

মিটার যান-বাহন চলা চলের উপযোগী ? বর্ষা কালে সোনাই সমষ্টির পূর্ত্ত সড়ক দিয়ে যান বাহন চলাচল কড়িয়া থাকে কি ?

(গ) ১৯৮৫-৯০ এর অ, গ, প. চরকার ক্ষমতায় থাকো কালিন সময়ে "সোনাই সেতু" এবং "হাতিখাল সেতু" নির্মাণের মঞ্জুরী দেওয়ার পর যথা রিতি উক্ত সেতু গুলোর ভিত্তি প্রস্থর স্থাপন করার পর আজ অবধি ঐ সেতুগুলোর কাজ পূর্ণ হয় নাই সরকার এ ব্যাপারে অবগত আছেন কি ?

(ঘ) উক্ত সেতু গুলোর কাজ সম্পন্ন করার জন্য সরকার কি পদক্ষেপ গ্রহণ করছেন এবং কবে-পর্যন্ত ঐ সেতু গুলো যান-বাহন চলা-চলের জন্য উন্মুক্ত করা হবে ?

Sri Atul Bora (Minister, P.W.D.) replied ;

(a) The total length of P.W.D. roads in Cachar District is 852·48 Km. of which 183·40 Km. is black-topped. The Constituency wise break-up of the black topped roads is as follows :

| Name of Constituency | Length of black topped Roads. |
|---|---|
| 1. Silchar | 43.825 Km. |
| 2. Dhubri | 11.110 ,, |
| 3. Sonai | 34.800 ,, |
| 4. Udharbund | 20.320 ,, |
| 5. Katigorah | 24.910 ,, |
| 6. Lakhipur | 27·550 ,, |
| 7. Barkhola | 20.532 ,, |
| Total | 852·48 Km. |

(b) In Sonai Constituency, 34.80 Km. roads is black-topped and the remaining 128.315 Km. is not black-topped. All the above Kms. are fit for plying of

vehicles, vehicles keep plying during rainy season in all P.W.D. roads in Sonai Constituency.

(c) Yes.

(d) All efforts are being made for completion of the bridges and they are likely to be opened to vehicular traffic by March/98.

বিষয় ঃ পানী যোগান আঁচনি।

শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ

৪২৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) তিতাবৰ সমষ্টিৰ বেকাজান আৰু ৰঙাজান পানী যোগান আঁচনি কিমান দিনৰ মূৰত আৰম্ভ কৰা হব জনাবনে ?

খ) তিতাবৰত বৰ্ত্তমান বিকল হৈ থকা পানী যোগান আঁচনি সমূহ পুনৰ পানী যোগান ধৰিবৰ বাবে কিমান দিনৰ প্ৰয়োজন হব জনাবনে ?

শ্ৰীউৎপল দত্ত ( মন্ত্ৰী ) য়ে, উত্তৰ দিছে ঃ

ক) বেকাজান আৰু ৰঙাজান দুয়োটা আঁচনিৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু সম্পূৰ্ণ হোৱাৰ পথত।

খ) পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে ব্যৱস্থা লোৱা হব।

**Re : Retrenchment of Muster Roll Worker**

Shri Sukhendu Shekhar Dutta asked :

427. Will the Minister of Public Health Engineering be pleased to state :

(a) How many Muster Roll Workers were retrenched from services in Patharkandi P.H.E. Sub-division and for what reason ?

(b) Whether the Government has any plan to take them back in their services ?

(c) If yes, when ?

Shri Utpal Dutta ( Minister, P.H.C. ) replied :

(a) 13 ( thirteen ) Nos. of Muster Roll Workers were disengaged from services in Patharkandi (P.H.E.) Sub-Division. The Muster Roll workers were disengaged, because they were engaged during the ban on engagement of M.R. workers i.e. on or after 01.04.93.

(b) No such decision.

(c) Does not arise.

বিষয় ঃ উত্তৰ পূৰ পৰিষদৰ নিৰ্ব্বাচিত পথ ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৪২৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবনে ঃ

(ক) উত্তৰ পূৰ পৰিষদে ৰাজ্যৰ কেতবোৰ নিৰ্ব্বাচিত পথ আৰু দলং মেৰামতিৰ বাবে আবন্টন দিয়া টকাৰ উপযুক্ত ব্যৱহাৰ হ'ল নে ?

(খ) ৩০ কোটি টকাৰ হিচাপ দাখিল কৰিব নোৱাৰা ৰাজহুৱা অভিযোগ সত্য নে ?

(গ) পৰিষদে গড়কাপ্তানী বিভাগক সৰ্বমুঠ কিমান টকাৰ আবন্টন দিছিল ?

(ঘ) উত্তৰ পূৰ পৰিষদে আবন্টন দিয়া নিৰ্দিষ্ট অংকৰ ধনৰ হিচাপ দিব নোৱাৰা সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উত্তৰ পূৰ পৰিষদে ৰাজ্যৰ পথ আৰু দলং মেৰামতিৰ বাবে কোনো টকা আবন্টন নিদিয়ে।

(খ) সত্য নহয়।

(গ) উত্তৰ পূৱ পৰিষদে গড়কাপ্তানী বিভাগক সৰ্বমুঠ ১৫৪.২৬ ( এশ চৌৱন্ন দশমিক দুই ছয় ) কোটি টকা মাত্ৰ আৱন্টন দিছিল।

(ঘ) গড়কাপ্তানী বিভাগে উত্তৰ পূৱ পৰিষদক বিভাগীয় নিয়ম অনুসৰি প্ৰতি বছৰে হিচাপ দাখিল কৰি আহিছে।

**Re : Sub-Centre/Family Planning Centre.**

Shri Sheikh Abdul Hamid asked :

429. Will the Minister of Health and Family Welfare be pleased to state :

a) No. of Medical Sub-Centre/Family Planning Centre within No. 45 Baghbar L.A.C. (Please furnish the name of Centre with No. of present employees).

b) Causes of vacancies and steps taken by the Government to fill up such vacancies ?

Dr. Kamala Kalita ( Health Minister ) replied :

a) i) No. of Medical Sub-Center —2 Nos.

ii) No. of Family Planning ( Welfare ) Centre. —51 Nos.

( A List stating the names of the Centres and indicating total No. of present employees is enclosed). (See the Annexure IV)

b) There is one vacancy in the post of ANM due to the reason that the selection of ANM's is yet to be finalised. As soon as the selection is complete the post shall be filled up.

বিষয় ঃ পানী যোগান আঁচনি।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে ঃ

৪৩০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জালুকবাৰী সমষ্টিৰ অন্তৰ্গত বৰগাওঁ কেতেকীঝাৰ, চৰমজুলী, লেঙা, মান্দাকাটা পানী যোগান আঁচনিৰ কাম কিয় এতিয়াও অসম্পূৰ্ণ অৱস্থাত আছে।

(খ) উক্ত আঁচনি কেইটাৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হব ?

শ্ৰীউৎপল দত্ত, ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সীমিত পূজিৰ বাবে আঁচনি সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(খ) পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে আঁচনি সম্পূৰ্ণ কৰা হব।

বিষয় ঃ গড় কাপ্তানী (পথ) সংমণ্ডল স্থাপন।

শ্ৰীমোহন দাসে সুধিছে ঃ

৪৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা গড়কাপ্তানী (পথ) সংমণ্ডলৰ অধীনস্থ পাঠশালা গড়কাপ্তানী (পথ) সংমণ্ডল স্থাপন কৰাৰ বাবে দীৰ্ঘ দিন ধৰি চৰকাৰক আবেদন নিবেদন কৰা হৈছে, এই সম্পৰ্কে চৰকাৰ অৱগত নে ?

(খ) সমগ্ৰ বজালী মহকুমাৰ এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণৰ বাবে আৰু এই এলেকাত গড়কাপ্তানী বিভাগৰ কাৰ্য্য দক্ষতা বৃদ্ধিৰ প্ৰয়োজনত পাঠশালাত এটা গড়কাপ্তানী (পথ) সংমণ্ডল স্থাপন কৰাৰ কাৰ্যকৰী ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত হয়।

(খ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিষয় ঃ সামাজিক বনানিক্ৰৰণ আঁচনি।

শ্ৰীআবু বক্কৰ চিদ্দিক জোতদাৰে সুধিছে :

৪৩২। মাননীয় সামাজিক বনানিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত সামাজিক বনানিকৰণ আঁচনিৰ অধীনত মুঠ কিমান গছ পুলি ৰোৱা হ'ল ?

(খ) সামাজিক বনানিকৰণ আঁচনিয়ে ৰাজ্যখনৰ মুঠ কিমান হেক্টৰ মাটি আবৰি লৈছে ?

শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ — ১,৪৭,৯৯,৮৭৫ টা গছ পুলি ৰোপণ কৰা হয়।

(খ) এতিয়ালৈকে ১১০৯০৪ হেক্টৰ মাটি।

বিষয় ঃ যক্ষ্মা ৰোগীৰ চিনাক্তকৰণ।

শ্ৰীশুকুৰ আলীয়ে সুধিছে।

৪৩৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত মুঠ কিমানজন যক্ষ্মা ৰোগীক চিনাক্ত কৰা হৈছে ?

খ) তেওঁলোকৰ চিকিৎসাৰ বাবে চৰকাৰে কি আঁচনি লৈছে ?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৰাজ্যখনত মুঠতে ৭৭,৮৫৭ জন ৰোগীক চিনাক্ত তথা চিকিৎসা কৰি থকা হৈছে।

খ) ৰাষ্ট্ৰীয় যক্ষ্মাৰোগ আঁচনিৰ মাধ্যমত ৰাজ্যখনত থকা ১৭টা জিলা যক্ষ্মা কেন্দ্ৰৰ দ্বাৰা বিভিন্ন জিলাত যক্ষ্মাৰোগী চিনাক্ত কৰি বিনামূলীয়াকৈ ঘৰতে চিকিৎসা কৰাৰ সুবিধা কৰা হৈছে। লগতে জিলাখনত তিনিখন যক্ষ্মাৰোগীৰ চিকিৎসালয়ৰ দ্বাৰাও ৰোগীক ভৰ্তি কৰি বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱা হৈছে। ৰাষ্ট্ৰীয় যক্ষ্মাৰোগ আঁচনিৰ ৰূপায়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ঔষধ-পাতি সৰবৰাহ কৰে। লগতে ৰাজ্য চৰকাৰেও কিছু পৰিমানৰ ঔষধ পাতি আদি যোগান ধৰে।

বিষয় ঃ নতুন বাট পথ নিৰ্ম্মাণ আঁচনি

শ্ৰীৰামেশ্বৰ ধানোৱাৰে, সুধিছে ঃ

৪৩৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাত গড়কাপ্তানী পথ মেৰামতিৰ বাবে কিমান টকা ধাৰ্য্য কৰিছে ?

(খ) অলপতে চৰকাৰে দিয়া নিৰ্দ্দেশমতে কোন কোন বিধান সভা সমষ্টিত নতুন বাট পথ বনোৱাৰ আঁচনি অনুমোদন কৰা হৈছে নেকি ?

(গ) যিবোৰ সমষ্টিত নতুন বাট পথ বনোৱাৰ আঁচনি নাই তাত গড়কাপ্তানীৰ বেয়া পথ সমূহ বনোৱাৰ কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মেৰামতিৰ বিভিন্ন শিতানত এতিয়ালৈকে মুঠ ৫৯২১ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু টকাৰ আৱণ্টনও দিয়া হৈছে ।

(খ) মাৰ্ঘেৰিটা, ডিগবৈ, ডুমডুমা, তিনিচুকীয়া, চাবুৱা আৰু শদিয়া সমষ্টিত বিভিন্ন আঁচনি লোৱা হৈছে ।

(গ) প্ৰায় সকলো সমষ্টিতেই নতুন বাট পথ বনোৱাৰ আঁচনি লোৱা হৈছে আৰু বিত্তীয় পৰিস্থিতি অনুযায়ী মেৰামতিৰো কাম পৰ্য্যায়ক্ৰমে লোৱা হৈছে ।

বিষয় ঃ পাইপ ওৱাটাৰ আঁচনি

শ্ৰীখলিলুৰ ৰহমান চৌধুৰী য়ে সুধিছে ঃ

৪৩৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যমুনামুখ সমষ্টিত কিমান সংখ্যক পাইপ ওৱাটাৰ আঁচনি আৰু গভীৰ নলীনাদ আঁচনি বন্ধ হৈ আছে ?

(খ) উক্ত আঁচনিবোৰৰ মাজত কিমানটা আঁচনি চলি আছে আৰু কিমান সংখ্যক আঁচনি বন্ধ হৈ আছে ?

(গ) উক্ত বন্ধ হৈ থকা আঁচনিবোৰ পুনৰ জীৱিত কৰাৰ কিবা পৰিকল্পনা বিভাগৰ আছেনে ?

(ঘ) যদি আছে, কিমান দিনৰ ভিতৰত উক্ত আঁচনিবোৰ সক্ষম হৈ উঠিব ?

শ্ৰীউৎপল দত্ত ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গভীৰ নলীনাদ যুক্ত পাইপ পানী যোগান আঁচনি ৩৬ খন আৰু মাৰ্ক টু ৭২ টা ।

(খ) উক্ত আঁচনিবোৰৰ মাজৰ ২০ খন আঁচনি চলি আছে আৰু ৬খন আঁচনি বন্ধ হৈ আছে । বাকী ১০ খন আঁচনি এতিয়াও কাৰ্য্যক্ষম হোৱা নাই আৰু মাৰ্ক টুৰ ভিতৰত ৪৮ টাৰ কাম চলি আছে । ১৭টা বেয়া হৈ আছে আৰু ৭টাৰ কাম কৰিবলৈ বাকী আছে ।

(গ) আছে ।

(ঘ) ধনৰ আৱন্টনৰ ভিত্তিত পৰ্য্যায়ক্ৰমে আঁচনিবোৰ কাৰ্য্যক্ষম কৰা হব ।

**Re : P.W.D. road from Somarikuna to Dholai.**

Shri Jagannath Sinha asked.

436. Will the Minister of P.W.D. be pleased to state :

(a) Why the P.W.D. road from Somarikuna to Dholai Via South Cachar in the district of Hailakandi remains closed for vehicular traffics from March to November every year ?

(b) If so, what are the reasons for such conditions ?

Shri Atul Bora ( Minister P.W.D. ) replied :

(a) During heavy and incessant rains this road occationally remains closed at vulnerable stretches due to submergences of cold weather timber bridge No. 9/4 and muddy condition of the road at stretches.

(b) (i) Submergence of cold weather timber bridge No. 9/4.

(ii) Paucity of fund for maintenance and repair.

(iii) Damage to 8 Nos, of timber bridges due to plying of heavy coal loaded trucks carrying load beyond permissible limit.

**Re : Repairing of roads/bridges.**

Shri Prithibi Majhi asked :

437. Will the Minister of P.W.D. be pleased to state :

(a) Considering the damages caused by the last flood, whether the state Government is bringing extra financial grant in aid for repairing the roads bridges of the state ?

(b) If so, what is the total amount of grant in aid ?

(c) What is the total value of damages caused by the flood ?

Shri Atul Bora ( Minister, P. W. D. ) replied :

(a) There is no such extra financial grant in aid.

(b) Does not arise.

(c) The total value of damages caused by flood is Rs. 92. 66 crores for plains districts of Assam.

**Re : Proposal of Inter State Bus.**

Shri Bimolangshu Roy asked :

438. Will the Minister of Transport be pleased to state :

(a) Has the Government any proposal for opening an Inter State Bus Terminus in Silchar town or has any fund provided for the purpose ?

(b) What is the present position of Inter State Bus terminus at Guwahati ?

Shri Pradip Hazarika ( Minister, Transport ) replied :

(a) NEC's draft 9th Five Year Plan has included the proposal for the construction of a Bus Terminus at Silchar during the 9th Five Year Plan. No fund is provided till date.

(b) The scheme for construction of Inter State Bus Terminus at Guwahati has been included in the draft 9th plan of NEC.

**Re : F.D.R. Amount.**

Shri Misbahul Islam Laskar asked :

439. Will the Minister of Public Health Engineering be pleased to state :

(a) What is the total F.D.R. amount received by P.H.E. Department during 1996-97 ?

(b) What is the nature of the schemes for which the F.D.R. amount spends ?

Shri Utpal Dutta ( Transport Minister ) replied :

(a) During 1996-97 the P.H.E. Deptt.. received Rs. 20·00 lakhs ( Rupees twenty lakhs ) only against flood relief in the month of Feb./97.

(b) The amount released against flood relief is spent against liabilities created against installation of H.T.W., distribution of Chemical packets for purification of drinking water, disinfection of drinking water source in the relief camps and flood effected village and also repairs of spot sources, P.W.S.S. damaged due to flood.

বিষয়—ধুমুহাত ভঙা হস্পিতালৰ মেৰামতি।

শ্ৰীমুনিন মহন্তই সুধিছে :

৪৪০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুমুহাত ভাঙি যোৱা চিকিৎসালয় ভৱন সমূহ মেৰামতি কৰাৰ বাবে স্বাস্থ্য বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে জনাবনে ?

(খ) মৰিগাওঁ জিলাত ধুমুহাত ভাঙি ব্যৱহাৰ কৰিব নোৱাৰা হৈ যোৱা চিকিৎসালয় থকাৰ সম্পৰ্কে চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত হয়, ব্যৱস্থা লবনে ?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এই ক্ষেত্ৰত গড়কাপ্তানী (গৃহ) বিভাগক যাৱতীয় ব্যৱস্থাৰ কাৰণে অনুৰোধ কৰা হয়।

(খ) অৱগত।

(গ) ব্যৱস্থা লোৱা হব।

## Re : Fund allocation.

Shri Abdur Rouf asked :

441. Will the Minister, P.W.D. be pleased to state :

(a) What is total fund allocated for repairing of F.D.R. schemes in P.W.D. Department (please furnish break up district-wise) ?

(b) How much money have been allocated for repairing of R. K. Road, Sec—II. Joniatongla and R.K, Road in No. 44 Jonia L.A.C.?

(c) If not, why ?

**Sri Atul Borah** (Minister, P.W.D.) replied :

(a) Total fund allocated for repairing under of F.D.R. schemes during 1996-97 in P.W.D. Deptt. is Rs. 525·00 Lakhs. (There is no district-wise break up of fund).

(b) Amount allocated under F.D.R. during 1996-97 against the roads are shown below :

(a) R. K. Road, Sec- II-Rs. 0.40 L.

(b) Joniatongla Rs. 0.15 lakh.

(c) R. K. Road - Due to limitation of F.D.R. No. 44 Jonia L.A.C. — fund, allocation against this road could not be made.

(c) Does not arise.

বিষয় ঃ ঔষধ ক্ৰয় কৰা আৰু বিতৰণৰ নীতি ।

শ্ৰীচন্দ্ৰ কান্ত টেৰাং
শ্ৰীহলিৰাম টেৰাং } য়ে সুধিছে ঃ

৪৪২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ বাৰ্ষিক পৰিকল্পনাৰ ঔষধ ক্ৰয় কৰা আৰু বিতৰণ কৰাৰ ক্ষেত্ৰত কি কি নীতি লৈছে ?

(খ) ঔষধ বিতৰণ কৰাৰ বাবে নিৰ্দ্ধাৰিত নীতি অনুযায়ী সঠিক ভাবে ৰূপায়ণ কৰিব পাৰিছেনে ?

(গ) যোৱা জুন মাহৰ ১৯৯৬ চনৰ পৰা প্ৰতিমাহে পাহাৰীয়া জিলা দুখনলৈ নিৰ্দ্ধাৰিত অনুযায়ী কিমান ঔষধ বিতৰণ কৰা হৈছে ?

(ঘ) যদি কৰা নাই, কিয় ?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) বাৰ্ষিক পৰিকল্পনাত ঔষধ ক্ৰয়-বিতৰণ কৰাৰ সম্পৰ্কে কোনো নীতি গ্ৰহণ কৰা নহয়। অৱশ্যে বিভাগৰ ঔষধ ইত্যাদি ক্ৰয় আৰু বিতৰণৰ ক্ষেত্ৰত এক স্পষ্ট নীতি ঘোষণা কৰি বিভাগৰ পত্ৰ নং HLA 718/96/12 dt. 8-10-96 যোগে আদেশ জাৰি কৰা হৈছে।

(খ) সঠিক ভাবে ৰূপায়ণ কৰিবলৈ ব্যৱস্থা লৈ থকা হৈছে।

(গ) ৰাজ্যৰ মুখ্য কাৰ্য্যালয়ৰ পৰা জিলালৈ ঔষধ প্ৰেৰণ কৰাৰ কোনো নিৰ্দ্ধাৰিত নীতি নাই।

(ঘ) প্ৰশ্ন নুঠে।

**Re : Construction of Road.**

Shri Derhagra Mochahary asked :

443. Will the Minister of P.W.D. be pleased to state : Whether Government have proposed to construct road from Jonai to Sankosh along the Assam-Arunachal and Assam-Bhutan border ?

Shri Atul Bora (Minister, P.W.D.) replied :

There is no such proposal.

বিষয় : নতুন গাড়ী ক্ৰয়।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৪৪৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৬ চনত পৰিবহন নিগমে নতুন গাড়ী কিমানখন কিনিছে ?

খ) যদি কিনিছে, তেনেহলে নতুন গাড়ী সমূহ কোন কোন পথত চলোৱাৰ ব্যৱস্থা কৰিছে ?

গ) বৰ্ত্তমান পৰিবহন নিগমৰ কিমানখন গাড়ী চলি আছে আৰু কিমানখন গাড়ী বেয়া অৱস্থাত আছে ?

ঘ) গুৱাহাটী মহানগৰীত নিগমৰ কিমানখন গাড়ী চলোৱা হৈছে ?

(ঙ) গুৱাহাটী মহানগৰীত চলা প্ৰতিখন গাড়ীৰ পৰা দৈনিক কিমান টকা পায় ?

শ্ৰীপ্ৰদীপ হাজৰীকা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) চলিত বছৰত ৬২ খন নতুন বাছ কিনা হয়।

খ) নতুন বাছৰ আৱণ্টিত তালিকা গাঁঠি দিয়া হ'ল।

( See the Annexure – V)

গ) বৰ্ত্তমান ৩৮০ খন গাড়ী পথত চলি আছে আৰু সাময়িকভাৱে অক্ষম বা অচল হৈ থকা বাছৰ সংখ্যা ২৮২ খন।

ঘ) গুৱাহাটী মহানগৰীত সামগ্ৰিকভাৱে দৈনিক ৫০ খন নিগমৰ বাছ চলি আছে।

ঙ) মহানগৰ সেৱাত চলি থকা প্ৰতিখন বাছৰ পৰা গড়ে দৈনিক ১১:৪'০০ টকা উপাৰ্জন হয়।

## Re : Construction of Bridge.

Shri Jagmohan Basumatary asked :

445. Will the Minister of P.W.D. be pleased to state ;

a) Whether Government will take immediate steps to re-construct the damaged bridge on Jalah Charaimari P.W.D. road over river Kaldia under Barpeta P.W.D. Division in Chapaguri L.A.C. during the current. financial year ?

(b) If so, when the re-construction of the bridge will start ?

Shri Atul Bora (Minister, P.W.D.) replied :

a) Yes.

b) During next financial year, subject to availability of adequate fund.

**Re : Supply of Pure drinking water.**

Shri Kali Ranjan Deb asked :

446. Will the Minister of Health & Family Welfare be pleased to state :

(a) Whether Government is aware about the fact that there is no arrangement for supply of pure drinking water to the patients and immates of Kalain C.H.C. ?

(b) If so, whether Government will take urgent steps to provide pure drinking water to the patients and immates of that C.H.C. ?

(c) Whether diets and medicines are being supplied to the indoor and out-door patients regularly ?

(d) Whether Government quarters have been provided for all the Doctors, Nurses and other staffs working there.

(e) Whether an Ambulance is provided there for carrying of serious patients ?

(f) If not, why not ?

Dr. Kamala Kalita ( Health Minister ) replied :

(a) The Government is aware of the need for pure drinking water for the patients & the staff.

(b) Steps will be taken subject to availability of fund.

(c) Diets are supplied regularly to indoor patients and essential medicines are also available for both indoor and out-door patients.

(d) No

(e) No

(f) Non availability of funds.

বিষয় ঃ কুষ্ঠৰোগী চিনাক্তকৰণ

শ্ৰীমতী প্ৰণতী ফুকনে সুধিছে :

৪৪৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী আঁচনিৰ অধীনত মুঠ কিমানজন কুষ্ঠৰোগী চিনাক্ত কৰা হৈছে? (১৯৯১ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰত)

খ) উক্ত কুষ্ঠ ৰোগীৰ মুঠ কিমানজনে আৰোগ্য লাভ কৰে?

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) উত্তৰ দিছে ঃ

ক) ৮,৯৪৩ জন।

খ) ৬,৬৫৭ জন।

বিষয়-ঃ পথ মেৰামতি/পুনঃ নিৰ্মাণ।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

৪৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ধুবুৰী গড়কাপ্তানী (পথ) বিভাগৰ গোলোকগঞ্জ সমষ্টিৰ এলেকাৰ

১। হালাকুৰা নয়াহাট (শিলঘাগৰী)

২। হালাকুৰা খেৰবাৰী (বাওঁমেৰকুটি)

৩। বক্সিৰহাট-ৰাটৰহাট-পাগলাহাট জলডোবা।

৪। লোহাজানী-ডঙাচুলি-মাউবেনী-কালডোবা।

৫। খুনীয়াৰভিটা ৰণপাগলী আদি পথবোৰৰ ক্ৰম অনুসৰি মুঠ কিমান খন দলং মেৰামতি পুনঃ নিৰ্মাণৰ অপেক্ষাত কিমান দিন ধৰি অচলাৱস্থাত আছে?

খ) দলংবোৰ মেৰামতি/পুনঃ নিৰ্মাণ কৰি পথবোৰ যাতায়তৰ উপযোগী কৰাৰ বাবে কিমান ধনৰ প্ৰয়োজন হব?

গ) আন্ত-ৰাজ্য সীমান্তৰ উন্নয়নৰ বাবে বৰাদ্দ ধনৰ পৰা উক্ত পথ সমূহৰ দলং আদি নিৰ্মাণ/মেৰামতি কৰাৰ বাবে ততাতৈয়াকৈ ব্যৱস্থা গ্ৰহণ কৰা হবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী গড়কাপ্তানী (পথ) বিভাগৰ গোলোকগঞ্জ সমষ্টিৰ অন্তৰ্গত তলত উল্লেখ কৰা পথ সমূহৰ ক্ৰম অনুসৰি অচলাৱস্থাত থকা মুঠ দলঙৰ সংখ্যা উল্লেখ কৰা হ'ল।

১। হালাকুৰা নয়াহাট (শিল বাগৰী) পথটোৰ ৪ [ চাৰি ] খন কাঠৰ দলং ১৯৮০ চনৰ পৰা মেৰামতি পুনঃ নিৰ্মাণৰ অপেক্ষাত অচলাৱস্থাত আছে।

২। হালাকুৰা খেৰবাৰী [ বাওঁমেৰকুটি ] পথটোৰ প্ৰকৃত নাম হ'ল খেৰবাৰী বাকুৰকুটি পথ। এই পথত কোনো কাঠৰ দলং নাই।

৩। বক্সিৰহাট বাটৰহাট পাগলাহাট জলডোবা পথত মুঠ ৩ [ তিনি ] খন কাঠৰ দলং ১৯৯২ চনৰ পৰা মেৰামতি/পুনঃ নিৰ্মাণৰ অপেক্ষাত অচলাৱস্থাত আছে।

৪। পথটোৰ প্ৰকৃত নাম হ'ল পূৰকাল ডোবা মোৰা গধাধৰ পথ সাতভনী চিকাৰ ঘাট হৈ এই পথত ১ খন কাঠৰ দলং ১৯৯৩ চনৰ পৰা মেৰামতি/পুনঃ নিৰ্মাণৰ অপেক্ষাত অচলাৱস্থাত আছে।

৫। পথটোৰ প্ৰকৃত নাম হ'ল খুনীয়াৰ ভিটাৰং পাগলীৰ হাট পথ। এই পথত মাত্ৰ ১খন কাঠৰ দলং ১৯৯২ চনৰ পৰা মেৰামতি/পুনঃ নিৰ্মাণৰ অপেক্ষাত অচলাৱস্থাত আছে।

খ) দলংবোৰ মেৰামতি/পুনঃ নিৰ্মাণ কৰি পথবোৰ যাতায়তৰ উপযোগী কৰাৰ বাবে আনুমানিক মুঠ ৪৫ ৪৬ লাখ টকাৰ প্ৰয়োজন হব।

গ) বৰ্ত্তমানে হালাকুৰা পোকালাগী নয়াহাট পথত দ্বিতীয় কিলোমিটাৰত এখন নতুন দলং নিৰ্মাণৰ বাহিৰে আন্ত-ৰাজ্য সীমান্তৰ উন্নয়ণৰ বাবে বৰদ্দ ধনৰ পৰা উক্ত পথ সমূহৰ দলং আদি নিৰ্মাণ। মেৰামতি কৰাৰ কোনো প্ৰস্তাৱ হাতত নাই

**Re : Number of Blacktopped Road.**

Shri Dileswar Tanti asked :

449. Will the Minister of P.W.D. be pleased to state :

(a) What is the total number of blacktopped roads under P.W.D. in the District of Tinsukia ? The list of the roads length—wise may be furnished.

(b) What is the total number of blacktopped roads are there in Doom—Dooma Constituency and what are these roads and what are its lengths ?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) 62 numbers ( list enclosed ) (See the Annexure VI)

(b) 6 numbers (list enclosed) (See the Annexure VII)

**Re : Repairing of Roads/Bridges.**

Shri Dinesh Prased Gowala asked :

450. Will the Minister of P.W.D. be pleased to state :

a) Whether Government is aware that the condition of roads and bridges of Cachar district have been in deplorable state ?

b) Is it a fact no work of original improvement and repair have been done since one year ?

c) Will the Government take necessary steps to release the amount and start the work before summer ?

Shri Atul Bora (Minister, P.W.D.) replied :

(a) Yes.

(b) No

(c) Yes, steps will be taken as per availability of fund.

শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আজিও প্ৰতিদিন কাগজত এটা বাতৰি প্ৰকাশ হৈছে, এই বাতৰিটোত আপোনাৰ বিৰুদ্ধেও প্ৰকাশ পাইছে। মই প্ৰতিদিন কাকতৰ সম্পাদক, ৰিপ'ৰ্টাৰ আৰু পাব্লিচাৰ মোৰ বিৰুদ্ধে প্ৰকাশ কৰা বাতৰিত প্ৰতিবাদ জনাইছো। যদি তেওঁলোকে প্ৰমান কৰিব পাৰে তেন্তে মই এক চেকেণ্ড নোৰোৱাকৈ পদত্যাগ কৰিম। তেওঁলোকে প্ৰমান কৰক।

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : This is not a point of order. The matter is under examination.

I now request Hon'ble Member, Smt. Pramila Rani Brahma to speak on the Cut Motion.

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মই গ্ৰ্যাণ্ড নং ৩৮ আণ্ডাৰত অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যানৰ নামত যি টকা ধৰা হৈছে সেইটো মই বিৰোধীতা কৰি মোৰ কিছু বক্তব্য ৰাখিবলৈ বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, গ্ৰ্যাণ্ড নং ৩৮ ত অনুসূচীত জাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যানৰ কাৰণে যি টকা ধৰা হৈছে সেই টকা যথেষ্ট নহয় যদি সেই টকা সং কামত ব্যৱহাৰ কৰা হয়। ইয়াৰ আগতেও আমি দেখা পাইছো এই অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কাৰণে যি ধন আৱন্টন কৰা হয় সেই ধন যথেষ্ট নাছিল। যদি এই টকা বিলাক খৰচ কৰাৰ সময়ত যথেষ্ট পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হয় আৰু উপযুক্ত কামত খৰচ কৰা হয় তেতিয়া হলেও ই কম হয়। এই টকা বিলাক যি ধৰণে আৱন্টন কৰা হয় যদি আমাৰ বিভাগ বিলাকে উদাৰ মনোভাবেৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে কাম কৰিলেহেঁতেন তেতিয়া বহু ক্ষেত্ৰত উন্নতি হোৱা পৰিলক্ষিত হলহেঁতেন। কিন্তু ট্ৰাইবেল এলেকা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু পিচপৰা শ্ৰেণী এলেকাৰ কাৰণে যি ধৰণে ধন আৰু আৱন্টন কৰা হয় সেইবোৰ বিভাগতে আত্মসাৎ কৰা দেখিবলৈ পোৱা যায়। মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধানসভা সময়চোৱাত এচ

টি এচ টি সমিতিৰ হৈ বিভিন্ন জিলা আমি পৰিভ্ৰমণ কৰি কিছুমান কাম কাজ চাবলৈ পাইছিলো। আমাৰ এচ টি চাব ডিভিজনেল প্লেন, এচ চি চাবডিভিজনেল প্লেনত কিছুমান টকা ধাৰ্য্য কৰা দেখা পাইছো। আমি ফিল্ডলৈ গৈ এইবিলাক দেখা পাইছো যে সেই ধাৰ্য্য কৰা টকা বিলাকৰ পৰা একো কাম হোৱা নাই। তাৰ কামবিলাকৰ ঠাইত কংকালটোহে আছে। জনজাতি লোকসকলৰ, পিচপৰা শ্ৰেণী লোকসকলৰ কাৰণে জলসিঞ্চন আঁচনি লোৱা হৈছে। জলসিঞ্চনৰ দ্বাৰা খেতিয়কে পানী পোৱা নাই। খোৱা পানীৰ ব্যৱস্থাৰ আঁচনি আছে যদিও আজিলৈকে পানী পোৱা নাই। জনজাতি আৰু পিচপৰা শ্ৰেণীৰ অঞ্চলৰ বাবে বিজুলী যোগান ধৰাৰ ব্যৱস্থা আছে। এই অঞ্চল বিলাকত বিজুলী চাকিৰ খুটা বিলাকহে আছে। তাৰ মানুহে খুটা বিলাক দেখিবলৈ পাইছে কিন্তু বিজুলী চাকিৰ পোহৰ পোৱা নাই। কিছুমান বিষয়াই এচ টি এচ চি চাব প্লেনৰ টকাবিলাক আত্মসাৎ কৰি আছিছে। এই বিলাক নিজৰ নিজৰ এলেকাৰ প্ৰতিজনে জানে, দেখা পাইছে। সেই কাৰণে আজি চৰকাৰৰ ফালৰ পৰা এইটো ব্যৱস্থা লব লাগে যাতে টকাবিলাক কোনোৱে আত্মসাৎ কৰিব নোৱাৰে। আমাৰ যি বিলাক আঁচনি ধৰা হৈছে সেই আঁচনি বিলাকৰ কাম হোৱা নাই— এই কথা বিলাক যেতিয়া আমি সুধিছিলো তেতিয়া অফিচাৰে উত্তৰ দিছিল যে টকা পইচা বিলাক দৰমহা দিয়াতে খৰচ হৈ গ'ল। আমি তাত অনুসন্ধান কৰি চাইছিলো যে কেনে ধৰণৰ ষ্টাফক পইচা দিলে অনুসূচীত জাতি আৰু জনজাতি কিমান আছে কিন্তু দেখা যায় যে তাত অনুসূচীত জাতি বা জনজাতিৰ ষ্টাফ নাই। যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় কোনো ঠাইতে অনুসূচীত জাতি, জনজাতিৰ ষ্টাফ নাই। মই এই বিধান সভাতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো অসম সচিবালয়ৰ কৰ্মচাৰীৰ ক্ষেত্ৰত তাত আমি দেখা পাইছো যে তৃতীয় শ্ৰেণীৰ আৰু চতুৰ্থ শ্ৰেণীৰ পদ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পদ পূৰণ কৰা হোৱা নাই। এই পদ বিলাকৰ বেক লগ আছে। তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ পদ বিলাকৰ কাৰণে জনজাতীয় প্ৰাৰ্থী নাছিল নেকি? আজিও জনজাতীয় শিক্ষিত যুৱক যুৱতি সকলে হাতত চাৰ্টিফিকেট লৈ ঘূৰি আছে। কিছুমান বিভাগলৈ গলে তাত উত্তৰ পায় যে তাত খালী পদ নাই। বেক লগ ফিল আপ কৰিবৰ কাৰণে

বা এচ টিৰ কোটা ফিল আপ কৰিবৰ কাৰণে উচ্চবৰ্গ শ্ৰেণীৰ কিছুমান দালালৰ পৰা চাৰ্টিফিকেট লৈ জনজাতিৰ লেঠাত চাকৰি কৰাও দেখা যায়। এইবোৰ শোষণ চলি আছে। সেয়ে বৰ্ত্তমান চৰকাৰে ভালদৰে পৰীক্ষা নিৰিক্ষা কৰিব লাগে।

মহোদয়, এই কথাবিলাক বৰ্তমানৰ যি চৰকাৰ সেই চৰকাৰে বিশেষ ভাৱে বিবেচনা কৰি বোধ কৰিব পাৰিব। যাতে জনজাতীয় যুৱকসকলে তেনে ধৰণৰ হাবাথুৰি খাই থাকিব নালাগে। তেওঁলোকৰ কাৰণে বিভিন্ন জিলাত বিভিন্ন বিভাগত বেক লগ পৰি আছে। সেই বেক লগ বিলাক পুৰা কৰাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, ট্ৰাইবেল, অনুসূচীত জাতি, আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নতি কৰিবৰ কাৰণে আজি এফ, ও, আই জি, এছ আঁচনিৰ অধীনত বিভিন্ন এজেঞ্চীৰ জড়িয়তে লোন দিয়া হব। কিছুমান দৰিদ্ৰ সীমাৰেখাৰ তলত থকা ৰাইজৰ উপকাৰ কৰিবৰ কাৰণে। কিছুমান ছাবচিদি লোন দিয়া হয়। এই লোন পাওঁতে বিষয়াবিলাকৰ পৰা আমাৰ ৰাইজে বহুতো হাৰাশাস্তি পাই আহিছে। চেণ্ট্ৰেল গৱৰ্ণমেন্টৰ যিটো এছিচটেঞ্চ, আমাৰ এজেঞ্চিবোৰে ট্ৰাইবেলৰ কাৰণে এ, টি, ডি, পিক আৰন্টন দিয়ে সেই ধন বিলাকো উপযুক্ত কামত ব্যৱহাৰ নকৰে। কিছুমান বিষয়াই তাৰ ওপৰত পুষ্ট হৈছে। সেইবিলাক যদি অতি সোনকালে বন্ধ কৰা নহয়। অসমৰ জন-জাতিৰ যিটো ক্ষোভ, পিছপৰা শ্ৰেণীৰ যিটো ক্ষোভ কোনো চৰকাৰে তেওঁলোকৰ ক্ষোভক দমন কৰিব নোৱাৰিব। তেওঁলোকৰ উন্নতি কৰিবৰ কাৰণে কোনো চৰকাৰে যথাসাধ্যে চেষ্টা নকৰে। উন্নতি কৰাৰ নামত যদি শোষণৰ বলি হৈ থাকিবলগীয়া হয় তেনেহলে এই ভৈয়ংকৰ ৰূপ তাতকৈ বেছি ভয়ংকৰ ৰূপ হব পাৰে। মহোদয়, মইও যোৱা এছ, চি আৰু এছ, টি এনকুৱাৰী কমিটিত সদস্য হৈ যোৰহাট জিলাত তদন্তত গৈছিলো। যোৰহাটৰ ট্ৰাইবেল আই, টি, দি, পিৰ যিজন চেয়াৰম্যান তেওঁলোকে ব্যক্তিগতভাৱে এটা ভুৱা ক্লাবৰ নামত তিনি লাখ পঞ্চাচ হেজাৰ টকা ৰিলিজ কৰি দিছে। CEO ই যিটো ক্লাবে ৰেজিষ্ট্ৰেচনে পোৱা নাই। তাৰ চি, ই, ও জনক মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জড়িয়তে প্ৰশ্ন কৰিব বিচাৰিছো যে সেই চি, ই, ও জনে এক

লাখৰ বেছি টকা ৰিলিজ কৰি দিয়াৰ ক্ষমতা আছে নে নাই সন্দেহ। ক্ষমতা আছিল নেকি? যদি পাৰাৰ নাথাকে তেনেহলে চেয়াৰম্যান জনক সেই টকা কিয় ৰিলিজ কৰি দিয়া হ'ল? তেওঁৰ উপযুক্ত শাস্তি হোৱাতো বিচাৰো। মই চৰকাৰৰ ওচৰত দাবী জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে স্কুল কলেজত ভালকৈ পঢ়ি অৰ্হতা লাভ কৰাৰ অৰ্থে চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ পৰা যি স্কলাৰচিপ পায় কিন্তু সেই স্কলাৰ-চিপও ল'ৰা-ছোৱালীবিলাকক ঠিক সময়মতে দিয়া নহয়। যোৱা ১৯৯২ চনৰ স্কলাৰচিপৰ টকাও আৰ, ডিত জমা কৰি ৰখা হৈছে। আৰ, ডিত জমা কৰি ৰাখিছে যেতিয়া ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰা নাইনে? দিনে দিনে বঞ্চিত হৈ আহি আছে। আমাৰ জনজাতি আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ ছাত্ৰ-ছাত্ৰীসকল অতি দুখীয়া। সেই স্কলাৰ চিপৰ টকাৰ কাৰণে বাট চাই থাকে। তেওঁলোকে কিতাপ-কাগজ কিনিব লাগে। কিতাপ-কাগজৰ অভাৱত স্কুল, কলেজত গৈ উচ্চ শিক্ষা গ্ৰহণৰ পৰা আঁতৰি থাকিব লগীয়া হয়। মাননীয় সভাপতি মহোদয়, সেই ছাত্ৰ-ছাত্ৰীসকলক অন্যায় কৰা হোৱা নাই নে? কিন্তু এইটো ক্ৰাইম হৈছে নে নাই? গতিকে এনে ধৰণৰ যদি জন-জাতিৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত শোষণ কৰি থাকে, বঞ্চিত কৰি থাকে তেনেহলে জনজাতি সকলৰ উন্নতি কেনেকৈ হ'ব। মহোদয়, জনজাতি সকলৰ পৰা আই, এ, এছ, বিষয়া ওলায় আহিব নোৱাৰে। জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলে এ, পি, এছ, চিৰ পৰীক্ষা দি অফিচাৰ হ'ব নোৱাৰে। উপযুক্ত প্ৰাৰ্থী নোহোৱাৰ কাৰণে জনজাতি অফিচাৰৰ কোটা পৰি থাকে। ৰোষ্টাৰ মেইনটেইন কৰা নহয়। অফিচাৰৰ পদ পূৰণ কৰিবৰ কাৰণে অৰ্হতাসম্পন্ন প্ৰাৰ্থী নাই বুলি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ প্ৰশ্নৰ উত্তৰ দিছে। প্ৰশ্নৰ জবাব দিছে। গতিকে মাননীয় সভাপতি মহোদয়, আপুনি নিজেও জনজাতিয় ৰাইজৰ প্ৰতিনিধিত্ব কৰি আহিছে। গতিকে ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লব লাগে। যিহেতু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলৰ যি স্কলাৰচিপ আৰ, ডিত জমা ৰাখিছিল চৰকাৰে যাতে তদন্তৰ ব্যৱস্থা কৰে আৰু অতি সোনকালে ১৯৯২ চনৰ স্কলাৰচিপৰ ধন খিনি যাতে পাব পাৰে তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিছোঁ। আজি

কোকৰাঝাৰ জিলাখন জনজাতি লোকেৰে পৰিপূৰ্ণ। উন্নয়ন মূলক কাম কৰিবৰ কাৰণে আন-টাইদ ফাণ্ডত টকা ধৰা হৈছিল। যিবিলাক কাম কৰিবৰ কাৰণে আঁচনি কৰা হৈছে সেই আঁচনিৰ কাম হোৱা নাই। বেছি দিনৰ কথা নহয় এটা আঁচনিৰ কাম কৰিবৰ কাৰণে ১ লাখ ৬৫ হেজাৰৰ চেক কাটি ইয়াক বাহিৰ কৰাৰ পিছতে ফাইলৰ পৰা নোহোৱা হৈ গ'ল। কোকৰাঝাৰ জিলাৰ জৰাজীৰ্ণ এলেকাৰ কাম কৰিবৰ কাৰণে আন-টাইদ ফাণ্ডৰ ধন আৱণ্টন দিয়া হৈছিল, সেই ধন আত্মসাৎ কৰা হৈছে। যিজন ঠিকাদাৰ দুষ্কৃতিকাৰী পিয়নে কামটো কৰিছে পিয়নজন সেই এলেকাত থাকিব দিয়া নাই। পলাব দিছে। জন-জাতীয় এলেকাসমূহৰ কামৰ বাবে দিয়া টকা আত্মসাৎ হৈ থাকিব লগীয়া হয় একো উন্নতি নহব। আৰু সেই কাৰণে বড়ো যুৱকসকলে উগ্ৰবাদীত পৰিণত হৈছে। তেওঁলোকে আজি অসমৰপৰা বিছিন্ন হৈ যাবৰ কাৰণে চেষ্টা কৰিছে। অসমত থকা মানে তেওঁলোকৰ উন্নতি নহয় বুলি ভাবি লৈছে। তাৰ কাৰণে আমি চৰকাৰক বাৰে বাৰে অনুৰোধ কৰিছো যাতে আমাৰ এলেকা বিলাকত ভালকৈ কাম কৰা হয়। তাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। সভাপতি মহোদয়, ট্ৰাইবেল কৰ্পোৰেচনত চাব-চিদি লোন দিবৰ কাৰণে চেণ্ট্ৰেল গৱৰ্ণমেণ্টে এছিচটেণ্ট দিছে। সেই টকাৰ পৰা ডেৰ কোটি টকা ট্ৰেঞ্চপ্ৰোৰ্ট ডিপামেণ্টলৈ ধাৰ লৈ যায়। মই এছ, চি, এছ, টি কমিটিত সুধিছিলো সেই ধন ধাৰলৈ লৈছে নে একেবাৰে কাটি লৈ গৈছে? বিভাগীয় বিষয়াজনে উত্তৰ দিছিল সেই টকা আৰ, ডিত জমা হৈছিল। কিন্তু মোৰ হাতত তথ্য আছে আৰ, ডিত জমা হোৱা নাই। আন স্পেণ্ট টকা বুলি ট্ৰেঞ্চপোৰ্ট বিভাগলৈ কাটি লৈ গৈছে। এনেয়ে ট্ৰাইবেল এলেকাত কাম কৰিবৰ কাৰণে যিখিনি ধন আৱণ্টন কৰা হয় একেবাৰে নগণ্য। সেই নগণ্য টকাখিনিকে আনস্পেণ্ট মানি বুলি চৰকাৰে ট্ৰাইবেল এলেকাৰ আঁচনিৰ পৰা স্থানান্তৰ কৰে। সভাপতি মহোদয়, আপোনাৰ জড়িয়তে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেতে যাতে অনতিপলমে দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা জন জাতিলোকৰ উপকাৰ কৰিবৰ কাৰণে আমাৰ ট্ৰাইবেল কৰ্পোৰেচনলৈ সেই টকাখিনি অনাৰ ব্যৱস্থা লয়। ট্ৰাইবেল কৰ্পো-ৰেচনৰ বিষয়াজনে ধন কাটি লৈ যোৱাৰ সময়ত ফাইনেঞ্চৰ কনকাৰেঞ্চ

পাইছিল নে নাই সেইটো তদন্তৰ ব্যৱস্থা হব লাগে। দাবী মঞ্জুৰীৰ ওপৰত উত্থাপিত কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিছো।

( Mr. Speaker vacated the chair and Hon'ble Chairman Shri Hamen Das occupied it at 9·45 A.M. )

সভাপতি : এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰীশম্ভু সিং মাল্লা ডাঙৰীয়াই।

শ্ৰীশম্ভু সিং মাল্লাহ : মাননীয় সভাপতি মহোদয়, গ্ৰ্যান্ট নং ৩৮ এর উপর কর্তন প্রস্তাব এনে দুটি কথা বলছি এবং অনুসূচীত জাতি, জনজাতি ও অন্যান্য পশ্চাপদ জাতি কল্যান এই বিভাগের মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

মহোদয়, অনুসূচীত জাতি, জনজাতি এবং অন্যান্য অনগ্রসর সম্প্রদায়ের উন্নতির জন্য টাকা আবণ্টন করা হয় সেই টাকার যথাযথ সদব্যবহার করা হয় না অর্থাৎ সেই টাকা সেই সব অনুন্নত সম্প্রদায়ের লোকর ঘরে পৌছায় না। প্রকৃতপক্ষে টকাগুলির নয়ছয় হয়। গত নবেম্বৰ মাসে কৰিমগঞ্জে অনুসূচীত জাতির কর্পোৰেশন থেকে গরীব মৎস্যজীবিদের উন্নতিৰ জন্য ঠেলাগাড়ী, রিক্সা, মাছের বাক্স, সাইকেল প্রভৃতি বিনামূল্যে বিতরন করার জন্য স্কীম নেওয়া হয়। কিন্তু ঐসব জিনিষ যাদের মধ্যে বিতরন করা হয়েছে তারা ঐ সম্প্রদায়ের গরীব লোক ছিল না। তাদের নাম সংশ্লিষ্ট অফিসারের ডাইরীতে আগেই লেখাছিল। তাদের কাছ থেকে ৪/৫ শত টাকা আগেই নেওয়া হয়েছে। এই ব্যাপারে একটা বিহিত ব্যবস্থা করার জন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি যাতে এই টাকার সদব্যবহার হয়, প্রকৃত লোকেরা যাতে এই বেনিফিট পায় তার ব্যবস্থা যেন করেন।

মহোদয়, এস সি, এস টি এবং অ বি সির জন্য বর্তমানে মেডিকেল এডুকেশন এবং অন্যান্য এডুকেশনেও এম্পলয়মেণ্ট এর জন্য রিজার্ভেশনের ব্যবস্থা আছে তা যেন আরও বৃদ্ধি করা হয়। কারণ তা অত্যন্ত নগণ্য। তাছাড়া, এইসৰ পাশ্চাদপদ সম্প্রদায়ের গরীব ছেলেদের জন্য যে স্কলারশিপ দেওয়া হয় তাও অন্য কষ্টের লোক নিয়ে

যায়। এটা বন্ধ করার ব্যবস্থা করতে হবে। এই ব্যাপারে আমি মন্ত্রী মহোদয়র দৃষ্টি আকর্ষণ করছি।

মহোদয়, অনুসূচীত ইত্যাদি সম্প্রদায়ের ছাত্রদের জন্য কলেজ হোষ্টেল খোলার জন্য গত জুন-জুলাই মাসে এস সি ডিরেক্টরেট office থেকে একটা চিঠি পেয়েছিলাম। সেই মতো ২টা নামের সাজেশ্বনও দিয়েছি। কিন্তু এখন শুনছি কাজ হবে না। টাকার অভাব। মন্ত্রী মহোদয় যেন এটা বাস্তবায়িত করেণ।

তাছাড়া মহোদয়, এস সি, এস টিদের উন্নতির জন্য যে লোন দেওয়া হয় এতেও অনেক খেলিমেলি হয়েছে। যারা প্রকৃত লোক তারা অবেদন করেও লোন পায় না। যারা পায় তাদের নাম সংশ্লিষ্ট অফিসারের ডাইরীতে অগেই থেকে লেখা থাকে। এসব যাতে বন্ধ হয় এই অনুরোধ করে এবং কর্তন প্রস্তাব সমর্থন করে আমার বক্তব্য শেষ করছি।

সভাপতি : এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰ ডাঙৰীয়াই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় সভাপতি মহোদয়, মই অ, বি, চীৰ কৰ্তন প্ৰস্তাৱৰ ৩৮ নং অনুসূচীত জাতি—জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান ইয়াৰ ওপৰত বিভাগীয় মন্ত্ৰী মহোদয়ে ৭০ কোটি ৪৮ লাখ ৫৯ হাজাৰ টকা ৰিচাৰিছে তাৰ ওপৰত মোৰ বক্তব্য হল যে এচ, চি আৰু এচ, টি এই দুটা বিভিন্ন জনগাঠনিৰ মানুহ ! কিন্তু চৰকাৰে এই জনগাঠনিৰ মতে বাজেটত ধনৰ ব্যৱস্থা কৰা নাই। অ, বি, চি আৰু এম, অ, বি, চিৰ জনগাঠনিৰ সঠিক পৰিসংখ্যা নথকাৰ কাৰণেই হয়তো বাজেটত তেনে ধৰণৰ ধন ধাৰ্য্য কৰা হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰে আজি পৰ্য্যন্ত সঠিক জনগোষ্ঠীৰ জনগাঠনিৰ পৰিসংখ্যা ৰূপায়ণ নকৰাৰ কাৰণেই চাহ শ্ৰমিকক ধৰি অন্যান্য জনগোষ্ঠীৰ ওৱেলফেয়াৰৰ কথাটো বহু পিচ কৰি আছে। মই যদি এতিয়া চৰকাৰক এই জনগাঠনিৰ পৰীক্ষা কৰিবলৈ অনুৰোধ কৰো তেন্তে তেওঁলোকে কব এইটো চেন্সাস

কৰাটো আমাৰ অধিকাৰৰ বাহিৰত। এইটো কেন্দ্ৰীয় চৰকাৰেহে কৰিব পাৰে। কিন্তু বিধান সভাত আমাৰ যি অ, বি, চি, কমিটি এখন আছে সেই কমিটিৰ পৰামৰ্শক্ৰমেও চৰকাৰে উপাযুক্ত, এচ, ডি, অ' আৰু ব্লক লেভেলৰ পৰা হলেও এই পৰিসংখ্যা আজি পৰ্য্যন্ত জনাব পৰা নাই। তেনে ক্ষেত্ৰত এই জনগোষ্ঠীৰ ওৱেলফেয়াৰৰ ক্ষেত্ৰত এই মানুহ খিনি বহু পিচ পৰি আছে। অ-বি-চি আৰু এম-অ-বি-চি এই দুটাৰ কাৰণে এটা ডেভেলপমেণ্ট কৰ্পৰেশ্যন আছে। আকৌ চাহ বাগিচাৰ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক সকলৰ বাবে এটা ওৱেফেয়াৰ ডাইৰেক্টৰেত আছে। এই দুই কাৰ্য্যালয়ৰ যোগেদি এই সকলৰ ওৱেলফেয়াৰৰ ব্যৱস্থা কৰা হয়। কিন্তু দেখা গৈছে অ-বি চি ডেভেলপমেণ্ট কৰ্পৰেশ্যনে যিখিনি পৰামৰ্শ চৰকাৰৰ ওচৰত আগবঢ়াইছিল শ্বেয়াৰ কেপিটেল বঢ়োৱাৰ কাৰণে অনুৰোধ কৰি, কিন্তু এইটো নবঢ়োৱাৰ কাৰণে তেওঁলোকৰ যিবিলাক আঁচনি সেই আঁচনি বিলাকৰ পৰা সুফল লাভ কৰিব পৰা নাই ব্যৰ্থ হৈছে। আৰু এটা পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় অনুষ্ঠানৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ পৰা ৫ কোটিৰ এটা অনুদান এই ডেভেলপমেণ্ট কৰ্পৰেশ্যনক দিয়াৰ কথা যোগাযোগ চলি আছিল। এই টকাতো অ-বি-চি ডেভেলপমেণ্টক দিবৰ কাৰণে তাত চৰকাৰ গেৰাণ্টৰ হব লাগে। কিন্তু আজি পৰ্য্যন্ত চৰকাৰ গেৰাণ্টৰ নোহোৱাৰ কাৰণে তাৰ প্ৰায় ৪/৫ কোটি টকা ইতিমধ্যে অ-বি-চি ডেভেলপ কৰ্পৰেশ্যনে বিলাইছেই। কিন্তু চৰকাৰ গেৰাণ্টৰ হোৱা হলে তেওঁলোকক কেন্দ্ৰই ১০ কোটি মান টকা দিয়াৰ আশ্বাস দিছিল। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হল চৰকাৰ এই ক্ষেত্ৰত সোনকালেই গেৰাণ্টৰ হওক — হব লাগে যাতে অ-বি-চি ডেভেলপমেণ্ট কৰ্পৰেশ্যনে এই টকাটো পায় আৰু তেওঁলোকৰ আঁচনি সমূহ সফলভাৱে ৰূপায়ন কৰিব পাৰে। জনজাতি আৰু চাহ বাগানৰ লোক সকলৰ সঠিক পৰিসংখ্যা নথকাৰ কাৰণেই প্ৰায়ে টকাবোৰ ঘূৰি যায় একো সদ্ব্যৱহাৰ কৰিব পৰা নাই। উদাহৰণস্বৰূপে মই কওঁ ১০৩ কোটি টকা অৰিজিনেল প্লেনৰ আৰু নন্‌প্লেনৰ

৭'৪১ লাখ মুঠ ১১০'৪১ লাখ, চৰকাৰে ৰিভাইজ্‌ড্‌ প্লেনত ৯৫ লাখ নন্‌-প্লেনত ৪৭'১ লাখ দিয়ে। ইয়াৰে মাত্ৰ ৯৭.৯৫ লাখ খৰছ হয়।

গতিকে এই টকাখিনিৰ সুবিধাৰ পৰা বঞ্চিত হ'ল। আকৌ দ্বিতীয় কথাটো হ'ল যেতিয়ালৈকে চৰকাৰে অ-বি-চি, এম-অ-বি-চি আৰু অনুসূচীত জাতি আৰু জনজাতি সকলৰ চেন্সাচ কৰি জনসংখ্যাৰ পৰিসংখ্যা উলিয়াই নিদিয়ে তেতিয়ালৈকে এই আঁচনি সমূহ যিমানেই হাতত নলওক কিয় কোনো ধৰণে সম্পূৰ্ণ কাৰ্যকৰী কৰিব নোৱাৰিব। এইটো স্পেচিয়েল কম্পনেণ্ট স্কীম যদি কৰা হয় তেন্তে এই মানুহ-খিনিয়ে অন্ততঃ হাউচিং ফেচিলিটী আদি পাব পাৰে। চেন্সাচৰ এটা প্ৰশ্নৰ উত্তৰত ইয়াতে এদিন কোৱা হৈছিল যে— এইটোৱে হোৱা হলে চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক সকলৰ কাৰণে তেওঁলোকৰ সুবিধাৰ কাৰণে বহুখিনি কাম কৰিব পাৰিলেহেঁতেন। আকৌ চাহ শ্ৰমিকৰ কাৰণে যি কোটা কৰা হৈছে তাৰ পৰাও এই কোটাৰ ভিতৰৰ পৰাও তেওঁলোকে তাত এম-বি-বি-এচৰ কাৰণে সুজানা ৰংগী নামৰ এজনেও মেডিকেলত চীট পাইছে আমাৰ চাহ শ্ৰমিকৰ কোটাৰ পৰা। আকৌ সুমন দাস নামৰ এজনেও মেডিকেলত এম-বি বি এচত চীট পাইছে চাহ শ্ৰমিকৰ কোটাৰ পৰা যদিও তেওঁ আচলতে এচ–টী হে হয়। এইদৰেই চলি আছে আমাৰ চাহ বাগানৰ শ্ৰমিক সকলৰ ওৱেলফেয়াৰৰ নামত ভেকোভাওনা।

মাননীয় সভাপতি ঃ ভালে কেইজন বক্তাই কবলগীয়া আছে। আমাৰ সময়ও কম হৈ আহিছে। গতিকে চমুকৈ কব লাগে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় সভাপতি মহোদয়, চাহ বাগিচাত আজি যিবোৰ প্ৰমাণ পত্ৰ ইচু কৰিছে সেই প্ৰমাণ পত্ৰবিলাকত চাহ বাগিচাৰ জনজাতি মানুহেই নাই। চাহ জনজাতি সকলৰ কাৰণে এহাতে কোটা কৰিছে আৰু আনহাতেদি দিপ্ৰাইভ কৰিছে। পঢ়া শুনা কৰা লোক সকলৰ কাৰণে যিখিনি সুবিধা আছে সেইখিনি যাতে পাব পাৰে তাৰ

---

* Speech not corrected

কাৰণে বিহিত ব্যৱস্থা লব লাগে। মই জনাত বিক্রমজিত বৰুৱা নামৰ এজন ব্যক্তি আছে। তেওঁ এম, বি, বি, এচ। তেওঁৰ বিষয়ে মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। এইখিনিতে যাতে কঠোৰ ব্যৱস্থা লব পাৰে। শেষত মই স্কলাৰশ্বিপৰ কথা অলপ কওঁ, দি-মেট্রিক আৰু পোষ্ট গ্রেজুৱেটৰ যিসকল জনজাতি ল'ৰা-ছোৱালী আছে তেওঁলোকে ৬-৭ বছৰ পঢ়া শুনা কৰাৰ পিচতহে স্কলাৰশ্বিপ পায়। সেইটো নকৰি বছৰটোৰ ভিতৰতে যাতে পায় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। পঢ়া শুনা কৰি থকা অৱস্থাতে স্কলাৰশ্বিপটো পালে তেওঁলোকৰ কাৰণে ভাল হয়। এইখিনি পৰামর্শ আগবঢ়াই কর্ত্তন প্রস্তাৱটোৰ প্রতি সমর্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় সভাপতি: মাননীয় সদস্য শ্রীৰাজেন্দ্র মুচাহাৰীক তেখেতৰ বক্তব্য দাঙি ধৰিবৰ বাবে পাঁচ মিনিট সময় দিয়া হৈছে।

* শ্রীৰাজেন্দ্র মুচাহাৰী: মাননীয় সভাপতি মহোদয়, মোৰ আগৰ বক্তা শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম আৰু শ্রীহেমেন্দ্র নাথ ব্রহ্ম ডাঙৰীয়াই "অনু-সূচীত জাতি জনজাতি আৰু অন্যান্য পিচপৰা শ্রেণীৰ কল্যাণ" শিতানত ধার্য্য কৰা টকাৰ যিটো কর্ত্তন প্রস্তাৱ আনিছে সেই কর্ত্তন প্রস্তাৱটোৰ ওপৰত কেইবাটাও বক্তব্য উল্লেখ কৰিছে। যিবোৰ কথা আমি আগতেও কৈ আহিছো আৰু আজিও কৈছো পিচতো কৈ থাকিব লাগিব। যেতিয়ালৈকে জনজাতি সকলৰ উন্নয়নৰ নামত ভেকো-ভাওনা চলি থাকিব। জনজাতি উন্নয়নৰ নামত যিমান টকা খৰছ কৰা হৈছে তাৰ পৰিবর্ত্তে আমি কিছু কামহে কৰা দেখিবলৈ পাওঁ। কিয়নো এইটো এটা গতানুগতিক ঘটনা হিচাবে ঘটি আহিছে। জনজাতিৰ নামত ধার্য্য কৰা টকা ঠিকমতে ব্যৱহাৰ কৰা দেখা নাই। সেইকাৰণে আজি বিধান সভাৰ মজিয়াত উথাপন কৰিবলগীয়া হৈছে যাতে মন্ত্রী মহোদয়ে বিষয়টোৰ ওপৰত বিহিত ব্যৱস্থা লয়। এ, টি, ভি, এ টিচিওৰ যিবিলাকৰ কুৱালিফিকেচন আছে সেইবিলাক কথা ইয়াৰ আগতে বাতৰি কাকতত ওলাইছে। সেইবিলাক তদন্ত কৰিলে ভাল হয়। ২৫ হেজাৰ টকা ৩-৪ টকাকৈ বিলাই দিলেও বেয়া নহয়। দেখা যায় টকাৰ পৰিমাণটো

* Speech not corrected

তেনেই কম দিছে এই ক্ষেত্ৰত দেখা যায় দুটা গোষ্ঠীহে লাভবান হৈছে। যে ইকেইটা চাপ্লাই দিয়া আৰু অফিচাৰ সকল। কিন্তু ছাত্ৰ-ছাত্ৰী সকল উপকৃত হোৱা নাই। স্কুলত গলে কেইটামান গ্লোৱ, জ্যামিতি বক্স আৰু অন্যান্য আচবাবহে দেখা যায়। জনজাতি স্কুলবিলাকৰ কাৰণে কোনো উন্নয়নমূলক ব্যৱস্থা হাতত লোৱা দেখা নাই। জনজাতি উন্নয়নৰ কাৰণে ভবিষ্যতে যিবিলাক টকা দিয়া হয় খুউব কম এ, টি, ভি, এ, ত ৫ হাজাৰ কি ৬ হাজাৰ টকা হে দিয়া হৈছে। জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যানত জনজাতি সকলক চাব লগা কথাৰ কোনো সংগতি নাই। এই আসোঁৱাহবোৰ দূৰ কৰিব লাগে আৰু জনজাতিৰ নামত দিয়া টকাখিনি জনজাতিৰ কল্যাণৰ কাৰণে খৰচ কৰিব লাগে। আমি দেখিবলৈ পাইছো ঠায়ে ঠায়ে চৰকাৰে ৰেষ্ট হাউচ বনাইছে। বিশেষকৈ মই পল্‌টন বজাৰৰ কথা কব বিচাৰিছো। পল্‌টন বজাৰত যিটো ৰেষ্ট হাউচ বনাইছে, তাত বিচনা পত্ৰৰ অৱস্থা তেনেই শোচনীয়। বিচনা চাদৰ নাই। আঠুৱা নাই। লেট্ৰিনত ইউৰোপীয়ান ষ্টাইলত কৰিছিল। সেইটোও ভাঙি আছে। ভি, আই, পি, সকলে পাইখানা কেনেকৈ কৰিব। সেইকাৰণে জনজাতি উন্নয়নৰ নামত কৰা কামেই হওক বা ৰেষ্ট হাউচেই হওক, সকলোবোৰ প্ৰশা প্ৰহসন বুলি কৈছো। বিভাগীয় মন্ত্ৰী মহোদয়ক মই কব বিচাৰিছো যে যিবোৰ বস্তু বনালে তাত কোনোবাই এবাৰো খবৰ লৈছে নে? তাত কি হৈছে বা নহৈছে? তাত থকা কৰ্মচাৰী ২-১ জনক লগ পালে আমি সুধো তেওঁলোকে কয় কি কৰিব লাগে নাজানো। কেয়াৰটেকাৰজন ইয়াত নাথাকে। বেলেগ ঠাইত থাকে। পিয়ন চকীদাৰ চাৰিজনমান আছে। এইবিলাক দূৰ কৰিবৰ কাৰণে চৰকাৰে সোনকালে পদক্ষেপ লওক। আৰু এটা কথা কওঁ ওডালগুৰিত এটা ৰেষ্ট হাউচ আছে। কিন্তু এইটো চাব'ডিভিজন আৰম্ভ হোৱাৰ পৰাই তাত এচ, ডি, অ,' এজন থাকে। সেইটো তেওঁ কোৱাৰ্টাৰ কৰি লৈছে। এইবিলাক কথা আমি দৃষ্টি গোচৰ কৰিছো। এচ, ডি, অ,' জনৰ নিজা কোৱাৰ্টাৰ থকা সত্বেও জনজাতি সকলৰ বাবে বনোৱা ঠাইত কিয় থাকিবলগীয়া

হৈছে ? চৰকাৰে ইয়াৰ এটা ব্যৱস্থা সোনকালে লওক। কটন কলেজত ট্ৰাইবেল ষ্টুডেন্টচৰ কাৰণে এটা হোষ্টেল আছিল। কিন্তু এতিয়া আৰু এইটো ট্ৰাইবেল হোষ্টেল হৈ থকা নাই। আকৌ ইউনিভাৰচিটিতো এনেকুৱা এটা ট্ৰাইবেল ষ্টুডেন্টচৰ কাৰণে হোষ্টেল দিব লাগে বুলি অনুৰোধ কৰিছো। কাৰণ বহুতো জনজাতিৰ ল'ৰা-ছোৱালী বিশ্ববিদ্যা-লয়ত পঢ়িবলৈ আহে কিন্তু থকাৰ সুবিধা নাপায়। সেয়েহে বিশ্ববিদ্যালয়ৰ কেম্পাচত এটা ট্ৰাইবেল হোষ্টেল সাজি দিয়ে তেতিয়াহলে আমি অলপ হলেও ভাবিব পাৰিম যে জনজাতি সকলৰ কাৰণে ধাৰ্য্য কৰা টকাৰ অলপ হলেও সদ্ব্যৱহাৰ হৈছে। মোৰ বহু কবলগীয়া আছিল কিন্তু সময় কম। সেয়ে আশা ৰাখিছো উপৰোক্ত আসোঁৱাহসমূহ দূৰ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লব।

মাননীয় সভাপতি : এতিয়া মাননীয় সদস্য নিজামুদ্দিন খানে কব। সময় পাঁচ মিনিট দিয়া হৈছে।

শ্ৰীনিজামুদ্দিন খান : মাননীয় সভাপতি মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰো-ধিতা কৰি বিভাগীয় মন্ত্ৰী মহোদয়ৰ কেইটামান কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ওৱেলফেয়াৰ অব এচ. চি, এচ, টি, সকলৰ কাৰণে যি টকাৰ গ্ৰান্ট বিচৰা হৈছে এইটো খুউব বেছি টকা বিচৰা হোৱা নাই। মই মন্ত্ৰী মহোদয়ক সকিয়াই দিব খুজিছো যে বিগত সময় ছোৱাত অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কাৰণে কংগ্ৰেছ চৰকাৰে যিমানৰ আঁচনি লৈছিল তাৰ কোনো এটাই সম্পূৰ্ণ ভাৱে ৰূপায়ণ নকৰিলে। তেওঁলোকে মাত্ৰ ঘৰিয়ালৰ চকু পানীহে টুকিলে এইটো এতিয়া প্ৰমাণিত হৈছে। গতিকে এতিয়া বিভাগীয় মন্ত্ৰী মহোদয়ে যাতে ঘৰিয়ালৰ চকু পানী টুকিব লগীয়া নহয় তাৰ কাৰণে ব্যৱস্থা লব। ১৯৯৩ ৯৪ চনতে আমাৰ এই সদনতে যিখিনি টকা ধাৰ্য্য কৰা হৈছিল তাৰ চেভিংচ কিমান হৈছে ? এইটো মোৰ কথা নহয়— এই টকাটো ব্যৱহাৰো নহল, খৰছ কৰিবও নোৱাৰিলে আৰু চাৰেনদাৰো নকৰিলে। কাৰণ এটা বিত্তীয় বছৰত ১ কোটি ৪৪ লাখ ২ হাজাৰ টকা খৰচ কৰিব পাৰে। বাকী ১০ কোটিতকৈ বেছি

টকা খৰছ নকৰাকৈ ৰৈ গ'ল। কিছু টকা Surrender কৰা হৈছে এই টকা খৰছো নকৰিলে কোনো স্কীমতো ব্যৱহাৰ কৰা নাই। গতিকে এই টকাৰ অপচয় কৰিছে বুলি আশংকা কৰিছো।

সভাপতি মহোদয়, টকা অপচয় হোৱাৰ অবকাশ আছে। ট্ৰাইবেল সকল অনুন্নত পিচপৰা শ্ৰেণীৰ মানুহ। তেওঁলোকৰ কাৰণে কি কি কাম কৰে মই জানিব বিচাৰিছো। এই বছৰ এখন কেলেণ্ডাৰ ছপোৱা হৈছে, ভি, আই, পি, ৰ কাৰণে, ডায়েৰী ছপোৱা হৈছে, আসাম ট্ৰাইবেল ডেভেলপমেন্ট অথৰিটি, ১৯৯৭ এই চনৰ ছপাইছে। ইয়াৰে ট্ৰাইবেল সকলৰ কি উন্নতি কৰিব মই বুজা নাই। সভাপতি মহোদয়, এইখন কেলেণ্ডাৰ (কেলেণ্ডাৰ দেখুৱাই দিয়ে) এই বিলাকৰ টেণ্ডাৰ হৈছে। প্ৰতিখন কেলেণ্ডাৰ আৰু ডায়েৰীৰ কিমান খৰছ হ'ল? এই বিলাকেৰে ট্ৰাইবেল সকলৰ উন্নতি কৰিব পৰা যায় নেকি? কোটি কোটি লাখ লাখ টকা এচ, চি/এচ, টি, ৰ নামত লোৱা হৈছে, কিন্তু তেওঁলোকৰ কোনো উন্নতি হোৱা নাই। আজি ট্ৰাইবেল সকল সেই কাৰণে বিৰোধী হৈছে। কিয় হৈছে— এই বিলাক কৰ্ম কাণ্ডৰ কাৰণে হৈছে। যোৱা বছৰ এক্চেছ টকা ক'ত কেনেকৈ খৰছ কৰিছে সেই টকা কলৈ গৈছে বা কাৰ হাতত আছে এই সকলোবিলাক অনুসন্ধান কৰি মন্ত্ৰী মহোদয়ে নিশ্চিত উত্তৰ দিব বুলি আশা কৰিছো। এই টকা নিৰ্দ্ধাৰণ আছে, সকলোৰে কাৰণে নিৰ্দ্ধাৰণ কৰি দিয়া আছে, ট্ৰাইবেল, এচ, চি, ও, বি, চি। কিন্তু এই ক্ষেত্ৰত দুৰ্নীতি কৰা হৈছে, বহুত খেলি মেলি হৈছে। এই বিলাক চাই বিভাগীয় মন্ত্ৰী মহোদয়ে যাতে টকাখিনি সদ্ ব্যৱহাৰ কৰা হয় তাৰ কাৰণে অনুৰোধ কৰি মই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now, Shri Jyoty Prashad Das to speak for 5 minutes.

শ্ৰীজ্যোতি প্ৰসাদ দাস : মাননীয় সভাপতি মহোদয়, আমাৰ ১৯৯৭ চনৰ ৩১ মাৰ্চ তাৰিখে শেষ হবলগীয়া অনুসূচীত জাতি/জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যানৰ ক্ষেত্ৰত যি দাবী মঞ্জুৰী মন্ত্ৰী মহো-

দয়ৰ দাবী উত্থাপন কৰিছে, ইয়াক মই সমৰ্থন কৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱ যি সকল মাননীয় সদস্যই উত্থাপন কৰিছে তেখেত সকলকো এই কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনাইছো। এই কাৰণে অনুৰোধ জনাইছো যাতে পিচ পৰা এই জাতিৰ কল্যাণ হয়। আমাৰ অসমত এই জাতি সমূহ বহুত পিচ পৰি আছে। বছৰ বছৰ পিচত বহুত খিনি আঁচনি ঠিকমতে কাৰ্য্যকৰী হোৱা নাই। আগৰে পৰা যি হিচাবে আছে এতিয়া বহু উন্নত হৈছে। আগৰ চৰকাৰৰ দিনত বহুতখিনি দাবী পূৰণ কৰা হোৱা নাছিল। বৰ্ত্তমান চৰকাৰে ধনখিনি বিচাৰি দাবী উত্থাপন কৰিছে। ইয়াৰ লক্ষ্য এইটোৱে যে যাতে সুফল পোৱা হয়। সেয়ে মাননীয় সদস্য সকলে এই দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাব বুলি আশা কৰিছো।

সভাপতি মহোদয়, আমাৰ এই জাতি সমূহ স্বাধীনতাৰ পিছৰ পৰাই পিচ পৰি আছে। ১৯৯৭ ৯৮ চনৰ যি ধন ধাৰ্য্য কৰিছে ইয়াৰ যুক্তি যুক্ততা বহুখিনি আছে। আমি কিছু কথা স্বীকাৰ কৰিব লাগিব যে বিগত চৰকাৰৰ দিনত বহুতখিনি আঁচনি কাৰ্য্যকৰী হোৱা নাই। অৰ্থনৈতিকভাবে পিচপৰা জাতিৰ উন্নয়নৰ কাৰণে যিবিলাক গ্ৰাণ্ট দিয়া হয় তাৰ পৰা বঞ্চিত হৈছিল। আগতে ক্ৰুটি বিচ্যুতি হৈছিল। কিন্তু বৰ্ত্তমান চৰকাৰে সেইবিলাক পূৰণ কৰিব বুলি আশা দেখুৱাইছে। অসমৰ চুকে-কোণে পিচ পৰি থকা এই শ্ৰেণীটোক আৰ্থিক, সামাজিক, ভাবে আগবঢ়াই যদি নিব নোৱাৰো তেতিয়া হলে অসমত শান্তি শৃঙ্খলা নাথাকিব। আৰু আমি প্ৰগতিৰ পথত আগবাঢ়ি যাব নোৱাৰিম। এচ, চি, এচ, টি/ও, বি, চি, এক্স টি গাৰ্ডেন আদিৰ বাবে যি দাবী মঞ্জুৰী উত্থাপিত হৈছে, এইখিনি আঁচনি কাৰ্য্যকৰী কৰণৰ বাবে যুগুত কৰিছে। যি সমূহ আঁচনি আছে তাৰ ভিতৰত পিচপৰা শ্ৰেণীৰ কাৰণে লোন দিয়াৰ ব্যৱস্থাও আছে। বি, এ, চি এৰিয়াৰ বাবেও আঁচনি আছে। ষ্টেট প্লেনত ধাৰ্য্য কৰা হৈছে ৬০৩ কোটি টকা আৰু নন্ প্লেনত ধাৰ্য্য কৰা হৈছে ১০৪.৭১ কোটি টকা ডাইৰেক্টৰেট অব ট্ৰাইবেল, কাষ্ট ওৱেলফাৰ, ও, বি, চি, টি, গাৰ্ডেন, এক্স-টি গাৰ্ডেন আদি সামাজিক ভাবে পিচ পৰা শ্ৰেণীৰ বাবে যথাযথ ভাবে উন্নতিৰ বাবে দাবী মঞ্জুৰী

উত্থাপন কৰা হৈছে। ইয়াৰ যুক্তি যুক্ততা আছে,

সভাপতি মহোদয়, মই এই চেগতে চৰকাৰক অনুৰোধ জনাইছো যে আঁচনি বিলাক কাৰ্য্যকৰীৰ ক্ষেত্ৰত যাতে আগৰ দৰে নহয়, আমাৰ চৰকাৰে এই ক্ষেত্ৰত যাতে যথেষ্ট গুৰুত্ব সহকাৰে ৰূপায়ণ কৰে। ডাই-ৰেক্টৰেট অব চিডুৰেল কাষ্ট ওৱেলফাৰ, আসাম ষ্টেট ডেভেলপমেণ্ট ক'ৰপোৰেশ্বন ফৰ চিডুৰেল কাষ্ট এই বিলাক অনুষ্ঠানৰ আঁচনিৰ বাবে টকা ধাৰ্য্য কৰা থাকে।

সভাপতি মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খোজো এচ, চি, ডেভেলপমেণ্ট ক'ৰপোৰেশ্বনৰ বাবে ধাৰ্য্য কৰিবলগীয়া ধনৰ শিতানৰ পৰা ডাইৰেক্টৰেট অব চিডুৰেল কাষ্ট ওৱেলফাৰৰ জড়ি-য়তে খৰছ কৰি ফলপ্ৰসু হব বুলি মই নাভাবো। সেয়ে এইটো যাতে মন্ত্ৰী মহোদয়ে নকৰে তাৰ বাবে অনুৰোধ জনালো। এইটো অনুৰোধ জনাই মন্ত্ৰী মহোদয়ে আজি যি দাবী উত্থাপন কৰিছে এইটো সমৰ্থন ইয়াৰ বিপৰীতে মাননীয় যিসকল সদস্যই ইয়াৰ বিৰোধিতা কৰি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক উঠাই লবলৈ তেখেত সকলক অনুৰোধ জনাই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now, Shri Dileswar Tanti to speak for five minutes.

শ্ৰীদিলেশ্বৰ তাঁতী : মাননীয় সভাপতি মহোদয়, ইয়াত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত যি দাবী মঞ্জুৰী আনিছে সেইটো সমৰ্থন কৰি দু-আষাৰমান কবলৈ ঠিয় হৈছো। অ', বি, চি, অসমৰ জনসংখ্যাৰ প্ৰায় ৫০ ভাগ বা তাতকৈ অধিক হৈছে। ভাৰতবৰ্ষত আজি সংৰক্ষণৰ যি ব্যৱস্থা গ্ৰহণ কৰা হল তথাপি অনুসূচীত জাতি, অনুসূচীত জনজাতি লোক সকল পিচ পৰি থাকিল। বিশেষকৈ চাহ বাগিছাৰ জনগোষ্ঠী সকলক দেশ স্বাধীন হোৱাৰ ৫০ বছৰৰ পিচতো শিক্ষা, অৰ্থনৈতিক আদি দিশত পিচপৰি থকাৰ পিচতো আজি জনজাতীয় কৰণ কৰা দাবী প্ৰস্তাৱ উত্থাপিত হৈ আহিছে সেই দাবী পূৰণ কৰা হোৱা নাই। মাত্ৰ ১৯৮৬ চনত অ,' বি, চি, সকলৰ কাৰণে সংৰক্ষিত শিক্ষাৰ আসন আৰু চাকৰিৰ ক্ষেত্ৰত

ব্যৱস্থা কৰা হল তাকো ১৫ পাৰচেন্টহে। আমি জানো যে ভাৰতবৰ্ষৰ যি মণ্ডল কমিচনৰ ৰিপোৰ্ট সেই ৰিপোৰ্টত পিচ পৰা শ্ৰেণীৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা কৰা হল। ভাৰতৰ অন্যান্য ৰাজ্যৰ অ,' বি, চি সকলৰ সংৰক্ষণ ব্যৱস্থা ২৭ ½ পাৰচেন্ট। কিন্তু অসমত মাত্ৰ ১৫ পাৰচেন্ট কৰা হল তাকো ১৯৮৬ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বৰ কালত। কিন্তু দুৰ্ভাগ্য কথা যে এই ১৫ পাৰচেন্ট সংৰক্ষণ কৰাৰ পিচতো এই পিচপৰা মানুহখিনিক বঞ্চিত কৰাৰ কাৰণে এটা ষড়যন্ত্ৰ চলি আছে। চুপ্ৰিম-কোৰ্টেও এই সংৰক্ষণৰ ব্যৱস্থাটো মানি লৈছিল। কিন্তু ট্ৰিবুনেলৰ ফালৰ পৰাও এইটো ৰায় দিছে। অসমতো আমাৰ উচ্চ ন্যায়ালৰ জাচটিচ শ্ৰীখগেন শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত 'ওৱান-মেন কমিচন' গঠন কৰা হৈছিল। তেখেতেও এইটো চালি জাৰি চাই ট্ৰিবুনেলৰ কথাটো বাদ দিয়া নাছিল। অসম বিধান সভাৰ অ,' বি, চি,—এচ, চি—এচ, টি যি সদন কমিটি আছে তেখেত সকলেও 'ওৱান মেন কমিচন'ৰ অনুমোদন ৰিজেক্ট কৰিবৰ কাৰণে আৰু নটিফিকেচন চৰকাৰে মানি লব নালাগে বুলি দাবি কৰা হৈছিল। আজি কেৰেলাৰ প্ৰদেশত কেৰেলাৰ মানুহ এচ, চি সংৰক্ষণৰ কাৰণে প্ৰত্যাহ্বান জনাইছে ট্ৰিবুনেলত যোৱাৰ কথাটোৰ প্ৰশ্নই নাই।

সভাপতি মহোদয়, আজি চাহ বাগিছাত যিহেতু আই, এ, এচ, এ, চি, এচ আৰু এ, পি, এচ আনকি ডাক্তৰ, ইঞ্জিনিয়াৰও আদি নাই। সেইবাবে মই আজি যিটো দাবী মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আনিছো তাক সমৰ্থন জনায় মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Chairman : Now, Shri Gahin Chandra Das to speak for five minutes.

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় সভাপতি মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইআষাৰমান কব বিচাৰিছো। সভাপতি মহোদয়ে অৱশ্যে 'টাইম বাউণ্ডৰ কথা কৈছে। কথা হ'ল অনুসূচীত জাতি, অনুসূচীত জনজাতিক উন্নতি পথত আগুৱাই নিবৰ কাৰণে সংবিধান প্ৰদত্ত আইনৰ জড়িয়তে সংৰক্ষণৰ সুবিধা দিছে। কিন্তু সংৰক্ষণৰ প্ৰশ্ন কিহৰ বাৰে

* Speech not corrected

আছে। যেতিয়া এটা জাতি দুৰ্বল হয় তেতিয়াই এই সংৰক্ষণ ব্যৱস্থাৰ কথা আছে। ভাৰতীয় সংবিধানে অনুসূচীত জাতি আৰু অনুসুচিত জনজাতিৰ কাৰণে আবন্তণিৰে পৰাই সুবিধা দিছে। কিন্তু ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি ৫০ বছৰৰ পিচতো এই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ কাৰণে কি কৰিছে কিমানখিনি 'আপগ্ৰেড' কৰা হল? এইটো কথা ঠিক যে এটা জাতিৰ সংৰক্ষণৰ ব্যৱস্থা অৱমান কাললৈ নেথাকে। সময় সীমা থাকিব। সেই সময়ৰ ভিতৰত সেইটো সংৰক্ষিত হব লাগিব। অৱমান কাললৈ কেতিয়াও থাকিব নোৱাৰে। আজি ৫০ বছৰৰ পিচতো ভালে কেইটা উন্নত জাতি সংৰক্ষণ কৰাৰ কাৰণে আগবাঢি আহিছে। কিন্তু এটা জনজাতীয়ে কেতিয়া সংৰক্ষণ বিচাৰে। যেতিয়া কাৰোবাৰ পৰা শোষিত হয় তেতিয়াই সেই জাতিয়ে সংৰক্ষণ বিচাৰে আজি ৫০ বছৰৰ পিচতো এই অনুসূচিত জাতি, অনুসূচীত জনজাতি সকলে তেওঁলোকৰ পাবলগীয়া প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে।

সভাপতি মহোদয়, আপুনি এই ক্ষেত্ৰত বহুতো অভিজ্ঞ। কথা হল সংবিধানে কিছুমান ক্ষমতা দিছে, কিছুমান সা-সুবিধা দিছে। সেই সা-সুবিধা বিলাক 'ইমপ্লিমেণ্ট' কৰি ৰাইজে সুবিধা পাইছেনে নাই? আজি যেনেকুৱা আঁচনিয়ে নহওঁক কিয় সেইখিনি ভালদৰে 'ইমপ্লিমেণ্ট' নকৰিলে তাৰ পৰা কৃতকাৰ্য্য হব নোৱাৰিব। আগৰ বিধান সভাৰ মজিয়াতো মই কৈছিলো যে এটা আঁচনি প্ৰস্তুত কৰিবলৈ হলে আঁচনি, প্ৰণেতা, আঁচনি কাৰ্য্যকৰী কৰোতা আৰু আঁচনিৰ উপভোক্তাৰ সদ্-ইচ্ছা আৰু সহযোগিতা লাগিব। এই তিনিওটাৰ আন্তৰিকতাতে এখন আঁচনিৰ মূল লক্ষ্যত উপনিত হব পাৰিব। আমাৰ এটা দৃষ্টিগোচৰ হৈছে যে কাৰোবাৰ ইয়াত সদ্‌ইচ্ছাৰ অভাৱ আৰু অনিহা হৈছে। (সময়ৰ সংকেত — মাননীয় সভাপতি মহোদয়, মোক অলপ কবলৈ দিয়ক, মোৰ কবলৈ বহু কথা আছে যদিও যিমান পাৰো সিমান চমু কৰিবলৈ চেষ্টা কৰিম)।

সভাপতি মহোদয়, ১৯৮৯ চনতে এচ, চি, ওৱেলফেয়াৰৰ অফিচটো আৰম্ভ হল কিন্তু আজিলৈকে কি ধৰণৰ কাম-কাজ কৰিলে সেইটো চাবলগীয়া হৈছে।

মাননীয় সভাপতিঃ আপোনাক ৫ মিনিটতকৈ বেচি সময় দিব নোৱাৰো কাৰণ ইতিমধ্যে বহুতো সদস্যই কবলৈ আছে।

* শ্ৰীগহীন দাস ঃ সভাপতি মহোদয়, ১৯৮৯ চনত্তে সৃষ্টি হোৱা এচ, চি, ওৱেলফেয়াৰ অফিচটোত মাত্ৰ কেইটামান লিমিটেড পোষ্টৰ সৈতে সৃষ্টি কৰা হৈছিল। গতিকে প্ৰয়োজন অনুসাৰে পোষ্টৰ সংখ্যা বঢ়াব লাগে। ডব্লিউ, পি টি এণ্ড বি. চি ডাইৰেক্টৰৰ আণ্ডাৰত এতিয়ালৈকে যি চাব ডিভিজনেল ওৱেলফেয়াৰ অফিচ বিলাক চলি আছে সেই অফিচ সমূহ অনুসূচীত জাতি কল্যাণ ডাইৰেক্টৰৰ আণ্ডাৰলৈ আনিব লাগে। এইখিনিতে আন এটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আজি ৰাভা, হাচং, বড়ো, টিৱা, মিচিং, কাৰ্বি আদি যি কেইখন কাউঞ্চিলৰ সৃষ্টি হৈছে তাৰ কাৰণে ডব্লিউ, পি, টি এণ্ড বি, চি, ডাইৰেক্টৰে এই সকলোবিলাক জনগোষ্ঠীৰ উন্নয়নৰ কাৰণে বহুত কিবা কিবি চাবলগীয়া হোৱা কাৰণে তেখেত সকলৰ ওপৰত বেচি দায়িত্ব আহি পৰিছে। আমাৰ অনুসূচীত জাতিৰ ১৬ টা উপজাতিৰ সকলোবিলাক কাম স্বতন্ত্ৰভাৱে চাবলৈ মই সুকীয়া চেক্ৰেটাৰীয়েট গঠন কৰাৰ কাৰণে অনুৰোধ জনাইছো। লগতে চাকৰিৰ ক্ষেত্ৰত যিটো বেকলগ আছে আৰু ৰোষ্টাৰ আছে সেই ৰোষ্টাৰ মেইনটেইন কৰিব লাগে আৰু বেকলগ বিলাক পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

Mr. Chairman : Now, Shri Kumud Chandra Das to speak.

* শ্ৰীকুমুদ চন্দ্ৰ দাস ঃ মাননীয় সভাপতি মহোদয় অনুসূচীত জাতি/জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ প্ৰশাসনৰ ক্ষেত্ৰত যিখিনি প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ মই বিৰোধীতা কৰিছো আৰু মই কেইটামান কথা কব বিচাৰিছো। আমাৰ ভালে কেইজন মাননীয় সদস্যই এই অনুসূচীত জাতি/জনজাতি আৰু পিচ পৰা শ্ৰেণীৰ লোক সকলৰ কল্যাণৰ কাৰণে ভালেখিনি পৰামৰ্শ আগবঢ়াইছে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে নতুনকৈ যি সকল লোকক এচ, টি, কৰা হ'ল তেওঁলোকৰ কাৰণে ধন আৱণ্টন কৰা হৈছে নে নাই। মই ভাবো

* Speech not corrected

আগৰ যি সকল অনুসূচীত জাতি আৰু জনজাতিৰ লোক তেওঁ-লোকৰ কাৰণেহে এই ধন মঞ্জুৰ কৰাৰ দাবী উত্থাপন কৰা হৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যি সকল নতুন লোকক অনুসূচীত জাতি আৰু জনজাতিৰ অন্তৰ্ভুক্ত কৰা হ'ল তেখেত সকলৰ উন্নতিৰ কথাটো চিন্তা কৰিব লাগে আৰু তেখেত সকলক ইয়াৰ পৰা বঞ্চিত যাতে কৰা নহয় সেইটো চাব লাগে। মোৰ দ্বিতীয় কথাটো হ'ল— এই অনুসূচীত জাতি/ জনজাতি আৰু পিচ পৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে অসম চৰকাৰৰ অধীনত কেইবাটাও বিভাগ আছে। এ, টি, ডি, এ নামৰ বিভাগটোৱে জনজাতীয় লোক সকলৰ উন্নতিৰ নামত যিথিনি কাণ্ড কাৰখানা কৰি আছে সেইটো কবলৈ গলে লাজ লাগে। তেওঁলোকে জনজাতীয় লোক সকলৰ উন্নয়নৰ কাৰণে যিবিলাক সামগ্ৰী ক্ৰয় কৰে তাৰ জড়িয়তে জনজাতীয় লোক সকল লাভবান নহয়, লাভবান হয় সেই বিভাগৰ মুৰব্বী বিষয়া সকলহে। ইয়াৰ উপৰিও মই আন এটা উদাহৰণ দিব বিচাৰিছো যে ১৯৯৫-৯৬ চনত এ, টি, ডি, এৰ তৰফৰ পৰা ৬ হাজাৰ টকাকৈ লোন দিয়াৰ কাৰণে কিছুমান বেনিফিচিয়াৰী চিলেকচন কৰিলে। তাৰ ভিতৰত মোৰ সমষ্টিৰ পৰা ৭৫ জন বেনিফিচিয়াৰী চিলেকচন কৰিলে। কিন্তু এতিয়ালৈকে এজনেও লোন নাপালে। এই ক্ষেত্ৰত মই এ, টি, ডি, এ অফিচত গৈ চি, ই, অৰ পৰা কোনো সদ্‌উত্তৰ নাপালো। আনহাতে আমাৰ এ, পি, টি, ডি, চি নামৰ এটা অফিচ আছে। এ, পি, টি, ডি, চি ফালৰ পৰা ১৭৩ টা বেনিফিচিয়াৰী বা টাৰগেট লোৱা হৈছে। চৰকাৰে আঁচনি বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে কিছুমান নীতি নিৰ্দ্ধা-ৰণ কৰি দিয়ে। কিন্তু আমি জানিব পৰা মতে বাছ আৰু ট্ৰাকৰ যিটো আঁচনি সেই আঁচনিৰ অধীনত থকা বাছ আৰু ট্ৰাক সমূহ ইতিমধ্যে ভাগ-বতৰা হৈ গ'ল। অন্ততঃ এইখন চৰকাৰৰ পৰা কংগ্ৰেছ চৰকাৰৰ নিচিনা কাম আমি আশা কৰিব নোৱাৰো আৰু তেনেকুৱা কাম যাতে নহয় তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman: Now, Prithibi Majhi to speak.

শ্ৰীপৃথিবী মাঝি: মাননীয় সভাপতি মহোদয়, আমাৰ দলৰ ফালৰ পৰা যিটো কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই মোৰ চমু বক্তব্য ডাঙি ধৰিবলৈ বিচাৰিছো। আমাৰ মাননীয় সদস্য নিজামুদ্দিন খানে কৈছে 'ঘৰিয়ালৰ চকু পানী টোকা বুলি'। আচলতে এইটো নহয়। এইটো এইখন চৰকাৰ বা সেইখন চৰকাৰৰ কথা নহয়। আমি যদি বুৰঞ্জী ফহিয়াই চাওঁ তেতিয়াহলে সৌ তাহানি যুগৰ পৰাই কব লাগিব বা ৰামায়ণ মহাভাৰতৰ সৃষ্টিৰ পৰাই কব লাগিব। সেই সময়ত অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক দস্যু, ৰাক্ষস আদি আখ্যা দিয়া হৈছিল। ভাৰতবৰ্ষ স্বাধীন হ'ল। কিন্তু প্ৰকৃত কথাটো হ'ল আমাৰ যিটো সমাজ ব্যৱস্থা আছে তাৰ জড়িয়তে আমি যদি এই মানুহখিনিক অলপ দয়া বা মৰম নকৰো, মমতা নেথাকে আৰু উন্নতিৰ পথত আগুৱাই নিয়াৰ কাৰণে বুজিবলৈ চেষ্টা নকৰো, তেতিয়াহলে সেই ব্যৱস্থাটো হৈয়েই থাকিব। এই লোক সকলৰ কাৰণে যিবিলাক আঁচনি লোৱা হৈছে সেই আঁচনিবিলাক আৰ্থিক আৰু সামাজিক গাঠনিৰ ওপৰত লোৱাটো বাঞ্চনীয়। কাৰণ তেওঁলোৰ খেতি বা অন্যান্য কাৰ্য্যৰ ওপৰত আৰু ট্ৰেডিচন আৰু কাষ্টমৰ ওপৰত জীয়াই থাকে। মই এই খিনিতে এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে গোটেই ভাৰতবৰ্ষত আৰু অসমত তেওঁলোকৰ যিটো ট্ৰেডিচন আৰু কাষ্টম আছে সেইমতে আইন সঙ্গত ভাবে লিপিবদ্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। যদি সেইটো কৰা নহয় তেতিয়াহলে উন্নয়ন মূলক কাম-কাজ বিলাক কৰাত বাধা-গ্ৰস্ত হব। প্ৰকৃত ন্যায় যাতে তেওঁলোকে পায় সেইটো ব্যৱস্থা কৰিব লাগে। মোৰ আন এটা কথা হ'ল এচ, টি আৰু এচ, টি কৰ্পোৰেচনৰ নিচিনাকৈ চাহ বাগান এৰিয়াৰ লোক সকলৰ কাৰণে "টি ট্ৰাইবচ, কৰ্পোৰেচন" গঠন কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু গোটেই এই ফাণ্ড কৰ্পোৰেচনক দিব লাগে। জনজাতীয় লোক সকলৰ সমস্যাৰ কথা আমি বহু দিনৰ পৰাই শুনি আহিছো। কিন্তু এটা কথা আমি লক্ষ্য কৰা দৰ্কাৰ। সেইটো হ'ল দেউৰী সকলৰ কথা। দেউৰী সকলৰ জনসংখ্যা

* Speech not corrected

৩ লাখ ৫০ হাজাৰতকৈ বেচি যদিও তেওঁলোকৰ কথা চিন্তা চৰ্চা কৰা দেখা নগ'ল।

( সময়ৰ সংকেত )

দেউৰী সকলৰ বা আন আন জনগোষ্ঠীৰ মঠ-মন্দিৰ বিলাক সংৰক্ষণ তত্বাবধান কৰাৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। মই আৰু দীঘলীয়া নকৰো। দেউৰী ছাত্ৰ সন্থাই যি দাবী কৰিছে আৰু তেওঁলোকৰ যি দাবী দিয়া আছে সেইবিলাক পূৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ মনোযোগ দিব লাগে। লগতে তেওঁলোকৰ বাবেও "চেটেলাইট অট'নমাছ কাউঞ্চিল" গঠন কৰি স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Now, Shri Hemendra Nath Brahma to speak.

শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, এই শিতানৰ কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত মই দুষাৰমান বক্তব্য দাঙি ধৰিব বিচাৰিছো। প্ৰথমতেই এই যিটো ১.৫০ কোটি টকা ভাৰত চৰকাৰৰ পৰা অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ পৰা আগৰ চৰকাৰে আনিছিল সেই টকাতো যাতে অতি সোনকালে ট্ৰাইবেল ডেভেলপমেণ্ট কৰ্পোৰেশ্যনলৈ আনি ভৈয়াম জনজাতি বাইজৰ কল্যাণৰ কামত ব্যৱহাৰ কৰে তাৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

এন. এচ, এফ দি, চিৰ আঁচনিত মাত্ৰ ৫০ হাজাৰ টকা ৰখা হৈছে। এই আঁচনিত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা শতকৰা ৮৫ শতাংশ আৰু আৰু ৰাজ্যিক চৰকাৰৰ মাত্ৰ ৫ শতাংশ ৰাজ্য চৰকাৰে দিব লগীয়া হয়। ষ্টেট চেয়াৰত যিটো দেখুৱাইছে সেইটো নিয়মমতে ব্যয় কৰিব নোৱাৰাৰ কাৰণে জনজাতিয় ৰাইজৰ পৰিয়াল সমূহ উপকৃত হোৱাৰ পৰা বঞ্চিত হবলগীয়া হৈছে। গতিকে এই ষ্টেট চেয়াৰটো ইনক্ৰিজ কৰিব লাগে। আনহাতেদি বিভাগীয় মন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এচ, চি কম্পোনেণ্টৰ যিটো টকা সেই টকাতো যাতে জনজাতিয় ৰাইৰ কল্যাণৰ কাৰণে বিভিন্ন আঁচনিত ব্যয়

কৰাৰ ক্ষেত্ৰত চৰকাৰৰ যিবিলাক এজেন্সী আছে যেনে— এ, টি, ডি, এ বা আসাম ট্ৰাইবেল ডেভেলপমেন্ট কৰ্পোৰেশ্যন ইত্যাদিৰ জৰীয়তে খৰচ কৰাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই টকাতো এ, টি, ডি, এ বা এ, পি, টি, ডি চক নিদি ডাইৰেক্টৰ ডব্লিউ, পি, টি, চিয়ে লৈ গ'ল, নিয়মমতে এই টকাটো এজেন্সী কেইটাই প্ৰয়োগ কৰিব লাগিছিল। Tribal Development Coppn. is not authorised to implement the money which has been given by the Central Govt. and it is know as Central Special assistance. The Special assistance must be divided within the two agencies which is known as ATDA and also Tribal Development Corporation.

ডাইৰেক্টৰ ডব্লিউ, পি টি চিয়ে ফাইনেন্সি মেইনটেনেন্স স্কীমত আঁচনি লব পাৰে আৰু খৰচ কৰিব পাৰে, তাত কোনো ধৰণৰ নিৰ্দ্দেশ কেন্দ্ৰীয় চৰকাৰৰ পৰা নাই। যোৱা দুবছৰৰ পৰা দেখুৱাইছে এই বিলাক ডাইৰেক্টৰে কৰি আছে। সেই কাৰণে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই ডেৰকোটি টকা ভাল ধৰনে ভাগ-বতৰা কৰি আমাৰ চৰকাৰৰ এজেন্সী এ, টি, ডি, এ আৰু এ, পি, টি, ডি চিৰ জৰিয়তে খৰচ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু আমাৰ জনজাতিয় ৰাইজৰ যি সকল বিলো পোভাৰটি লাইনত আছে তেওঁলোকক বেনিফিট দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

এই যি টকাটোৰ কথা কলো এই টকাটো লৈ যোৱাৰ ক্ষেত্ৰত মই চালান দেখুৱাব পাৰো চালান মোৰ হাতত আছে। গতিকে আন কথা নাভাবি টকাতো জনজাতীয় ৰাইজৰ হিতাৰ্থে ব্যৱহাৰ কৰিব লাগে আৰু যিবিলাক কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকা ৰেভিনিউ ডিপোজিত ৰাখি থৈছে সেইটো সোনকালে মোকলাই দিব লাগে। মোৰ কবলৈ বহুত আছিল কিন্তু সময় কম হোৱাৰ কাৰণে ইমানকে কৈ সামৰণি মাৰিলো।

Mr. Chairman : Now, Mr. Karuna Dutta to speak.

শ্ৰীকৰুণা দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, জনজাতিয় ৰাইজৰ কল্যাণৰ কাৰণে জনজাতীয় শিতানত অনুসুচিত জাতি, অনুসূচিত জনজাতি আৰু অ'বিচিৰ সম্পৰ্কত দীঘলীয়া আলোচনা হৈ গৈছে। কিন্তু আচৰিত কথা যে আজি যিবিলাক অ'াচনিৰ জৰিয়তে আমাৰ জনজাতীয় ৰাইজক সকাহ দিবলৈ বিচৰা হৈছে আৰু তেওঁলোকলৈ যি সুবিধা মঞ্জুৰী ইত্যাদি চৰকাৰৰ ফালৰ পৰা আগবঢ়োৱা হয় সেই বিষয়ে গোটাচেৰেক প্ৰতিনিধি আৰু চৰকাৰৰ বিষয়া কৰ্মচাৰীৰ বাহিৰে জনজাতীয় দুখীয়া ৰাইজে কোনো ভূ নাপায় কিয়নো এই দিশত চৰকাৰৰ ফালৰ পৰা যেনে ধৰণে প্ৰচাৰ মাধ্যমৰ ব্যৱস্থা কৰিব লাগিছিল সেই দিশত কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। ফলত বৃহত্ জনজাতীয় দুখীয়া ৰাইজে তেওঁলোকৰ পাবলগীয়া সা-সুবিধা বিলাকৰ বিষয়ে অজ্ঞ হৈ থাকে আৰু তাৰ পৰা বঞ্চিত হব লগীয়া হৈছে। অসম চৰকাৰৰ এ. টি. ডি. এ আৰু এ পি টি ডি চি আৰু অন্যান্য এজেন্সীৰ দ্বাৰা জনজাতীয় ৰাইজলৈ যিবিলাক সা-সুবিধা আগবঢ়োৱা হৈছে বা ব্যৱস্থা কৰা হৈছে সেই বিষয়ে জনসাধাৰণে জানিব পৰা নাই। অসম গণপৰিষদ চৰকাৰ অহাৰ পিচত জনজাতীয় দুখীয়া ৰাইজে এই ব্যৱস্থা বিলাকৰ বিষয়ে কিছু ভূ পাইছে। সেয়েহে মই বিভগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে চৰকাৰে এই সা-সুবিধা আৰু নিয়ম নীতিৰ সম্পৰ্কে দুখীয়া জনসাধাৰণক অবগত কৰাৰ কাৰণে প্ৰচাৰৰ ব্যৱস্থাটো অধিক সক্ৰীয়শীল কৰি তুলিব লাগে। নহলে ৰাইজে নজনাকৈয়ে আগৰ নিচিনাকৈ দুখীয়া ৰাইজৰ ধন অপব্যয় হব। মই স্কলাৰচিপৰ বিষয়ে কবলৈ বিচাৰিছো, বৰ পৰিতাপৰ বিষয় যে বিগত দিনত কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা স্কলাৰচিপ খিনিয়ো আৰ, ডিত জমা থৈছে। ফলত আজি ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাৰ ক্ষেত্ৰত আগ-বাঢ়ি যোৱাৰ বাধাৰ সৃষ্টি হৈছে।

এই অনুদান দিব নোৱাৰা কাৰণে ছাত্ৰ ছাত্ৰী সকলে শিক্ষা সাং কৰিব লগা হৈছে আৰু যিটো গতানুগতিক বৃত্তি আছে সেইটো বৃদ্ধি

কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিবৰ কাৰণে ব্যৱস্থা লব লাগে। এই যে ক্ষোভ খিনি আছে দূৰ কৰি ভবিষ্যতে সু-নাগৰিক কৰি গঢ়ি তোলাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now, Mr. Mohini Basumatary to speak.

* শ্ৰীমোহিনী বসুমতাৰী : মাননীয় চেয়াৰমেন মহোদয়, মই কাটমোচনটো আনিছো। এই কাৰণে যে জনজাতি উন্নয়ন বিভাগত ষ্টেট প্লেনত যিখিনি টকা ধাৰ্য্য কৰিব লাগিছিল সেই খিনি কৰা নাই। মই জনামতে প্ৰতি বছৰত শতকৰা ১০০ ইনক্ৰিজ কৰিব লাগিছিল। কিন্তু কৰা হোৱা নাই। এই টকাটো বঢ়াই দিবলৈ অনুৰোধ কৰিলো। আৰু এই খিনিতে এটা কথা কব খুজিছো যে আমাৰ এ, টি, ডি, এ আৰু ডব্লিউ, পি, টিৰ দুটা ডাইৰেক্টৰেট আছে। তাত যিটো টকা ধাৰ্য্য কৰা হয় সেইটো সঞ্চালক মণ্ডলীৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। কিন্তু তাত সঞ্চালক মণ্ডলী নাই সেয়ে ডা, ব্লিউ, পি টিত বোৰ্ড অৱ ডাইৰেক্টৰ গঠন কৰিবলৈ অনুৰোধ জনালো। মই জানিবলৈ পাইছো কেন্দ্ৰীয় চৰকাৰৰ পৰা এচ, চি এচ টিৰ কাৰণে টকা দিয়ে আৰু নিয়ম মতে মুখ্য-মন্ত্ৰী চেয়াৰমেন হয়। কিন্তু আমাৰ জনজাতিৰ মানুহ কোনো দিনেই মুখ্য-মন্ত্ৰী হব নোৱাৰে। আৰু টকা ভাগ বতৰা ক্ষেত্ৰত আমাৰ এটা চেন্টিমেন্ট আছে। গতিকে মুখ্যমন্ত্ৰী যাতে চেয়াৰমেন হব নোৱাৰে তাৰ কাৰণে সংশোধনী কৰিবলৈ অনুৰোধ জনালো। নতুনকৈ অৰডিন্স কৰি কোচ ৰাজবংশী সকলে জনজাতি হবলৈ বিচাৰিছে আৰু জনজাতিৰ ভাগৰ টকাটো এনজয় কৰিবলৈ বিচাৰিছে। সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে কমিচনাৰৰ ৰিপোৰ্ট মতে যিহেতু তেওঁলোক অৰিজিনেল জনজাতি নহয় সেয়ে তেওঁলোকৰ অংশটো নিৰ্দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। এ, টি ডি, এৰ জৰিয়তে টাইবেল সকলক পাৱাৰটিলাৰ আৰু ট্ৰেক্টৰ দিয়া হয়। নিয়মতে তেওঁলোকে সেইবিলাক বিক্ৰী কৰিব নোৱাৰে। কিন্তু সেই বিলাক বিক্ৰী কৰা হৈছে। এইবিলাক চিজ কৰি অনাৰ ব্যৱস্থা লবলৈ অনুৰোধ জনালো। ইয়াৰ বাবে এখন প্ৰতি সমষ্টিত কমিটি গঠন কৰিবলৈ অনুৰোধ জনালো। মোৰ কবলগীয়া এইখিনিয়েই আছিল।

---

* Speech not corrected

( Shri Hitendra Nath Goswami took the chair from Shri Hemen Das at 11.08 A.M. )

শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী ঃ মাননীয় ভাৰপ্ৰাপ্ত সভাপতি মহোদয়, ডাব্লিউং পি, টি, বি, চি. বিভাগৰ যিটো বাজেট এচটিমেট ১৯৯৭/৯৮ চনৰ গ্ৰাণ্ট নং ৩৮ শিতানত যিটো আলোচনা চলি আছে সেই আলোচনাত আমাৰ বিভিন্ন দলৰ মাননীয় সদস্য সকলে যি দিহা পৰামৰ্শ আগবঢ়াইছে তাত মই নথৈ আনন্দিত হৈছো। আপোনালোকে জানে মই নিজেও ট্ৰাইবেল। মই আপোনালোকে যি দিহা পৰামৰ্শ দিছে মন্ত্ৰী হিচাবে গ্ৰহণ কৰিছো। আপোনালোকৰ যিখিনি আসুৱাহ বক্তৃতাত দাঙি ধৰিছে মই সকলো বিলাক চালিজাৰি চাই ব্যৱস্থা লোৱাৰ প্ৰচেষ্টা চলাম। প্ৰথমতে মাননীয় সদস্যা প্ৰমিলা ৰাণী ব্ৰহ্মৰ কথা কব বিচাৰিছো। তেখেতৰ বক্তৃতাৰ ওপৰত মই মন্তব্য কৰিব বিচাৰিছো। তেওঁ কৈছে যে বাজেটত ধন কম হৈছে। ইয়াৰ কাৰণে বিৰোধীতা কৰিছে আৰু কৰ্তন প্ৰস্তাৱ আনিছে। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে হয় টকাটো কম হৈছে বেচি হব লাগে। কিন্তু উপায় নাই। আমাৰ যিটো কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈ ফাইনেনচিয়াল এইড দিয়ে প্লেন আৰু নন প্লেনত আৰু সেইটো ষ্টেত প্লেনত সান্তাৰ্য বাজেটত ধাৰ্য্য কৰা হয়। মোৰ ব্যক্তিগত ফালৰ পৰা কবলগীয়া একো কথা নাই। আমাৰ যিটো পৰম্পৰা নীতি সেই হিচাবে আলোচনা, সমালোচনা, দিহা পৰামৰ্শ দিব। আমিও পৰম্পৰা হিচাবে আশ্বাস দিও। ডাব্লিউং পি, টি বি, চিৰ ওপৰত যি পৰামৰ্শ দিছে তাৰ মূল সাৰাংশটো আপোনালোকৰ আগত কবলৈ ওলাইছো। যিটো বাজেট এচটিমেট ১৯৯৭/৯৮ ত দিছে—

The Grant No. 38 in the Budget Estimate, 1997-98, amounting to Rs. 70.845 crores is intended for implemetation of different schemes and programmes for SC/ST/OBC and MOBC people of the State. These schemes and programmes are prepared according to the various needs of these people who are the

weekest section of the society. The State Govt. have responsibility to promote the educational and economic interests of these people and accordingly the proposals in the form of schemes and programmes for the 1997-98 had been prepared.

The total budget estimate include the share of Central Government towards the Centrally Sponsored scheme and the Special assistance for SC and ST (P). The main task of the scheme is to promote the educational and economic interest of the people belonging to ST/SC/OBC and MOBC. A part from this, the Grant also includes proposals for providing non-plan funds for the Autonomus Councils set up for the Boros, Rabhas, Missings and Lalung Communities in the Plains district of the State. A part of the backward sector plan funds are also proposed for these councils.

The propsals also includes financial support in the form of share capital margin money etc. for the Assam Plains Tribes Dev. Corporation, Assam State Development Corporation for OBC and Assam State Dev. Corpn. for Scheduled Castes. These Corporations are providing loans to the needy people belonging to SC/ST and OBC communities from the funds received from the National level Corpn. set up by the Govt, of India for this purpose.

Shrt Rajendra Mushahary, Minister, WPT & BC–

The Govermment could emphasis on educational

programmes and for this purpose, substantial amount is provided towards the State share for the scheme of Post Matric Scholarships for the ST / SC students. Post Matric Scholarships are also awarded to OBC & MOBC students out of State Plan fund only. Besides scholarship at the prematric stage, are awarded to SC/ ST / OBC and MOBC students for which no Central share is provided. The rates of scholarship both prematric and post matric stage has since been enhanced.

* শ্ৰীনিজামুদ্দিন খান :– অধ্যক্ষ মহোদয়, কোন কোন অঁচলিত কিমান টকা ধৰা হৈছে এই খিনি বাজেটত আছে । এইখিনি আলোচনা নকৰিলেও হব । আমি যি বিলাক প্ৰশ্ন কৰিছো তাৰ স্পষ্টীকৰণ দিব লাগে ।

* শ্ৰীগহীন দাস :— এচ, চি, ডেভেলপমেণ্ট কৰ্পোৰেচনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ যিটো টকা আৰু অসম চৰকাৰৰ যিটো চেয়াৰ আছে তাৰে কাম কৰা হয় । কেন্দ্ৰীয় চৰকাৰে চেন্ট্ৰেল এচিছষ্টেন্স দিবলৈ হেমাহী কৰিছেনেকি ?

Mr. Speaker : No direct Question, no direct answer. Hon'ble members should address to the chair and look at the chair.

* শ্ৰীৰাজেন্দ্ৰ মোছাহাৰী : (মন্ত্ৰী, দব্লিও, পি, টি ) অধ্যক্ষ মহোদয়, আমাক মাননীয় সদস্যসকলে বহুতো পৰামৰ্শ দিছে তাৰ কাৰণে ধন্যবাদ দিছো । সেই হিচাবে মই থূল মূল কৰি উত্তৰ দিছো ।

* শ্ৰীনিজামুদ্দিন খান : - অধ্যক্ষ মহোদয়, আমি যিবিলাক উত্থাপন কৰিছো তাৰ উত্তৰ দিব লাগে । এ, টি, ডি, এই টকা খৰচ কৰি কিছুমান কেলেণ্ডাৰ ছপা কৰিছে যিবিলাকত প্ৰেছৰো নাম নাই । সেই অভিযোগ বিলাক তদন্ত কৰিব লাগে ।

---

Speech not corrected

* শ্ৰীৰাজেন্দ্ৰ মোছাহাৰী ঃ ( মন্ত্ৰী, দব্লিও, পি, টি ) ঃ— অধ্যক্ষ মহোদয়, স্পেচিফিক কেচ থাকিলে মোৰ দৃষ্টিগোচৰ কৰিব।

মাননীয় অধ্যক্ষ ঃ— বিতৰ্কৰ সময়ত মাননীয় সদস্য সকলে যিবিলাক বিষয় চুইছে সেই বিলাকত গুৰুত্ব দি কব লাগে।

* শ্ৰীৰাজেন্দ্ৰ মোছাহাৰী ঃ ( মন্ত্ৰী, দব্লিও, পি, টি ) ঃ — অধ্যক্ষ মহোদয়, মই কবলৈ ওলাইছো মাননীয়া সদস্যা শ্ৰীপ্ৰমীলাৰাণী ব্ৰহ্মই যিবিলাক কথা উত্থাপন কৰিছিল সেই সম্পৰ্কত মই কব বিচাৰিছো। তেখেতে কৈছে যে, এচ, চি/এচ, টিৰ শিতানত যি টকা বাজেটত ধৰা হৈছে সেইটো চাফিচিয়েন্ট নহয়। আৰু পলিচিবিলাক মেইনটেইন হোৱা নাই বুলি কৈছে। ইৰিগেচন আৰু ইলেকট্ৰিফিকেচনৰ কামো হোৱা নাই। বহুতো বিভাগীয় বিষয়াই এচ, চি, আৰু এচ, টি শিতানত টকা মিচ এপ্ৰ'প্ৰিয়েচন কৰিছে বুলি কৈছে। বিভাগীয় মন্ত্ৰীৰ ওচৰত স্পেচিফিকেলি অভিযোগ আনিলে ব্যৱস্থা লোৱা হব। এ, টি, ডি, এৰ চি, ই, অৰ বিৰুদ্ধেও তেখেতে কৈছে। যোৰহাটৰ চেয়াৰমেনৰ নামত কোনোবা ভুৱা বেঙ্কৰ টকা দিয়া হৈছে বুলি কৈছে। কথাটো সঁচা দিয়া হৈছিল। কিন্তু আমি শাসনলৈ অহাৰ পিচতে আমাৰ দৃষ্টি গোচৰ হৈছে আৰু বিভাগীয় ভাবে তদন্ত কৰাৰ ব্যৱস্থা কৰিছো। ইতিমধ্যে ইয়াৰ তথ্য পোহৰলৈ অনাৰ বাবে ব্যৱস্থা কৰিছো। ৫০ হেজাৰ টকা লুইত পৰীয়া মিচিং কেবাঙৰ নামৰ ভুৱা অনুষ্ঠানক দিয়া হৈছে বুলি কৈছে। এই বিষয়টো এতিয়া প্ৰচেচত আছে।

* শ্ৰীমতী ৰেনুপমা ৰাজখোৱা ঃ — অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বিষয়ে এচ, চি আৰু এচ, টি কমিটিৰ ফালৰ পৰা তদন্ত কৰা হৈছে। মাননীয়া সদস্যা শ্ৰীপ্ৰমিলাৰাণী ব্ৰহ্ম আৰু মই নিজেও গৈছিলো। ইতিমধ্যে তদন্ত চলি আছে।

* শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী ঃ— ইয়াৰোপৰি মাননীয় সদস্য কেইগৰাকী মানে স্কলাৰশ্বিপৰ টকাৰ কথা উল্লেখ কৰিছে। স্কলাৰশ্বিপৰ টকা ৰেভিনিউ ডিপজিতৰ আগৰ চৰকাৰৰ দিনতে ৰখা হৈছিল। আমি এতিয়া এই টকা বিলাক লাহে লাহে মোকলাই দিয়াৰ ব্যৱস্থা কৰিছো। কোকৰাঝাৰ জিলাৰ

* Speech not corrected

আনটাইড ফাণ্ডৰ বিষয়ে যিটো কথা উল্লেখ কৰিছে সেই ১ লাখ ৬৫ হাজাৰ টকা উপায়ুক্তৰ জৰিয়তে দিয়া হৈছে। গতিকে এইটো এচ, পি, ডি, চি,ৰ চেয়াৰমেনৰ ওচৰত খবৰ কৰিলে এই টকাবোৰ ক'ত আছে বা ক'ত খৰচ কৰা হৈছে সেই বিষয়ে জানিব পাৰিব। 'আসাম প্লেইন ট্ৰাইৰচ্ ডেভেল-পমেণ্ট কৰ্পৰেচনৰ ১ কোটি ৫০ লাখ টকা ৰেভিনিউ ডিপ'জিটত ৰখা কথাটো সচঁা। এই টকাখিনি এতিয়ালৈকে খৰচ কৰা হোৱা নাই। কিন্তু এই টকা পৰিবহন বিভাগকো দিয়া নাই।

* শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম : অধ্যক্ষ মহোদয়, এই ডেৰকোটি টকা আগৰ চৰকাৰৰ দিনতে ৰেভিনিউ ডিপজিট ৰাখিছে। এতিয়া এই চৰকাৰে সেই টকাখিনি ঘূৰাই আনি খৰচ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ? May I request the Hon'ble Minister to bring the money back and utilise it in the greater interest of the people of Assam ?

* শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী : ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, এই ডেৰকোটি টকা এতিয়া ক'ত আছে মই নিজে নাজানো। মাননীয় সদস্য গৰাকীয়ে যদি জানে তেনেহলে মোক তথ্য সহকাৰে দিলে মই ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ তথ্য পাতি মতে এইটকাটো পৰিবহন বিভাগকো দিয়া বুলি মই গম পোৱা নাই। আমাৰ মাননীয় সদস্য সকলে বিভিন্ন ধৰণৰ আপত্তি দৰ্শাইছে যদিও আমাক সমালোচনা কৰা নাই। এই বিভাগৰ মঞ্জুৰী কম হৈছে বুলিছে তেখেত সকলে পৰামৰ্শ আগবঢ়াইছে। গতিকে মাননীয় সদস্যসকলে যিবোৰ দিহা পৰামৰ্শ আগবঢ়াইছে সেইবোৰ আমি নিশ্চয় চকু দিম আৰু তেখেত সকলৰ পৰামৰ্শ সমূহৰ ওপৰত পাৰ্য্যমানে বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

অধ্যক্ষ মহোদয়, ও. বি চি,ৰ উন্নতিৰ ক্ষেত্ৰতো বিৰোধী দলৰ সদস্য সকলে নানা ধৰণৰ দিহা-পৰামৰ্শ দিছে। তেখেত সকলৰ এই পৰামৰ্শ সমূহ মই মনত ৰাখিম আৰু ৰাস্তৱায়িত কৰাৰ কাৰণে চেষ্টা কৰিম। গতিকে এই বিভাগত যিটো মঞ্জুৰী বিচৰা হৈছে সেইটো যুক্তি-যুক্ত বাজেট হৈছে বুলি মই ভাবো। মই মাননীয় সদস্য সকলক অনুৰোধ কৰিম বৃহত এচ, চি/এচ, টি/ও, বি, চি ৰাইজৰ স্বাৰ্থত যাতে

* Speech not corrected

তেওঁলোকে কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ এই মঞ্জুৰীৰ প্ৰতি পূৰ্ণ সমৰ্থণ জনায় তাৰ বাবে মই অনুৰোধ জনালো।

* শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, কেলেণ্ডাৰ প্ৰিন্ট কৰা সম্পৰ্কত মই এটা কথা সুধিছিলো । এই কেলেণ্ডাৰ সমূহ কোন প্ৰেছে প্ৰিন্ট কৰিছে তাৰ নাম নাই। গতিকে এই ক্ষেত্ৰত কিমান টকা খৰচ কৰা হ'ল আৰু আৰু কেনেকৈ খৰচ কৰা হ'ল সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ে একোৱেই নকলে।

* শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এনে ধৰণৰ কথা বিলাকৰ ক্ষেত্ৰত মোক নিৰ্দ্দিষ্ট তথ্য পাতি সহকাৰে জনালে সেই বিষয়ত তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে সেই উত্তৰত আমি সন্তুষ্ট হব পৰা নাই। আমি কিছুমান কথা স্পেচিয়েল ভাবে উত্থাপন কৰিছিলো যদিও তেখেতে সেইবোৰৰ উত্তৰ নিদিলে। ডব্লিউ, পি, টি, বিভাগৰ কাৰণে যি মঞ্জুৰী বিচাৰিছে সেইটো ষ্টেট চেয়াৰ নে চেণ্ট্ৰেল চেয়াৰ সেই বিষয়ে তেখেত জ্ঞাত নহয়। এচ, চি/এচ, টি,ৰ স্কলাৰশ্বিপৰ টকা ১৯৯২ চনৰ পৰা দিব পৰা নাই। সেই ধন আজিও জমা হৈ আছে। গতিকে এই টকা বিলাক মোকলাই দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নে নাই। তাৰোপৰি ট্ৰেন্সপ'ৰ্ট বিভাগৰ যিটো টকা দিয়া বুলি আজি সদনত উত্থাপিত হৈছে সেই সংক্ৰান্তত আমাৰ হাতত তথ্য পাতি আছে। ১ কোটি ৫০ লাখ টকা বিত্ত বিভাগৰ অনুমোদন লৈ ডাইভাৰ্ট কৰা হৈছে বুলি কৈছে। কিন্তু মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যদি এই টকাখিনি বিত্ত বিভাগৰ অনুমোদন নোলোৱাকৈ ডাইভাৰ্ট কৰা হৈছিল তেনেহলে এই ক্ষেত্ৰত যিজন বিষয়া দোষী তেওঁৰ ওপৰত শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিবনে? এইটোৰ উত্তৰ পালে মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লম।

শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, তেনেকুৱা ধৰণৰ স্পেচিফিক প্ৰশ্ন থাকিলে বাজেট আলোচনাত নানি বেলেগে প্ৰশ্ন উত্থাপন কৰা ভাল আছিল। তথাপি এই বিষয়টো মই চাম।

---

* Speech not corrected

শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম : এই টকাখিনি ঘূৰাই অনাৰ কাৰণে যদি মন্ত্ৰী মহোদয়ে আমাক এচুৰেঞ্চ দিয়ে তেনেহলে মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লম।

শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী : (মন্ত্ৰী) যদি এইটো সঁচা হয় তেনেহলে মই ঘূৰাই অনাৰ ব্যৱস্থা কৰিম।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ও আমাৰ নিজৰে মানুহ। এই গোষ্ঠীৰ বাইজসকল অতি পিচপৰা বুলি স্বীকৃতি দিয়া হৈছে আৰু তেওঁলোকৰ বাবে বিজাৰ্ভেচনবো ব্যৱস্থা কৰা হৈছে। গতিকে আমি পিচপৰা মন্ত্ৰীৰ পৰা ইয়াতকৈ বেছি ক্ৰিয়াৰেঞ্চ বিচৰাটো ভুল।

Mr. Speaker : Now, Mr. Sambhusingh Mallah, will you please withdraw your Cut Motion ?

শ্ৰীশম্ভুসিং মাল্লা : অধ্যক্ষ মহোদয়, আমি আমার কর্তন প্রস্তাবটি উইড্র করলাম।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ও, বি, চি, ডেভেলপমেণ্ট কৰ্পৰেচন গ্ৰেণ্ট সম্পৰ্কে এষাৰো কথা উচ্চাৰণ নকৰিলে। এই বিষয়ে অলপ কোৱা হলে ভাল আছিল।

শ্ৰীৰাজেন্দ্ৰ মুছাহাৰী : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, আমি ও, বি, চি, ডেভেলপমেণ্ট কৰ্পৰেচনৰ চেয়াৰ ইনক্ৰিজ কৰা সম্পৰ্কে ইতিমধ্যে চোৱা চিতা কৰিছো। সম্ভৱ হলে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : অধ্যক্ষ মহোদয়, মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker : Is it the pleasure of the House withdraw the Cut Motion ?

Now, the Cut Motions are withdrawn. I now put the main Motion. The Motion is that a sum of Rs. 70,84,59,000 be granted to the Minister in-charge, necessary to defray the charges which will come in

course of payment during the year ending 31st March, 1998, for the administration of "Welfare of Scheduled Castes/Schedule Tribes and Other Backward Classes, etc.

Those who are in favour of the Motion, say Ayes, those who are in against the Motion, say Noes.

Ayes have it,
Ayes have it,
Ayes have it.

The Motion is passed, i. e., Grant No. 38 is passed.

The House now stands adjourned till 3 P.M. today

( The House reassembled at 3.00 P.M. today, the 21st March with the Deputy Speaker on the Chair )

Mr. Deputy Speaker : Now Grant No. 36. Hon'ble Minister for Labour & Employment to move.

শ্ৰীফণী ভূষণ চৌধুৰী : ( মন্ত্ৰী ) মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপাল অনুমোদন সাপেক্ষে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯৮ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোত প্ৰশাসনৰ বাবে ব্যয় বহন কৰিবলৈ 'শ্ৰম আৰু নিয়োগ' প্ৰশাসনৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ২৫, ৩৬, ৭৭,000 টকা মঞ্জুৰ কৰা হওঁক।

Mr. Deputy Speaker : These are two cut mention notices on this grant standing in the name of the following Hon'ble Members :

1. Shri Sambhusingh Mallah
   Shri Sukhendu Sekhar Dutta
2. Shri Rameswar Dhanowar
   Shri Etuwa Munda
   Shri Joy Chandra Nagbangshi
   Shri Prithibi Majhi and
   Shri Sarat Borkataky

I now request the Hon'ble Member Shri Sambhusingh Mallah to move.

Shri Sambhusingh Mallah : Sir, I beg to move that the total provision of Rs. 25, 36, 77,000 under Grant No. 36 in respect of LABOUR AND EMPLOYMENT at pages 1-40 of Volume II, part III of the Budget for 1997-98 be reduced to Re. 1.00 i. e., the amount of the whole Grant of Rs. 25, 36, 77,000 do stand reduced to Re. 1.00

Mr. Deputy Speaker : I now request the Hon'ble Member Shri Rameswar Dhanowar to move.

Shri Rameswar Dhanowar : Sir, I beg to move that the total provision of Rs. 25, 36, 77, 000 under Grant No. 36 in respect of "LABOUR AND EMPLOYMENT" at pages – 140 of Volume II, part III of the Budget for 1997-98 be reduced to Re. 1·00 i. e., the amount of the whole grant of Rs. 25, 36, 77,000 do stand reduced to Re. 1.00

Mr. Deputy Speaker : I now call upon Shri Sambhushingh Mallah, Shri Sukhendu Sekhar Dutta, Shri Rameswar Dhanowar, Shri Etowa Munda, Shri Joy Chandra Nagbangshi, Shri Prithibi Majhi and Shri Sarat Borkataky to speak.

শ্রীশম্ভু সিং মাল্লা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৩৬ নং গ্রান্টের উপর যে কর্তন প্রস্তাব এসেছে তার সমর্থন করে ২/১ টা কথা বলব।

প্রথমতঃ আসামে যে লেবার এক্টি আছে তার প্রভিশনগুলি ঠিক ঠিক ভাবে চা বাগানে ইম্পিলিমেন্ট করা হচ্ছেনা। চাহবাগান গুলিতে যে সব গরীব চা শ্রমিক রাতদিন বড়বৃষ্টি উপক্ষা করে চলেশে কাতা করে বিনিময়ে তাদের মিনিমাম ওয়েজ পর্য্যন্ত দেওয়া হয় না। এই অবস্থা আমরা

অনেক চা বাগানে দেখতে পাচ্ছি। এটা অত্যন্ত দুঃখের বিষয়। মহোদয়, আসাম সরকারের বিভিন্ন বিভাগের কর্ম-চারিরা বা শিক্ষকরা ব্রহ্মপুত্র ভেলীতে যা বেতন পান, বরাকভেলীতেও তারা একই বেতন পান। কিন্তু চা বাগানের শ্রমিকের ব্যাপারে পার্থক্য আছে। এই বৈষম্য দূর করে ব্রহ্মপুত্র ও বরাক ভেলীতে চাহ বাগানের শ্রমিকদের ওয়েজেস এক করার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি। মহোদয়, চাহ বাগানের শ্রমিকরা মেডিকেল বেনিফিট পায় না। অনেক বাগানে হাস্পাতাল থাকলেও ডাকতার নেই। ফলে চাহ বাগানের গরীব শ্রমি-করা চিকিৎসার সুযোগ সুবিধা পাচ্ছে না। বাগানের হাস্পাতাল-গুলির অবস্থাও করুন। হাস্পাতালে বেড নেই, মেডিসিন নেই, নার্চ ডাক্তর নেই। এগুলি সুবিধা যাতে চাহ বাগানের শ্রমিকরা পায় তার ব্যবস্থা করার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

মহোদয়, আমার সমষ্টিতে কয়েকটা চাহ বাগান আছে -- যেমন সিংলা-চড়া, চরগোলা, মাগুরাছরা ইত্যাদি। এগুলোর অবস্থা দেখলে চোখে জল আসে। অনেকদিন ধরে এই বাগানগুলির ফেক্টরী বন্ধ হুয়ে আছে। ঐসব বাগানের শ্রমিকরা ২৫/৩০ কিঃ মিঃ পায়ে হেটে অন্য চাহ বাগানে গিয়ে কাজ করে। ভোর ৫ টায় ঘর থেকে বের হয়ে কাজ শেষ করে রাত ৮/৯ টায় ঘরে ফিরে আসে। আমি নিজের চোখে দেখেছি--- শীতের দিনে শ্রমিকরা বস্তা গায় দিয়ে শীত কাটার্চ্ছে। অত্যন্ত করুন এদেব অবস্থা। অথচ জমির মালিকনো এবং অন্যান্য সমস্যা নিয়ে বাগান গুলি জড়িয়ে পরেছে। মামলা এখনো পেণ্ডিং রয়েছ। অথচ সরকাব কোনেও ইন্টারেষ্ট নিচেছ না এই সমস্যাগুলি দূর করতে। যার কারনে বাগানের হাজার হাজার শ্রমিক নাখেয়ে মরতে চলেছে। তাই আমি এই বিভাগের মন্ত্রী মহোদয়কে অনুরোধ করিতেছি যাতে অতি শীঘ্রে ঐ বাগানগুলির ম্যানেজিং ডিরেক্টর যিনি কলকাতায় থাকেন তাকে দিশপুরে ডেকে বৈঠক করে, আলাপ-আলোচনার মাধ্যমে সব সমস্যার সমাধান করে যাতে বাগানগুলিকে আবার চালু করা হয়। আমি এম ডি কে অনুরোধ করেছিলাম এবং তিনিও আশ্বাস দিয়ে-

ছিলেন যে আমাদের সঙ্গে দেখা করবেন। কিন্তু কথা দিয়েও তিনি দেখা করেন নি।

মহোদয়, চাহ বাগানের শ্রমিকদের ঘর লেবার এক্ট অনুযায়ী হওয়া উচিৎ। কিন্তু অনেক বাগানের লেবারদের ঘর পাকা করা হয় নি। সেনিটারী লেট্রিনের ব্যবস্থা নেই। পানীয় জলের ব্যবস্থা বলতে একটি মাত্র কুয়ো আছে—যার জল অমনক দূর থেকে লেবারদের সংগ্রহ করতে হয়। এইসব সমস্যার সমাধান খুব তাড়াতাড়ি করার জন্য অনুরোধ করছি। মহোদয়, চাহ বাগানগুলির বেশীরভাগ হেড্ অফিচ কলিকাতায় রয়েছে। ফলে ছোট বড় কোনও সমস্যা দেখা দিলে কর্তাদের সঙ্গে সব সময় যোগাযোগ করা যায় না। আর কলিকাতায়তো সবার পক্ষে যাওয়া আসা করা সম্ভবপর নয়। তাই এই হেড অফিচগুলি অতি সত্বর আসামে আনার জন্য আমি দাবী করছি।

তাছাড়া সিংলাছড়া, মাগুরাছরা চাহ বাগান বর্তমানে বন্ধ থাকায় চারাবাড়ীতে গরু ছাগল ঢুকে সব চারা গাছে নষ্ট করছে। মেনেজমেন্ট কোনও দেখা-শোনা করছে না। প্রকৃতপক্ষে ঐসব বাগানের একমাত্র সম্পত্তি হলো ওদের জমিটুকু। আর ঐসব জমি বাইরের মানুষ এসে দখল করে নিচ্ছে। এসব রোধ করার জন্য সংশ্লিষ্ট মন্ত্রী মহোদয়কে আমি অনুরোধ করছি।

মহোদয়, চাহ বাগানের গরীব শ্রমিকদের ছেলেমেয়েরা আর্থিক দুরাবস্থার জন্য উচ্চ শিক্ষা গ্রহণ করতে পারছে না। কোনও ছেলে যদি উচ্চ মাধ্যমিক পরীক্ষা পাশ করে তবে টাকার অভাবে কলেজে পড়তে পারে না। কারন শহুরে ঘর ভাড়া করে তাদের পক্ষে পড়াশুনা চালিয়ে যাওয়া সম্ভব নয়। তাই এইসব ছেলেদের পড়াশুনার ব্যবস্থা করার জন্য শহুরে ফ্রি হোষ্টেলের ব্যবস্থা করার জন্য আমি দাবী করছি।

মহোদয়, আমি দেখেছি যে বরাকভেলীতে চাহ বাগানের শ্রমিকরা অবসরের পর অনেকদিন যাবৎ প্রভিডেণ্ড ফাণ্ডের টাকা পায় না। অনেক কেস পেণ্ডিং হয়ে আছে। তাই তারা যাতে তাদের প্রভিডেণ্ড ফাণ্ডের এবং গ্র্যাচুয়িটির টাকা শীঘ্রে পায় তার ব্যবস্থা করার জন্য দাবী করছি। আর চাহ বাগানের স্থানীয় ছেলেরা যাতে বাগানে চাকরী পায় তায়

ব্যৱস্থা করার জন্য দাবী করছি। কারণ আমি লক্ষ্য করেছি যে বাগানে যোগ্য প্ৰাৰ্থী থাকা স্বত্বেও বাইরে থেকে মেনেজমেণ্ট ইচ্ছা-মতো লোক এনে নিয়োগ করে। এটা বন্ধ করতে হবে। এই বলে আমি আমার বক্তব্য শেষ করছি।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰম আৰু নিয়োগ বিভাগৰ এই কৰ্ত্তন প্ৰস্তাৱ যিটো দিশো এটকালৈ কমাব লাগে বুলি এইটোৰ আচলতে পক্ষপাতি নাছিলো। কিন্তু প্ৰতিজন নথকা কাৰণেই দিবলগীয়া হলো। এতিয়া শ্ৰম আৰু নিয়োগ বিভাগটো এটা বৃহত দপ্তৰ। ইয়াৰ ভাগত বহুত ঠাই কভাৰ কৰিবলগীয়া হয়। এতিয়া আমাৰ প্লান্টেশ্বন ওৱাৰ্কাৰ কথা কবলৈ বিচাৰিছো। লেবাৰ কমিশ্বনাৰ ডেপুটি লেবাৰ কমিশ্বনাৰ এচিচ্‌টেন্ট লেবাৰ কমিশ্বনাৰ আৰু ইন্সপেক্টৰ সকলৰ আছে। কিন্তু প্লান্টেশ্বন লেবাৰ এক্টৰ দ্বাৰা যিখিনি কভাৰ কৰে সেইখিনি সম্পুৰ্ণ ভাবে ইমপ্লিমেন্ট কৰিব পৰা নাই অফিচাৰ সকলৰ গাফিলতিৰ কাৰণে চাহবাগানৰ কাৰণে থকা আইনবোৰ আৰু আইনত থকা প্ৰতিজনবোৰ কাৰ্য্যকৰী কৰিব পৰা নাই। সম্পূৰ্ণ বিফল হৈছে। এটাসৰ ধাৰণৰ কথা যে ইন্সপেক্টৰ বা অফিচাৰে তলৰ লেভেলৰ পৰা আইনৰ প্ৰতিজনৰ ওপৰত ব্যৱস্থা লবলৈ যাওঁতে শেষ ব্যৱস্থা হিচাবে প্ৰচিকিউশ্বন কৰিব লাগে কিন্তু তাৰ কাৰণে কমিশ্বনাৰ অফিচাৰৰ পৰা অনুমতি লব লাগে। চৰকাৰে তেনে ক্ষেত্ৰত তিনি মাহৰ ভিতৰতে কেচ ফাইল কৰিব লাগে যদিও কি যাহুমায়াৰ বশৱৰ্ত্তী হৈ কমিশ্বনাৰ অফিচৰ পৰা মাত্ৰ এক সপ্তাহ আগতে এপ্ৰোভেল আহি পায়। তাৰ পিচত এক সপ্তাহৰ ভিতৰত কেচ ফাইল কৰাগৈ নহয়। প্ৰচিকিউশ্বন কেচ ফাইল কৰা নহয়। কৰিব নোৱাৰে এনেকুৱা উদাহৰণ বহুত আছে। তাৰ উপৰিও মেটাৰনিটি বেনিফিট এক্‌টৰ কথাও কব বিচাৰিছো। এই মেটাৰনিটি বেনিফিট এক্টখনো কাৰ্য্যকৰী হোৱা নাই। প্লেণ্টেশ্বন লেবাৰ এক্ট মতে ইন্সপেক্টৰ এজনৰ সম্পূৰ্ণ পাওয়াৰ আছে ক্ষমতা আছে। এক্ট-খন কাৰ্য্যকৰী কৰিবলৈ কিন্তু সকলো ক্ষেত্ৰতে ফেইল কৰি আছে। এইখিনি কৰিবলৈ যাওঁতে চাৰি-পাচ বছৰ সময় লয়। ফলত গৰ্ভৱতী

---

* Speech not corrected

মাইকী জনীয়ে পাবলগীয়া কোনো সুবিধাই পাবলৈ সমৰ্থ নহয়। তেনেকৈ গ্ৰেচুইটিৰ ক্ষেত্ৰতো সৰু-সুৰা বাগান বিলাকত কাম বিলাক হোৱা নাই। জিলা পৰ্য্যায়ত যিবিলাক এচিচ্‌টেণ্ট লেবাৰ কমিশ্বনাৰ ইন্সপেক্টৰ আদি আছে তেওঁবিলাকে টি-এ ডি-এ আদি নাপায় কাৰণে যাব নোৱাৰে। গাড়ী ঘোঁৰাৰ অভাৱ। টেলিফোন নাই। কাগজ পাতিও নিজেই কিনিব লাগে। ফলত তেওঁলোকে আইন কাৰ্য্যকৰী কৰিবলৈ মোভমেণ্ট কৰিব নোৱাৰে। এইটো বৰ পৰিতাপৰ কথা। এই ব্যৱস্থাই কাৰ্য্যকৰী কৰণত বিৰাট আঘাট কৰিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক এই বিভাগটো গিয়াৰ-আপ কৰিবলৈ ব্যৱস্থা লবলৈ অনুৰোধ জনাইছো। এই আইন বিলাক কাৰ্য্যকৰী কৰিবলৈ লেবাৰ বিভাগটো বেয়াকৈ ফেইলৰ হৈছে বুলি মই কব খোজো। আন এটা কথা হ'ল ওৱাৰ্কম্যান কমপেনচেশ্বন এক্টখনৰ কাৰণে দহজন এচিচ্‌টেণ্ট লেবাৰ কমিশ্বনাৰক পাওৱাৰ দিয়া হৈছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই। ওৱাৰ্কম্যান কমপেনচেশ্বন এক্টশ্বন কি ভাবে নোটিছ কৰিব লাগে কি ধৰণে প্ৰচিডিউৰ ফল কৰিব লাগে। কোনো আভাস নাই কাৰণে আৰু ট্ৰেইনিং আদি নাই কাৰণে অসুবিধা হৈছে। অন্ততঃ দুই তিনি দিনৰ কাৰণে হলেও সেই সকলক ট্ৰেনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেইটো নকৰাৰ ফলত হাইকোৰ্টত বহু বিলাক কেচ পেণ্ডিং হৈ আছে। ট্ৰেইনিং নথকাৰ কাৰণে সুৰুঙা বিলাক থাকি যায় আৰু সেই সুৰুঙাৰে হাইকোৰ্টত পৰি ৰয়। শ্ৰম মন্ত্ৰী ডাঙৰীয়াই নিজে সদনৰ মজিয়াত আগতে স্বীকাৰ কৰিছে যে বহু ঠাইত নাৰ্চ ডাক্তৰ দিব পৰা নাই। ফলত মহৰীয়েও বেজী দিয়ে। ষ্টাফৰ কাম কৰে। মেডিকেলৰ পৰা ধৰিলে এইবিলাক চিৰিয়াচ কথা। কেচ হব। ৰিপোৰ্ট খুলিলেই গম পাব এই বিলাক হৈয়েই আছে। অলপ কঠোৰ ব্যৱস্থা লব লাগে নহলে বিভাগীয় আইনৰ সুবিধাৰ পৰা শ্ৰমিকসকল বঞ্চিত হৈয়েই থাকিব। শিৱসাগৰ আৰু পুৰণা কাচাৰ জিলাৰ বাহিৰে আন প্ৰাইমাৰী স্কুল বিলাক চৰকাৰে ললে যদিও ডিব্ৰুগড় তেজপুৰ আদি ঠাইত বাগানেই চলাই আছে। আইন মতে এখনকৈ স্কুল থাকিব লাগে কিন্তু

ৰিপোৰ্ট ললে পোৱা যাব বহুত বাগানত স্কুল নাই। শ্ৰমিকক স্কুল দিব নোৱাৰিলে প্ৰচিকিউট হ'ব লাগে কিন্তু সেইটো কৰিব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আই, টি, আই,ৰ বিষয়ত মই অলপমান কব খুজিছো। শ্ৰম বিভাগটো আকাশ পাতাল জোৰা। আই, টি, আই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বোধহয় জানেই যে পুৰণা মেচিনাৰী বিস্প্ৰেচ আৰু মেৰামতিৰ কাৰণে বিশ্ব বেংকে টকা দিছিল। কিন্তু এতিয়ালৈকে টকাখিনি খৰছ কৰা হোৱা নাই। সেই ৩২৭ লাখ টকাৰ ভিতৰত ৮৩ লাখ টকা এতিয়াও আছে। এইবাৰ বাজেট ব্যৱস্থাত দেখিছো ১১০ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে। সেই অনুপাতে দেখা যায় মুঠতে ৪৩৩·৬৩ লাখ টকা এড্ভাঞ্চ দিয়ে আৰু ডিচেম্বৰ মাহৰ ভিতৰতে সেই টকা খৰছ কৰিবও লাগিব। বাজেটৰ ১১০ লাখ টকা প্ৰভিজনৰ ভিতৰত ১০৭ লাখ টকা ডেফিচিত আছে। গতিকে এই ক্ষেত্ৰত এটা ব্যৱস্থা শ্ৰম মন্ত্ৰী মহোদয়ে লব বুলি আমি আশা ৰাখিলো। এই বিশ্ব বেংকৰ পৰা টকাৰ পৰাই পুৰণা মেচিনেৰী বিলাক মেৰামতি কৰিবৰ কাৰণে টকা ধাৰ্য্য কৰিব লাগে। আজি তিনি-চাৰি বছৰমান হ'ল পি, ডব্লিউ, ডি, বিভাগে চিভিল ওৱৰ্কচ বিভাগৰ ৮৯·৪৪ লাখ টকা দিয়া হৈছিল। আজিলৈকে কিন্তু ইটা এচপৰাও বা বালি অলপো নপৰিল। কি ব্যৱস্থা কৰিছে আৰু কি কাৰণত টকা খৰছ কৰা নহল একো বুজা নগল। কিন্তু ইতিমধ্যে ই পি, ডব্লিউ, ডি, বিভাগে চিভিল ওৱৰ্কচ বিভাগৰ এই টকাখিনি দি দিছে। আমাৰ ১৩১ খন আই, টি, আই, আছে আৰু লগতে পাঁচখন ওমেন আই, টি, আই আছে। আমাৰ যিবোৰ পুৰণি ডাঙৰ আই, টি, আই আছে তাত যিসকলে প্ৰশিক্ষণ লয় সেই সকলক প্ৰশিক্ষণ দিবৰ কাৰণে যিবিলাক কেচা সামগ্ৰী কিনিব লগীয়া হয় সেইখিনি নন প্লেন হেডৰ পৰা দিয়া হয়। কিন্তু চৰকাৰে ২-৩ বছৰ মানৰ পৰা এই টকাটো নিদিয়াৰ কাৰণেই ট্ৰেইনিংবিলাকে ট্ৰেইনিংৰ ক্ষেত্ৰত সুবিধা পোৱা নাই। ফলত যিদৰে টকা দি ড্ৰাইভিং লাইচেন্স লব পাৰি কিন্তু ইনটাৰভিউত ফেল হয় সেইদৰেই এই প্ৰশিক্ষাৰ্থী সকলেও প্ৰেক্টিকেল কৰিব নোৱাৰাৰ কাৰণে আই, টি, আইৰ

পৰা ওলাই গৈ অন্য ঠাইত কমপিট কৰিব নোৱাৰে। গতিকে এই-খিনি টকা প্ৰশিক্ষাৰ্থী সকলৰ উপকাৰৰ অৰ্থে চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত আমাৰ যিসকল ইন্সট্ৰাকটৰ আছে সেই সকলেও এই পুৰণি বস্তুকে লৈ মেগেলাই থাকে। ইন্সট্ৰাকটৰ সকলক আধুনিকিকৰণ কৰিবলৈ অন্য ঠাইলৈ প্ৰশিক্ষণৰ কাৰণে পঠিওৱা হয় কিন্তু পুৰণি সামগ্ৰীৰে প্ৰশিক্ষণ দি থাকিব লগীয়া হোৱা কাৰণে আমাৰ লৰা বিলাকৰ কুৱালিটি দিটৰিয়েট কৰিছে। আমাৰ আই, টি, আই, ৰ পৰা পাছ কৰি ফিটাৰেও বাহিৰত যা বাগানত ফিটাৰৰ পৰীক্ষা দি কমপিট কৰিব নোৱাৰি ফেইলৰ হৈছে।

আও পুৰণি বস্তুৰে আমাৰ পুৰণি দিনৰ ইনচট্ৰাক্টৰ সকলে যি প্ৰশিক্ষণ দিয়ে সেই আজিৰ যুগৰ লগত খাপ খাব নোৱাৰে। আই, অ, চি, য়েও ট্ৰেনিং দিয়ে। তেওঁলোকে ফিটাৰ ওৱেদাৰ আদি যিবোৰ ট্ৰেনিং দিয়ে সেই-বোৰ বহু ওপৰত। গতিকে এইখিনি ব্যৱস্থা কৰি ইন্সট্ৰাক্টৰসকলক নতুন ধৰণৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে লগতে আই, টি, আইত্তয়ে বিলাকত নতুন মেচিনাৰিৰ ব্যৱস্থা কৰিব লাগে। আই, টি, আইবিলাকত আৰু এটা ডাঙৰ ভেকুৱাম হৈ আছে। বহুত ইন্সট্ৰক্টৰৰ পদ ভেকুৱাম হৈ আছে। ইনচট্ৰক্টৰ নোহোৱাকৈ ট্ৰেনিং কেনেকৈ দিব ? ইয়াৰ ফলত ট্ৰেনিঙৰ কাৰণে যিবিলাক ইনন্টাৰভিউ দি পাছ কৰি লৰা-ছোৱালী আহে ইন্সট্ৰাক্টৰ নোহোৱাৰ কাৰণে তেওঁলোকে ভাল শিক্ষা নাপায়। এইখিনি সোনকালে ফিলাপ কৰাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো। লেবাৰ বিভাগত আই, এচ, আই, বুলি এটা বিভাগ আছে। তাত এটা মেডিকেলৰ ব্যৱস্থা আছে। সেইটো হ'ল আমাৰ ৰাজ্য চৰকাৰে ১ টকা খৰছ কৰিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি ৭ টকা ঘূৰাই পোৱাৰ ব্যৱস্থা আছে। গতিকে আমি এই ক্ষেত্ৰত গুৰুত্ব দিব লাগে কাৰণ এতিয়াও ভাৰত চৰকাৰৰ পৰা সুফল লাভ কৰিব পৰা নাই। ১ টকা খৰছ কৰি যদি ৭ টকা পাওঁ তেতিয়া হলে এই সুবিধাটো লোৱাৰ কাৰণে মই শ্ৰম বিভাগক দাবী জনাইছো। যোৱা তুবছৰমানৰ পৰা লেবাৰ ডিপাৰ্টমেণ্টে অন্ড এজ ৰিহবিলিটেচন গ্ৰাণ্টৰ ওপৰত ১০ লাখ টকা ধৰিছে। কিন্তু কাৰ গাফিলতিৰ কাৰণে কব নোৱাৰো এই টকাখিনি যদিও

এক্সটি গার্ডেন বা টি, গার্ডেনৰ অল্ড এজ ৰিহেবিলিটেচনত এই ১০ লাখ টকাৰ শতকৰা ৫০ ভাগ টকাও ডিচবার্চ নহল। চাহ বাগানবিলাকত বুঢ়া-বুঢ়ি নাই নেকি? আচলতে তেওঁলোকক জনোৱাই নহল। দৰ্খাস্ত খোজা হলে কমেও ১০-২০ লাখমান দৰ্খাস্ত আহিলহেঁতেন। কিন্তু সুখুজিলে। এতিয়া এই টকাটো হৰলুকি মায়াত সোমাই পৰিল যেন পাইছো। শ্ৰম বিভাগত টি, এমপ্লিই ওৱেলফেয়াৰ বোৰ্ড নামে এটা বোৰ্ড আছে। তাৰ পৰা তিনিটা কমিউনিটি ওৱেলফেয়াৰ চেণ্টাৰ খুলিছে। এটা হ'ল আঠাবাৰী, লাকুৱাত এটা আৰু চেকনিত এটা। এই ঘৰ কেইটা বন্ধ কেতিয়াবাই হৈ গ'ল কিন্তু এতিয়াও টেক ওভাৰ কৰা নাই। ফলত ঘৰটো ভাঙি গৈছে। আকৌ মেজেঙা ওয়েলফেয়াৰ ট্ৰেনিং চেণ্টাৰ এটা আছে। তাত শ্ৰম বিভাগৰ ফালৰ পৰা ২২ হাজাৰ ৫০০ শ মান টকা দিয়ে। কিন্তু আচলতে খৰচ হয় ৫ লাখ টকা। এই ব্যৱধানটো থকাৰ ফলতেই যিবোৰ ছোৱালীয়ে তাত ট্ৰেনিং লবলৈ আহে তেওঁলোকে তাত খাবলৈ নাপাই গুচি যায়। গতিকে তাত ৫ লাখ মান টকা ধৰি দিব লাগে। আচলতে তাত ৫ লাখ মান টকাই খৰছ হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰবৈয়াত এটা ইণ্ডাষ্ট্ৰিয়েল ট্ৰেনিং চেণ্টাৰ এটা খোলা হৈছে। চৰকাৰৰ ফালৰ পৰা ২১ হাজাৰ ৫০০ টকা দিয়া হৈছে আৰু তাত ট্ৰেনিং দিওঁতে খৰছ হয় প্ৰায় ৫ লাখ টকা। তাত বিজুলী, ৰাজমিস্ত্ৰী আদিৰ প্ৰশিক্ষণ দিয়া হয়। এই বাগানৰ লৰাবিলাকে প্ৰশিক্ষণৰ পিচত বাগান বা অন্য ঠাইত কামত সোমাই খাব পৰা অৱস্থা হয়। গতিকে এই ট্ৰেনিং চেণ্টাৰটো টি, এমপ্লয়ি ওৱেলফেয়াৰ বোৰ্ডৰ অধীনলৈ আনিব লাগে। নহলেও আই, টি, আই,ৰ পৰা মানুহ আনি ট্ৰেনিঙৰ ব্যৱস্থা কৰিব লাগে। আমাৰ আসাম টি প্লেনটেচন প্ৰভিডেণ্ট ফাণ্ড এটা আছে। এইটো নতুনকৈ ডেভেলপ হৈছে। এই ক্ষেত্ৰত মই শ্ৰমমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এনে কিছুমান ব্যৱস্থা হাতত লব লাগে। লগতে আৰু এটা কথা যে কেইবছৰমান আগতে প্ৰভিডেণ্ট ফাণ্ডৰ টকা চেক চিচটেমত দিয়াৰ ব্যৱস্থা কৰিছিল। সেই বস্তুটো এতিয়াও চলি আছে। এই চিচটেমত একাউণ্ট-পেয়ি হোৱা কাৰণে মানুহজনৰ এটা একাউণ্ট থাকিব লাগিব। তাত চেকখন

জমা দিব লাগে। কিন্তু কিছুমান একাউন্টেই চেকৰ ক্ষেত্ৰত এনেকুৱা হৈছে যে নাম লিখাৰ ক্ষেত্ৰত গণ্ডগোল হয়। মই নিজেই বহুত কেইখন চেক ঘূৰাই পঠিয়াইছো। চেক-বেক কৰি যাওঁতে ২-৩ বছৰমান লাগে নহলে মানুহজনে নিজে বিচাৰ-খোচাৰ কৰিব লাগে। ইয়াতে আকৌ একাউন্ট নোখোলাকৈ চেক ভঙাই দিয়াৰ কিছুমান মানুহ ওলাইছে। ইউনাইটেড বেঙ্কত এই ব্যৱস্থাটোৰ কাৰণে প্ৰভিডেন্ট ফাণ্ডৰ টকাটো লগে লগেই জমা দি গোটেই টকাটো উইড্ৰ কৰে। নিজৰ একাউন্ট খুলিবলৈ টান পায়। ফলত মানুহবিলাক ঘূৰি ফুৰিবলগীয়া হয়। এই ব্যৱস্থাটো কি ধৰণে দূৰ কৰিব পাৰি সেইটো আলোচনা বিলোচনা কৰি এটা ব্যৱস্থা লব লাগে। শেষত শ্ৰম মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম শ্ৰম বিভাগত স্পেনটেচন বিভাগটোত এটা বণ্ডষ্টেপ নললে আমি বিষয়াসকলৰ পৰা বিশেষকৈ বিশেষ কাম আদায় কৰিব নোৱাৰি। কাৰণ এবাৰ ভিজিট কৰিবলৈ হলেও তেওঁলোকে গাড়ী বিচাৰে, আমি গাড়ী দিওঁ। ভিজিট কৰি ঘূৰি অহাৰ পিচত কোনো ফলোআপ একচন লোৱা দেখা নাই। কিন্তু পিচত ৰিপোৰ্টবোৰহে থিক হৈ আছে। মনিটৰিং আদি কৰাৰ কোনো ব্যৱস্থাই আমি এতিয়ালৈকে দেখা নাই। এই ক্ষেত্ৰত ব্যৱস্থা লবৰ কাৰণে শ্ৰম মন্ত্ৰী মহোদয়ৰ ওচৰত দাবী জনাই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত দু-আষাৰমান বক্তব্য ৰাখিলো।

* শ্ৰীবৃন্দাবন গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰম আৰু নিয়োগ বিভাগৰ বিভাগীয় মন্ত্ৰী মহোদয়ে উত্থাপন কৰা প্ৰস্তাৱৰ বিৰোধীতা কৰি যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰিছো আৰু ইয়াৰ সমৰ্থনত মই কব বিচাৰিছো যে এই বিভাগত প্ৰথমবাৰৰ কাৰণে বাজেট ব্যৱস্থা কৰাৰ কাৰণে আলোচনা কৰিবলৈ সুবিধা পাইছো। এইটো এটা চৰকাৰৰ অতি প্ৰয়োজনীয় বিভাগ। ইতিমধ্যে এই বিভাগৰ ওপৰত বিৰোধী পক্ষৰ সদস্য সকলে বহুখিনি কথাই কৈ গৈছে। সেয়ে মই দীঘলীয়াকৈ নকওঁ, তাতে সময়ত কম। গতিকে দুই-এটা বিষয়ত মই বক্তব্য ৰাখিম। নিয়োগৰ সম্পৰ্কত সেয়ে মই কব খুজিছো যে আজি আটাইতকৈ ভয়াবহ অৱস্থা হৈছে নিবনুৱা সমস্যাৰ ক্ষেত্ৰত। মই বিশেষকৈ চৰকাৰক এটা ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, সেইটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠানবিলাক। যেনে : ৰেলওৱে, ডাক, তাঁৰ আদি প্ৰতিষ্ঠানবিলাকত নিয়োগৰ

* Speech not corrected

ক্ষেত্ৰত থলুৱা আৰু স্থানীয় ডেকা-গাভৰুক বঞ্চিত কৰা হৈছে। ৰেলৱেৰ বিভাগত ২৪ হাজাৰ পদ খালী হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ নতুন অৰ্থনৈতিক নীতিত এই পদবোৰ বিলুপ্তি সাধন কৰা হৈছে। ইয়াত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ সমূহ ধৰিছে। দেখা গৈছে কাটিগড়াত যিমান লাগে তাতকৈ বেছি নিয়োগ কৰা হৈছে। উত্তৰ পূৰ্ব্বাঞ্চলৰ কেন্দ্ৰীয় যিবিলাক পদ পূৰণ কৰিবলৈ যায় এই অঞ্চলৰ যুৱক-যুৱতী সকলে অগ্ৰাধিকাৰ পায়। এই ক্ষেত্ৰত নতুন নিৰ্দ্দেশনা আছে। আমাৰ অঞ্চলৰ নিবনুৱা যুৱক যুৱতীসকলক যাতে সংস্থাপন কৰিব পৰা যায় তাৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগে। ৰাষ্ট্ৰীয় ডাক, বেংক আৰু অন্যান্য কেন্দ্ৰীয় প্ৰতিষ্ঠান আছে। এই বিলাকত দেখা যায় স্থানীয় যুৱক-যুৱতী সকল বঞ্চিত হৈ আছে। মই আশা কৰো কেন্দ্ৰীয় প্ৰতিষ্ঠান সমূহত আমাৰ যুৱক-যুৱতীসকলক অগ্ৰাধিকাৰ দিয়াৰ বাবে মনযোগ দিব। ৰেইলৱে ৰিক্ৰুইটিং বোৰ্ডৰ সদস্য এজন মাওলিক কাৰ্য্যালয়ত আছে তেখেত মিঃ দাস, এজন বিষয়া ৰাখিছে। তেওঁক লামডিঙলৈ বদলি কৰা হৈছে। বিভাগে এই বিলাকৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব লাগে যাতে আমাৰ স্বাৰ্থ সুৰক্ষিত হয়।

উপাধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰত যি ষ্টেট চিলেক্‌চন বোৰ্ড আছিল সেইটো ভঙ্গ কৰা হৈছে। নিয়োগৰ ক্ষেত্ৰত যাতে চৰকাৰে সুস্পষ্ট ব্যৱস্থা লয়, এইটো সোনকালে লব লাগে। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ পুৰণৰ বাবে ষ্টেট পল'চি লোৱা হয়। জিলা পৰ্য্যায়তে হওঁক এইটো সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এগ্ৰিকেলচাৰ ইঞ্জিনিয়াৰিঙত বেছি নাই, সত্তৰ জন মান আছে। তেওঁলোক নিবনুৱা হৈ আছে। এই ক্ষেত্ৰত আলোচনা হৈছে আৰু জনা গৈছে যে তেওঁলোকৰ প্ৰপাৰ টেক্‌নিকেল নাই। এই বিভাগৰ পৰা এগ্ৰিকেলচাৰ ডিপ্লোমা হ'লডাৰসকলক প্ৰশিক্ষণ দিয়া হয়। এগ্ৰিকেলচাৰ ইঞ্জিনিয়াৰিঙত ডিপ্লমা হ'লডাৰ আছে। এই বিভাগৰ জৰিয়তে নিয়োগৰ ক্ষেত্ৰত প্ৰতি বছৰে ৰখা হওঁক।

উপাধ্যক্ষ মহোদয়, মই আন এটা বিষয় লৈ আহিছো। চাহ শ্ৰমিক

সকলৰ নিৰ্দ্দিষ্ট এক্ট আছে। চাহ বাগিছা অঞ্চল সমূহত তেওঁলোকৰ সমস্যা সমূহ যাতে মীমাংসা কৰি অহা হয়। এই অঞ্চলৰ ক্ষেত্ৰত দেখা যায় যে মালিক গোষ্ঠীয়ে শ্ৰমিকসকলক অৱহেলা কৰি আহিছে। শ্ৰমিকসকলৰ স্বাৰ্থ চৰকাৰ আৰু শ্ৰম বিভাগে মনোযোগ দিয়া ভাল হব। এই সকলো বিলাকৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। কঠালগুৰি চাহ বাগিছাত যুগ যুগ ধৰি কিছুমান মানুহ বসবাস কৰি আছে। তাত তামোল, বাহ গছ আদি তেওঁলোকে ৰুইছে। সেইবিলাক উচ্ছেদ কৰি তাৰ মানুহখিনিক আনিব লগা হৈছে, এনেকুৱা অকল তাতেই নহয় বিভিন্ন ঠাইত হৈছে। ভৱিষ্যতে সেই ঠাইবিলাক শ্ৰমিক-সকলে লব পাৰে বুলি মালিকসকলে সন্দেহ কৰিছে।

উপাধ্যক্ষ মহোদয়, এজন শিশুৱে কিমান বয়সত কাম কৰিব লাগে ইয়াৰ বাবে নিৰ্দ্দেশনা আছে। তেখেতসকলে এইটো উলংঘা কৰিছে। এগৰাকী গৰ্ভৱতী মহিলাক কামত নিয়োগ কৰা হৈছে। চাহ বাগিছাৰ পৰা এই বিলাক অভিযোগ আহিছে। আমাৰ চৰকাৰে এইবিলাকত চকু দিব লাগে। চাহ বাগিছাৰ শ্ৰমিক সকলক ৰেচনৰ পৰা আদি কৰি সকলো সা-সুবিধা দিব লাগে। কিন্তু দেখা যায় মালিকসকলে এই ক্ষেত্ৰত অৱহেলা কৰি আহিছে। আগৰ আমাৰ এ, জি, পি, চৰকাৰ হৈ থকা সময়ত চাহ শ্ৰমিক সকলৰ যথেষ্ট কাম কৰা হৈছিল। আমাৰ সমাজখনৰ লগত যাতে তেওঁলোক সমানে আগবাঢ়ি আহে। তেওঁলোকক অসমীয়া সমাজখনৰ মূল সুঁতিলৈ আনিব লাগে। এইটো বিশেষ দৃষ্টি দি কাম কৰিব বুলি মই আশা ৰাখিছো। মই আৰু বেছি নকওঁ, আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো উত্থাপন কৰিছে তাক মই সমৰ্থন কৰিছো। আমাৰ বিৰোধী পক্ষই যি প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱ উঠাই লৈ আমাৰ চৰকাৰৰ লগত সহযোগিতা আগ বঢ়াব বুলি অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Sukhendu Sekhar Dutta: Hon'ble Deputy Speaker Sir, this Cut Motion is a very important issue regarding labour and employment. As I know sir, in Marxian economics labour is the only factor of production. It is the most important factor and others are only

corollary to that. So, we must give attention to the different aspect on the policies that is being followed here, the policy regarding labour in general. The labour policy in Assam what I find is not congenial because we have a lot of child labourer in different professions and in fact, to ask a question, why the children are being employed in Assam. I know sir, this is mainly due to the fact that the leadership in the labour front is not proper. We have outside leadership and that is the greatest obstacle in the way of economic progress. Labour need development, but they cannot develop themselves, they cannot improve, if the leadership remains from outside the labour belt. If some people, some vested interest dominate over the labour union, in that case labourers cannot expect a better deal from the society. So by taking advantage of this Cut Motion debate. I would request the Hon'ble Minister, Labour, to see, to examine the labour owner relationship thoroughly in the state of Assam. Sir, I would like to say what things are going on in the name of Employment Exchange; whether the persons are being recruited, labourer are being recruited, through Employment Exchange or not. .....

Sir, some time back I had the opportunity to meet one Assistant Employment Officer. That officer expressed his inability. I just asked such and such employments have been made in such and such officers. Did you not get the information for the particular job? The officer expressed his helplessness. He said, we

were not asked for that. Very often we are not asked. So, what is the function of the Employment Exchange ? What is the recruitment policy of the Government ? What is the labour policy of the Government ? What is the policy being adopted regarding child labour we know nothing about that. So, there should be a thorough exercise over the matter to sort out and case the problems faced by the labourers, in general. Regarding the tea garden labourers, as because I have lot of tea gardens in my Constituency, I know what things are going on. They are being exploited in the name of wage payment. During rainy season, when regular works go on, they get their wages, but during the lean season there is no principle. After a day's work, a labourer hardly earns 8 to 10 rupees. This injustice are going on. They are not getting the minimum bare necessities. They are not getting their providend Fund moneys. They are not getting their gratuity. The other day, in reply to a starred question, the Hon'ble Minister put forward the figures since 1989. In the ATC garden, in my Patharkandi Constituency, several lakhs of rupees have not been paid in the name of gratuity. 4/5 persons have died in particular tea garden without receiving gratuity payment. What is the policy ? Sir, where we are ? Then in the name of medical facilities we know there is a unit but in most cases there is no Doctor. Somebody is there to look after, but there is no Doctor. As per rules, as per Plantation Act, there must be a

qualified Doctor in every tea garden but in reality, we don't have Doctors; we don't have medical facilities in the gardens. We don't have electric supply. The staff quarters which have been provided in some of the gardens have also remained un-repaired. Even in the rainy season, they are to stay under the open sky. I can show it in some gardens of my area. These things are not given by the garden management. I also know that the garden management have taken advantage because of our faulty leadership in the labour front. I know it personally. That is why I was telling about streamling the policy on labour in Assam, in tea gardens and other industries. So, we have our grievances Sir. So, on this type of policy, I have expressed my grievances that something his to be done. If we believe that development of the State economy is absolutely dependent on labour, then we have our responsibilities. We have to see that they get their dues, they get their P. F. money, they get gratuity after retirement Government is to see that they get proper wage. Whether Plantation Act is being followed or not in the Tea Gardens ? Government is to see whether ordinary poor labourers are being exploited by any agency. I would like to mention here about an unholy alliance between the management of gardens and some leaders, becase I have seen one agreement paper in my own eyes. In the agreement paper it is written that the labourers will get the arrear money. The Bengali version of the

agreement came to the labourers. It was written that they will be getting arrear for five months at the rate of Rs. 200/- per month i. e. Rs. 1000/- So, when the labourers approached the Manager, the Manager gave only Rs. 200/- how is that ? I met the Manager and asked him how you have paid Rs. 200/- only ? The Manager then asked for the file. He opened the file signed by a big leader that labourers will get only Rs. 200/- as a year. But in Bengali version it was written Rs. 200/- per month. This type of cheating is going on in the tea gardens. This is INTUC Sir. It was signed by an Hon'ble Member of this Assembly, Sir. These things are going on Sir. So, I request the Hon'ble Minister of the Department and the Government to examine the entire problem in its totality and not in piecemeal way and also to see what we can do for the labourers. We should do something for the downtrodden, whom. we are exploiting from time immemorial.

Shri Dileswar Tanti : Mr. Deputy Speaker Sir, the Hon'-ble Member may be asked to give us the Bengali version of the agreement for our future guidance.

Shri Sukhendu Shekhar Dutta : It has been recorded Sir. But the paper is not with me now. It is Hatikhira Tea Estate. So, I have uttered the word.

Shri Sukhendu Sekhar Dutta : Sir, I request the Hon'-ble Members not to misuderstand me. I have no mind to malign anybody. I only just point out sir. I may

commit some mistake. If any of the Hon'ble Members have done anything may be question for any mistake. I have open mind, I am telling you sir, I have no mind to malign anybody, to undermine anybody. Sir, some mistake must be some where. So my request is to see that laboures get the benefit. It is needless to quarrel here amongst ourselves. If my deliberations come to some use to-day I will be very happy. So Sir, my humble submission is to look in to the matter in totality so that some concrete measures could be taken for the benefit of the labourers all over Assam. Thank you, sir.

শ্ৰীদিল্লেশ্বৰ তাতী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি শ্ৰম দপ্তৰে বিচৰা মঞ্জুৰীৰ ওপৰত আমাৰ দলৰ ফালৰ যিটো কাট মোচন দিছে সেইটো অৱশ্যে আলোচনাৰ সুবিধাৰ্থে দিয়া হৈছে আৰু এই সম্পৰ্কত দুষাৰ কবৰ কাৰণে আগবাঢ়িছো। এইটো অৱশ্যে এটা সুখৰ কথা যে অসম বিধান সভাত বোধকৰো আজিয়েই প্ৰথম লেবাৰ ডিপাৰ্টমেন্টৰ গ্ৰান্টৰ বিষয়ে আলোচনাত আহিছে। আগতে কেৱল আইন শৃঙ্খলা ৰক্ষাৰ আৰু অন্যান্য বিষয় জড়িত থকা বিভাগৰ গ্ৰেন্টৰ ওপৰতহে অতদিনে আলোচনাত ব্যস্ত থকা দেখা গৈছিল। আমাৰ অসমত প্ৰায় ৮০০ ৰো ওপৰ চাহ বাগিচা আছে আৰু এই চাহ বাগিচা সমূহত স্থায়ী শ্ৰমিক ৬।৭ লাখ মান আছে আৰু অস্থায়ী শ্ৰমিক ৩.৪ লাখ মান আছে। মুঠ ১০ লাখ মান শ্ৰমিক আছে। এই দহ লাখ মান শ্ৰমিকৰ লৰা-ছোৱালী, বৃদধ বৃদধা আৰু নিৰনুৱা যিখিনি লোক আছে সেইখিনি ধৰি প্ৰায় ৪০।৫০ লাখ মান লোক এই চাহ বাগিচা সমূহৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এই চাহ বাগিচাৰ যিটো ইণ্ডাষ্ট্ৰী এইটো এটা ডাঙৰ ইণ্ডাষ্ট্ৰী। তাৰোপৰি অন্যান্য যিবিলাক শিল্প উদ্যোগ আছে সেই উদ্যোগ বিলাকত প্ৰায় ৩ লাখ মান শ্ৰমিক আছে। এই বৃহৎ শ্ৰমিক জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে তেওঁলোকৰ ওপৰত যি অৰ্থনৈতিক শোষণ চলি আছে সেই শোষণ নাইকীয়া কৰিবৰ

কাৰণে আৰু তেওঁলোকৰ কল্যাণৰ কাৰণে স্বাধীনোত্তৰ কালৰ পাচত বিভিন্ন ধৰণৰ আইন কানুন প্ৰৱৰ্ত্তন কৰা হৈছে। ভাৰতবৰ্ষৰ সংসদত আৰু অসম বিধান সভাত নানান আইন কানুন সমূহ পাছ কৰা হৈছে। যেনে-ইংৰাজীত I. D. Act. 1947, plantation Labour Act. 1951 cr. ইত্যাদি বিলাক বা ধৰণৰ যথেষ্টথিনি আইন ভাৰতবৰ্ষৰ সংসদত বা অসম বিধান সভাৰ মজিয়াত আইন তৈয়াৰ কৰা হৈছে। এই আইনবিলাক শ্ৰমিকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আৰু তেওঁলোকৰ অৰ্থনৈতিক উন্নয়ন আৰু বিভিন্ন উন্নয়ন মূলক সা-সুবিধাবিলাক দিয়াৰ কাৰণে সৃষ্টি কৰা হৈছে। এই আইন বিলাক ইমপ্লিমেণ্ট কৰিবৰ কাৰণে লেবাৰ কমিচনাৰ, এচিচ্টেণ্ট লেবাৰ কমিচনাৰ, লেবাৰ অফিচাৰ লেবাৰ ইনচ্পেক্টৰ আদি বহুতো বিষয়া কৰ্মচাৰী আছে। প্ৰতিখন জিলাত এজন এচিচ্টেণ্ট লেবাৰ কমিচনাৰ এজন লেবাৰ অফিচাৰ থাকে আৰু ৭/৮ জন মানকৈ লেবাৰ ইনচ্পেক্টৰ থাকে। যিবিলাক আইন সৃষ্টি কৰা হৈছে এই আইন বিলাক প্ৰপাৰলি ইমপ্লিমেণ্ট কৰা হোৱা নাই। আমাৰ অসমত ২১ খন জিলা আছে আৰু ৮ খনমান জিলাতহে এচিচ্টেণ্ট লেবাৰ কমিচনাৰ অফিচ আছে। আটাইবিলাক চাব-ডিভিজনতেই লেবাৰ অফিচাৰ নাই। এগ্ৰিকালচাৰ মিনিমাম ওৱেজেচ এক্ট চাবৰ কাৰণে একো-একোজন এগ্ৰিকালচাৰ লেবাৰ ইনচপেক্টৰ দিয়া দৰ্কাৰ। ৫০০ ৰো ওপৰ ব্লক অফিচ আছে যদিও আটাইবিলাক অফিচ-তেই এগ্ৰিকালচাৰ লেবাৰ ইনচ্পেক্টৰ নাই। ইমানবিলাক দায়িত্ব থকা স্বত্বেও শ্ৰমিক সকলৰ কল্যাণৰ কাৰণে যিবিলাক আইন-কানুন তৈয়াৰ কৰা হৈছে আৰু সেই আইন-কানুনবিলাক যেনে ধৰণে ইমপ্লিমেণ্ট কৰা হৈছে সেইটো যথেষ্ট নহয়। লেবাৰ ডিপাৰ্টমেণ্টৰ অফিচ বিলাকত গাড়ীৰ ব্যৱস্থা নাই। আগতে কেইজনমান এচিচ্টেণ্ট লেবাৰ কমিচনাৰক গাড়ী দিয়া হৈছিল। কিন্তু এতিয়া সেই গাড়ীবিলাক গেৰেজত বেয়া হৈ পৰি আছে। সেইবিলাক অফিচত মাজতে এনেকুৱা অৱস্থা হৈছিল যে পেপাৰ কিনাৰ কাৰণে পাইচা নাই, টেলিফোনৰ বিল দিয়াৰ কাৰণে পইচা নাই, ঘৰবিলাক ভাঙি-চিঙি জৰা-জীৰ্ণ অৱস্থাত আছে। সেই কাৰণেই অসম চাহ মজদুৰ সংঘই তেওঁলোকৰ ২৩ দফীয়া দাবী চনদৰ ওপৰত আন্দোলন কৰিছিল আৰু তেওঁলোকৰ সেই দাবী সমূহ মানি লৈ ইমপ্লিমেণ্ট নকৰাৰ কাৰণে চৰকাৰক

দোষাৰোপ কৰিছিল । তেতিয়া শ্ৰমিক সকলৰ অৰ্থনৈতিক যিটো দুৰাৱস্থা সেইটো স্বীকাৰ কৰিব লগা হৈছিল আৰু ডিপাৰ্টমেণ্টৰ মেচিনাৰী বিলাক কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে গাড়ী কিনা, টেলিফোনৰ বিল আদায় দিয়া ঘৰ মেৰামতি কৰা আদি কামৰ কাৰণে ১৫ লাখ মান টকাৰ প্ৰয়োজন হৈছিল আৰু তেতিয়াৰ মাননীয় মুখ্য মন্ত্ৰীয়ে সেই টকা দিম বুলি প্ৰতিশ্ৰুতি দিছিল । কিন্তু পৰৱৰ্ত্তী সময় ছোৱাৰ ভিতৰত ফাইনেন্স ডিপাৰ্টমেণ্টে ৭ লাখ মান টকাহে দিলে আৰু ৮ লাখ মান টকা এতিয়াও দিয়া নাই । লেবাৰ ডিপাৰ্টমেণ্টটো কাৰ্য্যক্ষম কৰি তোলাৰ কাৰণে যিখিনি অসুবিধা আছে । সেই অসুবিধাখিনি দূৰ কৰাৰ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । টি প্লেনটেচন লেবাৰ এক্ট যি বিলাক এক্ট শ্ৰমিকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে সৃষ্টি কৰা হৈছে সেই এক্ট ইমপ্লিমেণ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰতি ৬ মাহত এবাৰ লেবাৰ ইনচ্‌পেক্টৰ সকলে বাগিচাবিলাক পৰিদৰ্শন কৰিব লাগে । কিন্তু তেওঁলোকে পৰিদৰ্শন কৰিবলৈ যোৱাৰ এটা ডাঙৰ অসুবিধা হৈছে টি, এ, ডি, এ বন্ধ হৈ আছে । টি, এ, ডি, এ বন্ধ হৈ থকাৰ কাৰণে তেওঁলোকে পৰিদৰ্শন কৰিব পৰা নাই আৰু যদি কোনোবাই কৰিছেও ৰিপোৰ্ট দাখিল কৰা নাই ।

অৱশ্যে গাফিলতি নোহোৱা নহয়, আমাৰ বহুতো লেবাৰ ইনচপেক্টৰ আছে তেওঁলোকৰ গাফিলতি আছে, তেওঁলোকে নিয়মমতে ৬ মাহে ৬ মাহে বাগান ঘূৰিব লাগে কিন্তু তেওঁলোক বাগানলৈ নাযায় আৰু কেতিয়াবা যদিয়ো বাগানলৈ যায় কিন্তু ৰিপোৰ্ট চাবমিট নকৰে । ওপৰৱালা আৰু লেবাৰ কমিশ্যনাৰ বিলাকৰ এওঁলোকৰ ওপৰত কণ্ট্ৰোল নাই, কেতিয়াবা এনেকুৱা দেখা যায় এখন বাগানত যদি আগবেলা এজন গ'ল আকৌ পিচবেলা আন এজন হাজিৰ হয়, ফলত সময় মতে ৰিপোৰ্টবিলাক আহি নোপোৱাত প্ৰচিকিউশ্যন কেচ বিলাক লব পৰা নাযায় । লেবাৰ ইনচপেক্টৰ সকলে মেনেজমেণ্টৰ লগত কথা পাতি আলোচনা কৰি শেষ কৰে কিন্তু শ্ৰমিকসকলৰ লগত কোনো কথা নাপাতে । মেনেজমেণ্টৰ লগত কথা পাতি চাহপাত লৈ গুচি আহে । গতিকে এই কথাবিলাক চোৱা-চিতা কৰাৰ কাৰণে লেবাৰ কমিচ্‌নাৰৰ ফালৰ পৰা তদাৰক কৰিব লাগে । তাৰ পাচত

আমাৰ প্লেনটেশ্যন লেবাৰ এক্টখন ১৯৫১ চনতে এই এক্টখন কৰা হৈছিল আৰু তাৰ পাচতো ১৯৫৬ চনত আৰু ১৯৭২ চনত এই আইন সংশোধন কৰা হৈছিল। কিন্তু সময় আৰু পৰিস্থিতিৰ লগত খাপ খোৱাকৈ প্ৰতিবছৰে সংশোধন হব লাগে। ৫০০ ৰ তলত শ্ৰমিক হলে ডিচপেনচাৰী দিব লাগে আৰু ১ হাজাৰ ৮ শৰ ওপৰ হলে হস্পিতাল দিব লাগে তাত ডাক্তৰ, মিড ওৱাইফ নাৰ্চ ইত্যাদি বাগানবিলাকত মেনেজমেন্টৰ ফালৰ পৰা দিব লাগে কিন্তু এই ক্ষেত্ৰত বহু সময়ত দেখা যায় নিয়মবিলাক ভায়োলেট কৰা হয়, ঔষধ-পাতি ডাক্তৰৰ কোনো ব্যৱস্থা নাৰাখে, তেনে অৱস্থাত এই মেনেজমেন্টৰ ওপৰত অনুসন্ধান কৰি প্ৰচিকিউশ্যন কেচ ফাইল কৰিব লাগে কিন্তু সেইমতে কৰা দেখা নাযায়। ইয়াৰোপৰি কেতিয়াবা দেখা যায় ওপৰৰ পৰা এই কেচবিলাকৰ ক্ষেত্ৰত অনুমোদন পাওঁতেও পলম কৰাৰ কাৰণে কামবিলাক হৈ নুঠে। ১৯৫১ চনতে এই এক্ট তাহানী দিনতে ৰচনা কৰা হৈছিল, এই এক্টটো চেন্ট্ৰেল এক্ট, তাত পেনেল প্ৰভিজন নাই বুলিয়েই কব পাৰি মাত্ৰ ৫০ পৰা ৫00 টকা ফাইন ভৰিব লাগে। এই ৫0 টকা অতি সামান্য তেওঁলোকে এই টকাতো ভৰাৰ কাৰণে দিধা-বোধ নকৰে। আজি কোনো মেনেজমেণ্টে এই আইনখন সংশোধন কৰাতো নিবিচাৰে। জনতা চৰকাৰ থকাৰ দিনতে এই আইনখন সংশোধন কৰাৰ কাৰণে চেষ্টা চলিছিল কিন্তু নহ'ল। প্লেনটেশ্যন লেবাৰ এক্ট খন সংশোধন হব লাগিছিল কিন্তু সেইটো হোৱা নাই। ৫0 টকাৰ পৰা ৫০০ টকালৈ যিটো ফাইন ভৰাৰ প্ৰভিজন আছে সেইটো কোনো ধৰণৰ এফেক্ট নকৰে। আজি ভাৰতীয় সংবিধানত বা কেন্দ্ৰীয় চৰকাৰে টি-ইণ্ডাষ্ট্ৰীটো অতি শক্তিশালী লবি, এই লবিটোৱে আইনখন পাৰ্লিয়ামেন্টত সংশোধন কৰিবলৈ দিয়া নাই। এবাৰ আমাৰ কেন্দ্ৰীয় চৰকাৰত থকা লেবাৰ মিনিষ্টাৰ পৱন সিং ঘাটোৱাৰ ডাঙৰীয়াই এই আইনখন সংশোধন কৰাৰ কাৰণে পাৰ্লিয়ামেন্টত প্লেচ কৰিছিল কিন্তু কাৰ্য্য ক্ষেত্ৰত কি হ'ল, তেওঁৰ দপ্তৰ সলনি কৰিব লগা হ'ল। গতিকে এইটো ইমান সহজ নহয়। এই আইনখন সংশোধন কৰিব নোৱাৰাৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। আজি ৫0 টকা কিয় ৫00 টকাও দিবলৈ তেওঁলোকে দিধাবোধ নকৰে কাৰণ শ্ৰমিকৰ খোৱা পানীৰ কাৰণে এটা দমকল বহুৱাবলৈ যাওঁতে তাত বেচি খৰচ হব গতিকে শ্ৰমিকক সুবিধাৰ পৰা বঞ্চিত কৰি

৫০০ টকা দিবলৈ আপত্তি নকৰে। মাৰোৱাৰী যিসকলে এতিয়া বাগান কিনিছে তেওঁলোকে ৫০০০ টকা দিবলৈয়ো চিন্তা নকৰে। এতিয়া কথা হ'ল প্ৰথম ৫০০ টকা ফাইন কৰিব লাগে তাৰ পাচত আকৌ যদি কামটো নকৰে তেতিয়া হলে ৫০০০ টকা ফাইন কৰিলে আৰু সেইদৰে বঢ়াই লৈ যোৱাৰ প্ৰভিজন কৰিলে তেওঁলোকে অলপ চক খাব। গতিকে তেনেবোৰ কথা চিন্তা কৰি এই আইনখন কিছু সংশোধন কৰাটো প্ৰয়োজন হৈছে। ব্ৰহ্মপুত্ৰ ভেলীত অৱশ্যে প্লেনটেশ্যন লেবাৰ এক্টখন কিছু পৰিমানে ফলপ্ৰসু হৈছে মেনেজ হাউচিং মেডিকেল ইত্যাদিত, প্ৰায় ৬০।৭০ শতাংশ কাম হৈছে কিন্তু কাছাৰত অৰ্থাত বৰাক ভেলীত অলপ কম হৈছে, অৱশ্যে তাত বাগানৰ সংখ্যা কিছু কম। মিনিমাম ওৱেইজৰ সম্পৰ্কত মালিক পক্ষ আৰু শ্ৰমিক সকলৰ মাজত দ্বীপাক্ষিক আলোচনা হৈছিল আৰু মিনিমাম ওৱেইজ ফিক্সদ কৰাৰ ক্ষেত্ৰত কিছু আগবঢ়া হৈছিল কিন্তু নটিফিকেশ্যন নহ'ল। এজিপিৰ দিনত প্ৰাক্তন মন্ত্ৰী বাৰ্কী প্ৰসাদ টেলেঙ্গা ডাঙৰীয়াই বহুখিনি চেষ্টা কৰিছিল আৰু শ্ৰমিক সকলৰ মিনিমাম ওৱেইজ ফিক্সদ কৰাৰ কাৰণে চেষ্টা কৰিছিল আৰু মোৰ দিনতো চেষ্টা কৰা হৈছিল, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যাতে এই মিনিমাম ওৱেইজ কমিটিত বিষয়টো প্লেচ কৰি তাক পৰীক্ষা-নিৰিক্ষা কৰি মিনিমাম ওৱেইজ ফিক্সদ কৰাৰ ব্যৱস্থ্যা লব। তাকে নকৰিলে বহু অসুবিধা হয়। আজিকালি বহু সংখ্যক স্মল টি ইণ্ডাষ্ট্ৰী গ্ৰো কৰিছে। নতুন নতুন বহু সৰু সৰু চাহ বাগিছা গঠন হৈছে এওঁবিলাকে এ, বি আই, টি এ, বি, চি, পি, এৰ দ্বাৰা নিৰ্দ্ধাৰিত দ্বিপাক্ষীক দৰমহাৰ বিষয়টো মানি নলয় তাৰে ২৭, ৬০ পইচা নিদিয়ে। তেওঁলোকে ২০ টকাহে দিয়ে আৰু এগ্ৰীমেণ্ট মানিবলৈ বাধ্য নহয় বুলি কয়। যিহেতুকে ওৱেজটো চৰকাৰৰ ফালৰ পৰা নটিফিকেশ্চন হোৱা নাই। সেই সুবিধাতে নতুন নতুন চাহ বাগিছা বিলাকে ২০ টকাৰো তলত হাজিৰা দিয়ে। এগ্ৰীকালচাৰত মিনিমাম ওৱেজ বৰ্ত্তমান ৩৮ টকা হৈছে। আগতে ৩৩ টকা আছিল। চাহ শ্ৰমিক সকলৰ এতিয়া ২৭-৬০ টকা হৈছে। তাৰোপৰি তেওঁলোকৰ পৰিয়ালৰ তিনি ইউনিট ৰেচন পায়। প্ৰতি দিনে আধাকেজি চাউল আৰু আধাকেজি আটা পায়। সেইটোৰ বাবদ ৫৫ পইচাত এককেজি চাউল বা আটা পায়। বাহিৰত এককেজি চাউল বা আটাত ১০/১২ টকা ভৰিব লগা হলহেঁতেন। তাৰোপৰি

খৰি আৰু টি ৰেচন ফ্ৰী পায়। সেই খিনি যদি ১৪ টকা ধৰা হয় তেন্তে তেওঁলোকৰ মুঠ হাজিৰা ৩৯/৪০ টকা হয়। এইটো ওপৰঞ্চি পোৱাৰ কাৰণে তেওঁলোকৰ নিম্নতম মজুৰী কম দি আছে। গতিকে সেই বিষয়ে পৰিষ্কাৰ কৰিবলৈ কবলগীয়া হৈছে। তাৰোপৰি বৰাক ভেলী আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ নিম্নতম মজুৰীৰ ডিফাৰেন্সটো ৰাখিব নালাগে। আগতে বৰাক ভেলি আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ মজুৰীৰ ডিফাৰেন্স ২ টকা আছিল। এতিয়া সেইটো বাঢ়ি গৈ ৪ টকা হৈছে। সেইটো যাতে হব নোৱাৰে মিনিমাম ওৱেজ বোৰ্ডে পৰীক্ষা কৰি মোডিফাই কৰিব লাগে। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰ বাহিৰেও শ্ৰম দপ্তৰ-টোৰ ভালকৈ কাৰ্য্য পৰিচালনা কৰিবলৈ শ্ৰম দপ্তৰত আমাৰ যিবিলাক এডভাই-চেৰী বোৰ্ড আছে, যেনে— টি লেবাৰ ওৱেলফেয়াৰ বোৰ্ড, মিনিমাম ওৱেজ বোৰ্ড, কণ্ট্ৰেক্টৰ এণ্ড লেবাৰ এডভাইচেৰী বোৰ্ড, মেডিকেল এডভাইজেৰী বোৰ্ড, হাউচিং বোৰ্ড, চাইল্ড এডভাইজৰি বোৰ্ড আদি বিভিন্ন এডভাইজেৰী বোৰ্ডৰ লগত বছৰত অন্ততঃ ২ বাৰ চিটিং হব লাগে। আমি চিটিং কৰিব পৰা নাছিলো কাৰণ এই বোৰ্ড সমূহত যিসকল ইউনিয়নৰ সদস্য আছে সেই সকলোক আমি টি,এ ডি,এ, দিব নোৱাৰো। সেই কাৰণে তেওঁলোক আহি-বলৈ হেজিটেড কৰে। সেইটো এটা ফাইনেনচিয়েল প্ৰবলেম। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক এই কথাবিলাক অৱগত কৰিব লাগে। এইদৰে যদি বোৰ্ডবিলাক বহিব পৰা নাযায় তেন্তে এক্ট বিলাক ইমপ্লিমেণ্ট কৰা ক্ষেত্ৰত বাধা আহে। গতিকে এই ক্ষেত্ৰত চৰকাৰে দৃষ্টি নিক্ষেপ কৰিব লাগে। আৰু শ্ৰম দপ্তৰে ষ্টেনডিং লেবাৰ কমিটিত ফাণ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ কবলগীয়া যথেষ্ট আছে কিন্তু পৰৱৰ্ত্তী বক্তা সকলো আছে। আজি শ্ৰম দপ্তৰৰ সম্পৰ্কত কিছু কথা কোৱাৰ সুবিধা পোৱাৰ কাৰণে আপো-নাক ধন্যবাদ জনাইছো যদিও সমালোচনা কৰিছো কৰ্ত্তন প্ৰস্তাৱত কমাই দিব লাগে বুলি। কিন্তু প্ৰত্যক্ষ ভাৱে শ্ৰম দপ্তৰৰ যিটো দায়িত্ব সেইটো যদি উপলব্ধি নকৰে তেতিয়া হলে শ্ৰমিকৰ দৰদৰ কথা কৈ লাভ নাই। গতিকে এই ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ কামনা কৰো। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অসম চাহ মজদুৰ সংঘ এটা সৰ্ব্বহিত

শ্ৰমিক সংঘ তেওঁলোকে ২৩ দফীয়া দাবী লৈ আন্দোলনৰ কাৰ্য্য সূচী লৈছে। ইতিমধ্যে ১০ তাৰিখে প্ৰতিবাদ দিবস পালন কৰিছে। মুখ্য মন্ত্ৰীৰ লগত আলোচনাৰ মৰ্ম্মে প্ৰতিশ্ৰুতি দিছে যে বিধান সভা চলি থকা সময়ত আলোচনাৰ কথা কৈছে। শ্ৰম দপ্তৰক বিভিন্ন বিভাগৰ লগত সংগতি ৰাখি মোডেল বিভাগ হিচাবে দায়িত্ব দিছে। এইটোত যোগা-যোগ ৰাখি যাতে পৰৱৰ্ত্তী আলোচনাত এটা সুফল সিদ্ধান্তলৈ আহিব পাৰে তাৰ আশা ৰাখিছো। বিগত সময় চোৱাত অভিজ্ঞতাৰ পৰা কব বিচাৰিছো যে উক্ত তেওঁলোকৰ দাবীৰ পৰিপ্ৰেক্ষিতত শ্ৰম মন্ত্ৰীৰ পদত্যাগ দাবী কৰিছিল। গতিকে কথাটোৰ গুৰুত্ব বুজি যোগা-যোগ ৰাখিবলৈ অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় শ্ৰম দপ্তৰৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীয়ে ২৫ কৌটি ৩৬ লাখ ৭৭ হাজাৰ টকাৰ অনুমোদন বিচাৰি যি প্ৰস্তাৱ আগবঢ়াইছে সেই প্ৰস্তাৱৰ প্ৰতি সন্মতি জ্ঞাপন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। এটা কথা হ'ল শ্ৰম দপ্তৰ বুলি কলে তিনিটা বিভাগ জড়িত হৈ আছে। নিয়োগ, চাহ উদ্যোগ, আই, টি, আই আদি বিভাগ আছে। আজি চাহৰ ওপৰত বেচি আলোচনা কৰিছে সেই কাৰণে মইও চাহৰ ওপৰত কব বিচাৰিছো। আজি বাগানবিলাকক টি ষ্টেট বুলি কয়। মই কিন্তু চাহৰ ৰাজ্য বুলি কও। বৃটিছসকল আহিছিল আৰু বাগান বিলাকত ৰাজকীয় ব্যৱস্থা আছিল আৰু আজিও আছে। প্লেনটেচন লেবাৰ এক্টৰ কথা এগৰাকী বিৰোধী সদস্যই বহুত কথাই কৈছে। এই এক্টখনত আছে— এজন মানুহ চট্ কৰিলে ৫00 টকা আৰু এপিল কৰিলে ৫000 টকা হব। স্বাধীনতাৰ পাচত বহুত বোৰ্ড হৈছে, এক্ট হৈছে কিন্তু শ্ৰমিকসকলৰ উন্নতি কিমান হৈছে। আজি যিমানবিলাক আন্দোলন হৈছে মেনেজমেণ্টৰ পকেটত সোমাইছে। এগৰাকী সদস্যই কৈছে যে বেছন আদি লৈ ৪0 টকা হয় মই জনাত অসমত ২১.৫৩ পইচা পায়। পশ্চিম বঙ্গত পায় ৩0 টকা টামিলনাডুত ৩৫ টকা পায়। এই কথা খিনি মই পেপাৰত পাইছো। আজি বহুত আইন কানুন হল যদিও বাগানৰ শ্ৰমিকসকল নিৰ্য্যাতনৰ পৰা হাত সাৰিব পৰা নাই। নিৰ্য্যাতন

* Speech not corrected

কিয় চলি আছে মই কওঁ মেনেজমেণ্টৰ লগত মিলি নাথাকিলে নির্যাতনৰ হাত সাৰিব পাৰিব। আজি চিকিৎসাৰ ক্ষেত্ৰত, খোৱা পানীৰ ক্ষেত্ৰত, লাইট, ৰাস্তাৰ ক্ষেত্ৰত চাহ উদ্যোগত কোনো সুবিধা নাই। অসম চৰকাৰে চাহ উদ্যোগৰ পৰা ৰাজহ পায় আৰু কেন্দ্ৰীয় চৰকাৰেও পায়। অসমত শতকৰা ৬০ ভাগ চাহ উৎপন্ন হয় আৰু ইয়াৰ দ্বাৰা বিদেশী মুদ্ৰা অৰ্জন হয়। কিন্তু এই উদ্যোগটোৰ লগত জৰিত শ্ৰমিকসকলৰ কি অৱস্থা হৈছে। এই ক্ষেত্ৰত বহুত আইন হল, বোৰ্ড হল। মেনেজমেণ্টৰ কাৰণে বহুত ব্যৱস্থা আছে। ইন্সপেক্টৰ আছে, কমিচনাৰ আছে ৬ মাহৰ মূৰত যাব লাগে কিন্তু কোনে গৈছে? মই বাগানৰ ওচৰৰ মানুহ হিচাবে জানো শ্ৰমিকসকলক চিলিং উৎবিত্ত মাটি এলোটমেণ্ট দিয়া হৈছে। চাকৰি দিয়াৰ নামত গোটেই খিনি মাটি ঘূৰাই আনি প্লেণ্টেচন কৰিছে। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো উক্ত চিলিং উৎবিত্ত মাটি পুনৰ দখল কৰি ভূমিহীন শ্ৰমিকসকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি দেখা যায় বাগানৰ কল ঘৰ চৰকাৰী মাটিত আছে। এইবিলাক কি হিচাবে বন্দীবস্তী কৰিছে? চাহ উদ্যোগক আজি সৰ্ব্বভাৰতীয় উদ্যোগ হিচাবে গৌৰৱ বোধ কৰো। আজি চাইকেল ফেক্টৰীকে আদি কৰি যিবিলাক ফেক্টৰী আছে তাৰ স্কীল লেবাৰ বিলাকে ডেইলী ওৱেজ ১০০ টকা পায়। কিন্তু চাহ উদ্যোগৰ ক্ষেত্ৰত বিদেশী মুদ্ৰা অৰ্জন কৰা স্বত্বেও সেই আইন কাৰ্য্যকৰী কৰা ব্যৱস্থা হোৱা নাই। গতিকে আইন ৰচনা কৰিলে কাম হব নেকি? শ্ৰমিক সকলক এই আইনে ৰক্ষনা বেক্ষণ দিব পৰা নাই। গতিকে ই যেতিয়া প্ৰধান উদ্যোগ ইয়াৰ বাবে এটা পৃথক সঞ্চালকালয় হব লাগে আৰু তাৰ জৰিয়তে যিখিনি অসুবিধা আছে তাক দূৰ কৰক। বৃটিছসকল গুচি গ'ল কিন্তু ভাৰতীয় পুজিপতিসকল ইয়ালৈ আহিল। বাগান বিলাকত কিবা এটা চাকৰি ওলালে ইয়াৰ শিক্ষিত লৰাই সেই চাকৰি নাপায়। ইউ, পিৰ পৰা ইয়ালৈ আহিব। সাধাৰণ চতুৰ্থ শ্ৰেণীৰ চাকৰি এটাও নাপায়। ভাৰতীয় পুজিপতিৰ হাতত এই বাগানবিলাক সোমাল। অসমত ৮০০ বাগান আছে কিন্তু ইয়াৰ প্ৰধান কাৰ্য্যালয় কলিকতাত আছে। এই কাৰ্য্যালয় অসমলৈ আনিব লাগে। চাহ নিলাম অসমত কিমান শতাংশ হয় কলিকতাত এই নিলাম হোৱাৰ ফলত আমি প্ৰাপ্য সম্পদৰ পৰা বঞ্চিত হৈছো। চাহ শ্ৰমিকসকল মানধাতা

যুগৰ ৰাজকীয় ব্যৱস্থাৰ দ্বাৰা শোষিত হৈ আছে। চাহ উদ্যোগৰ উন্নতিৰ বাবে এটা পৃথক সঞ্চালকালয়ৰ প্ৰস্তাৱ আগবঢ়ালো। এইখিনিকে কৈ দাবী মঞ্জুৰীৰ সমৰ্থন জনাই আৰু কৰ্ত্তন প্ৰস্তাবৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শুনি ভাল লাগিল যে আমাৰ শ্ৰমিক সকলৰ সপক্ষে সদনৰ সকলো পক্ষৰ মাননীয় সদস্য সকলে মাত মাতিছে। মন্ত্ৰী মহোদয়ে যি ২৫ কৌটি টকাৰ দাবী বিচাৰিছে ই অতি নগণ্য। শ্ৰম বিভাগটো সৰু নহয়, অতি ডাঙৰ বিভাগ। এই বিভাগে সকলো বিভাগতে হস্তক্ষেপ কৰিব পাৰে। শ্ৰমিকৰ সপক্ষে আইন কানুন হৈছে। সেই বিলাক আলোচনা নকৰি গড়কাপ্তানী, জলসিঞ্চন, পাব্লিক হেলথ, জনস্বাস্থ্য কাৰিকৰী বিভাগত ঠিকাদাৰৰ তলত কাম কৰা অধাং-গঠিত শ্ৰমিকৰ বিষয়ে কব খুজিছো। এই সকল শ্ৰমিকৰ ক্ষেত্ৰতো মজুৰী আইন প্ৰজুৰ্য্য। মোৰ এবাৰ মনত পৰিছে ৰাস্তাত কাম কৰি থকা মজদুৰে কিমান টকা পায় সুধিলো। যদি আইন মতে মজুৰী নাপায় তেন্তে কাম বন্ধ কৰা। কাৰণ মজুৰী বিলাক ধৰিহে এচটিমেট কৰা হয়। শেষত মালিকে এই মজুৰী দিবলৈ বাধ্য হৈছে। গতিকে সকলো ক্ষেত্ৰতে এইটো প্ৰজুৰ্য্য কৰা প্ৰয়োজন। মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ বাবে আজি প্ৰয়োজন হৈছে আইদিয়’লজিৰ। সেইটো কি ? শ্ৰমিক শ্ৰেণীৰ সপক্ষে যদিহে কাম কৰাৰ আইদিয়’লজি নাথাকে, শ্ৰমিক শ্ৰেণীৰ আদৰ্শৰ প্ৰতি যদি আনুগত্য নাথাকে তেনেহলে সেই শ্ৰমিক শ্ৰেণীৰ প্ৰতি মালিকে কোনো কাম কৰিব নোৱাৰে। ইমপ্লিমেন্টেচনৰ ক্ষেত্ৰত মালিক পক্ষ সদায় লাগিব। আজি কেইবাজনো মাননীয় সদস্যই কৈছে আইন আছে কিন্তু আইন ৰূপায়ন কৰিব কোনে ? যিখন দেশত শ্ৰমিকৰ মন্ত্ৰী হৈছে তাত বিভাগ সলনি কৰা হৈছে। কাৰণ তেওঁ কংগ্ৰেছত আছে। কংগ্ৰেছে অসমৰ শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰা নাই সেইকাৰণে ঘাটোৱাৰ ডাঙৰীয়াৰ পৰা পৰ্ট ফলিঅ’ কাঢ়ি নিলে। মালিক শ্ৰেণীয়ে শ্ৰমিকৰ কল্যান মূলক কাম কৰিব এইটো ভবাও অবাস্তৱ কল্পনা হৈছে। মালিকৰ দ্বাৰা অসমতেই নহয় বিশ্বৰ কোনো ঠাইতে কল্যান-মূলক কাম হোৱা নাই আৰু হব নোৱাৰে। মালিকে শ্ৰমিকক দিব নিবি-চাৰে চান কাঢ়িবলৈ বিচাৰে। শ্ৰমিকৰ যাতে চান কাঢ়িব পাৰে মালিকে

তাৰ প্ৰতি যদি লক্ষ্য ৰাখে তেনেহলে শ্ৰমিকে সেই মালিকৰ পৰা বিচাৰিলেও একো নাপায়। আজি শ্ৰমিক শ্ৰেণীয়ে সংগঠন কৰিছে, আন্দোলন কৰিছে কিন্তু শ্ৰমিকৰ দুৰৱস্থাৰ প্ৰধান কাৰণ শ্ৰমিকসকলক শ্ৰমিক হিচাবে সংশোধিত কৰা নাই। ভাষা হিচাবে, জাতি হিচাবে, ধৰ্ম হিচাবেহে সংশোধিত কৰা হৈছে। গতিকে এই শ্ৰমিক শ্ৰেণী দুৰ্ব্বল হৈ গৈছে। মালিকে যি খুচি কৰিব পাৰিছে। শ্ৰমিক শ্ৰেণীৰ আন্দোলন কেতিয়া আৰম্ভ হৈছিল। অকল মজুৰিৰ কাৰণেই আন্দোলন কৰিলেই নহয় ৰাজনৈতিক দাবীও লব লাগিব। ১৯০৮ চনতে বাল গঙ্গাধৰ তিলকক যেতিয়া বৃটিছে গ্ৰেপ্তাৰ কৰিছিল বম্বেত তেতিয়াও শ্ৰমিকে আন্দোলন কৰিছিল। আজি এটা সুন্দৰ গল্প মনত পৰিছে মেক্সিম গৰ্কীৰ। তেওঁ যেতিয়া আমেৰিকালৈ গৈছিল তাত দেখিলে অপূৰ্ব্ব কাৰবাৰ। আজি বাগানবিলাকত মালিকে মজুৰি দিছে আৰু তাৰ লাগে লগে মদৰ দোকান, জুৱা আদিৰো প্ৰচলন আছে যাতে কোনো শ্ৰমিকৰ হাততে টকা থাকিব নোৱাৰে। নহলে শ্ৰমিকৰ আজি এনে দুৰৱস্থা নহল হয়। তেওঁলোকে এহাতে পইচা পাইছে আৰু আনহাতে মদ, জুৱা আদিৰ দ্বাৰা বিভিন্ন প্ৰকাৰে পইচা লৈ গৈছে। গতিকে শ্ৰমিক যি অৱস্থাতে আছিল সেই একে অৱস্থাতে আছে। সাধাৰণ শ্ৰমিকক মালিকে এনেধৰণে কৌশল কৰি ৰাখিছে। এইখিনিতে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এটা কবিতা মনত পৰিছে। "এবার ফিরাও মোরে এইসব মূঢ় মুক মুখে দিতে হবে ভাষা" এই মানুহক আমি ভাষা দিব লাগিব। সংগ্ৰামৰ ভাষা, আন্দোলনৰ ভাষা আৰু অধিকাৰৰ ভাষা। শ্ৰমিকৰ অধিকাৰ শ্ৰমিকে মালিক পক্ষৰ পৰা কাঢ়ি আনিব লাগিব। আজিৰ যুগত জ্ঞান আগবাঢ়িছে কিন্তু আজি ৪২ বছৰ ধৰি চাহ বাগানৰ শ্ৰমিকসকলৰ একো উন্নতি হোৱা নাই। ৪২ বছৰে কংগ্ৰেছে শাসন কৰিলে। তেওঁলোকক শিক্ষা দিয়া হোৱা নাই। এগৰাকী মাননীয় সদস্যই কৈছে যে, আমাৰ এজনো আই, এ, এচ বিষয়া নাই, এ, চি, এচ বিষয়া নাই। তেওঁলোকৰ বাবে প্ৰাইমেৰী শ্ৰমিকৰ বাবে প্লেনটেচন এক্ট ১৯৫১ চনত কৰা হৈছিল কিন্তু আজিলৈকে কাৰ্য্যকৰী হোৱা নাই। ভাল শিক্ষাৰ বাবে স্কুল নাই। এম, ই স্কুল দূৰৰ কথা। এই জনগোষ্ঠীৰ মাজত ১০ জন ইঞ্জিনিয়াৰো নাই। আৰু ১ হাজাৰ গ্ৰেজুৱেট আছেনে নাই সন্দেহ। এতিয়া হয়তো ১ হেজাৰ গ্ৰেজুৱেট হব পাৰে। ৪৫ লাখ

জনসংখ্যাৰে এই জনগোষ্ঠী। এওঁলোকক আজি মালিক শ্ৰেণীয়ে এনেকৈয়ে ৰাখিছে। অলপমান চাহপাত আৰু অলপ পইচা দি। গতিকে চাহ বাগিছাৰ এই বনুৱাসকলৰ সতি-সন্ততিৰ শিক্ষাৰ কাৰণে ব্যাপক ভাবে শিক্ষানুষ্ঠান স্থাপন কৰিব লাগে। মোৰ পৰামৰ্শ এই যে, বাগানবিলাকত নিম্নতম এম, ই স্কুললৈকে থাকিব লাগে। তাৰ বাহিৰেও একোখন হাইস্কুল দিব লাগে। আজি এই শ্ৰমিকসকলক বঞ্চনা কৰা হৈছে; তেওঁলোক মালিক পক্ষৰ বঞ্চনাৰ বলি হৈছে। তেওঁলোকৰ শিক্ষাৰ দায়িত্ব মালিক পক্ষই লব লাগে। এই অনুৰোধ মই শ্ৰম মন্ত্ৰীৰ ওচৰত কৰিছো। আজি গাৱেঁ-ভূঞে হাজাৰ হাজাৰ শ্ৰমিকৰ সৃষ্টি হৈছে। গতিকে এতিয়া শ্ৰমিকসকলৰ প্ৰতি চকু দিবলগীয়া হৈছে। শিক্ষাৰ ক্ষেত্ৰত এগ্ৰিকালচাৰেল এক্টৰ কথাও উল্লেখ কৰিব পাৰি। কল কাৰখানাত যিবিলাক শ্ৰমিকে কাম কৰে তেওঁলোকৰ বাবেও এক্ট আছে। আজি শ্ৰমিকসকলৰ নিৰাপত্তাহীনতাৰ বিৰুদ্ধে বিভাগ সজাগ হব লাগিব। এই বিভাগত আজি কিমান বিষয়া আছে মই সেই বিষয়ে কব খোজা নাই। কিন্তু তেওঁলোকে শ্ৰমিকৰ কল্যানৰ কাৰণে কাম কৰিছেনে মালিকৰ কল্যানৰ কাৰণে কাম কৰিছে সেইটোহে চাবলগীয়া বিষয়। মাননীয় সদস্য ধানোৱাৰ ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি ভালদৰে চাব লাগে। আজি এই বিভাগত যিসকল বিষয়া আছে তেওঁলোকক এটা সুস্থ নীতি দিয়া দৰকাৰ যাৰ দ্বাৰা তেওঁলোকে শ্ৰমিকৰ সা-সুবিধাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আমি প্ৰতিদিনেই দেখি আহিছো শ্ৰমিকৰ ওপৰত নিৰ্য্যাতন কিছুদিন আগতে ননৈ চাহ বাগিছাত এগৰাকী মহিলাক মাৰিয়ে পেলালে। তাৰোপৰি মালিকে আনকেইজন মানকো চাকৰিব পৰা খেদিব খুজিছিল। কিন্তু আজি বিষয়টোত হস্তক্ষেপ কৰোতেহে তেওঁলোক ৰক্ষা পৰিল। গতিকে এই গোষ্ঠীৰ মানুহখিনিৰ কাৰণে আমি মাত মতা আৰু তেওঁলোকক ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন হৈ পৰিছে।

উপাধ্যক্ষ ডাঙৰীয়া, মই আৰু এটা কথা কব খুজিছো যে আমাৰ ৰাজ্যখনত শিক্ষিত নিবনুৱা অৰ্থাৎ নিবনুৱা স্নাতকৰ কাৰণে এটা বেকাৰ ভাট্টা দিয়াৰ ব্যৱস্থা আছে। এইটো বৰ কম হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে এই বেকাৰ ভাট্টাটো বৃদ্ধি কৰে। এইটো কিমান

কৰে সেইটো চৰকাৰে আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য কৰি ঠিক কৰিব। এই বাজেটত ইয়াত টকা বৰ কমকৈ ধৰা হৈছে। আজি আমাৰ নিবন্ধুৱা সংখ্যা বৃদ্ধি পাইছে কিন্তু বেকাৰ ভাট্টাৰ পৰিমান বৃদ্ধি কৰা হোৱা নাই। গতিকে এইটো বঢ়াব লাগে আৰু এইটো প্ৰতি জিলাতে যাতে বেকাৰসকল ঠিকমতে নিৰ্বাচন কৰা হয় তাৰ ব্যৱস্থা কৰিব লাগে। মই মোৰ বক্তব্য আৰু দীঘলীয়া কৰিব বিচৰা নাই। এই বিভাগৰ মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে মই তাৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীভূপেন ভূঞা : মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন শ্ৰম বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে তাৰ প্ৰতি সমৰ্থন জনাই মই দুষাৰমান কব খুজিছো। আমাৰ ইণ্ডাষ্ট্ৰিয়েল ট্ৰিবিউনেল আৰু লেবাৰ ক'ৰ্ট সমূহত বহুতো কেচ পেণ্ডিং হৈ আছে। এনে ধৰণৰ কেচ ১২/১৪ পৰ্য্যন্ত পৰি থকা আমাৰ দৃষ্টি গোচৰ হৈছে। গতিকে এনে ধৰণে পৰি থকা কেচ সমূহ সোনকালে নিস্পত্তি কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব আৰু তাৰ কাৰণে প্ৰয়োজন সাপেক্ষে ৰাজহ আদালতৰ নিচিনাকৈ জাড্‌জ নিযুক্তি দি হলেও এইবিলাক নিস্পত্তি কৰাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে আমাৰ যিটো লেবাৰ কমিচন অফিচ আছে সেইটোৰ অৱস্থ্যা বৰ বেয়া। এই অফিচটো চৰকাৰৰ ফালৰ পৰাই অবহেলিত হৈ আছে যেন লাগে। সেই অফিচটোলৈ মেগৰ, উইলিয়মটন আদি বহুতো ডাঙৰ ডাঙৰ কোম্পানীৰ মানুহ অহা যোৱা কৰে। তেওঁলোক তালৈ আহি আমাৰ শ্ৰম বিভাগৰ এই অফিচটোৰ অৱস্থা দেখিলে আমাৰ নিজৰে বৰ দুখ লাগে। গতিকে এই অফিচটো অলপ উন্নত কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি অনুৰোধ কৰিলো। তাৰোপৰি আমাৰ লেবাৰ কমিচনাৰ, এচিষ্টেন্ট লেবাৰ কমিচনাৰ, লেবাৰ ইন্সপেক্টৰ সকলে টি, এ, পোৱা নাই। তেওঁলোকে টি, এ, নোপাৱাৰ কাৰণেও বহুতো কামত ব্যাঘাত জন্মিছে। চাইল্ড লেবাৰৰ ক্ষেত্ৰতো আমি মাজে-মাজে দেখা পাওঁ কিছুমান চাইল্ড লেবাৰক ফেক্টৰীৰ কামত লগায়। এই বিষয়ত আমি লেবাৰ বিভাগত বহু ধৰণৰ আপত্তি দৰ্শাইছো। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এম্‌প্লইমেন্টৰ ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে আমাৰ বহুতো লাৰ্নাৰে ১০/১২ বছৰ চাকৰি কৰাৰ পিচতো তেওঁলোকৰ চাকৰিবিলাক ৰেগুলাৰাইজ কৰা

হোৱা নাই। তেওঁলোকৰ চাকৰিবিলাক ৰেগুলাৰাইজ নকৰাৰ কাৰণে বহুতো অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। আন এটা কথা হ'ল এচিষ্টেণ্ট মেনেজাৰৰ ইণ্টাৰভিউবিলাক এতিয়াও কলিকতাতে হৈ আছে। কলিকতাত হোৱাৰ কাৰণে অসমৰ সকলো লৰা-ছোৱালীয়ে ভাগ লব নোৱাৰে। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি এই পৰীক্ষাটো গুৱাহাটীত পতাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো। মই মোৰ বক্তব্য আৰু দীঘলীয়া নকৰো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীঅতুল বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী শ্ৰীফণী-ভূষণ চৌধুৰীয়ে যিটো প্ৰস্তাৱ ডাঙি ধৰিছে মই তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই আজি এই বিধান সভাৰ মজিয়াত দুষাৰ কবলৈ ওলাইছো। মাননীয় সদস্য শ্ৰীদিলেশ্বৰ তাতী ডাঙৰীয়াই এই বিষয়ত বিধান সভাত প্ৰথম বাৰৰ বাবে আলোচনা হৈছে বুলি কৈছে– তেখেত আগতে শ্ৰম মন্ত্ৰী আছিল। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ভালেমান পৰামৰ্শ আগবঢ়াইছে। আমাৰ লেবাৰ প্লেনটেশান এক্ট কৰা হৈছে। এই আইন কেতিয়া প্ৰণয়ন কৰা হৈছিল এতিয়া এই আইন সংশোধনী কৰাৰ কাৰণে কি কৰিছে। ইয়াৰ আগতে ভালেমান দিন কংগ্ৰেছে শাসন কৰি আছিল। বাগানবিলাকৰ ভোটবিলাক কংগ্ৰেছে পায় শ্ৰমিকৰ কাৰণে তেওঁলোকে কি ব্যৱস্থা কৰিলে। বিগত এ জি পি চৰকাৰৰ দিনত কি কৰিছিল মাননীয় সদস্য শ্ৰীতাতী ডাঙৰীয়াই স্বীকাৰ কৰিছে। আমি বাগানবিলাক দেখিছো যে সকলো বাগানতে স্কুল নাই। সেয়ে মই পৰামৰ্শ আগবঢ়াইছো যে প্ৰতিখন বাগানতে স্কুল হব লাগে। আইন সংশোধনীৰ কাৰণে চৰকাৰে চাব লাগে। নিবনুৱা সমস্যা আমাৰ ৰাজ্যখনৰে সমস্যা নহয়, গোটেই ভাৰতবৰ্ষৰে সমস্যা, ই বৰ্ত্তমান গ্লোবেল সমস্যা হৈ পৰিছে। আমাৰ নিজৰ ৰাজ্যতে নিয়োগ কৰাৰ বহুত সুবিধা আছে– অইল চেক্টৰত নিয়োগ কৰিব পৰা যায়, ৰেলওৱেত কৰিব পৰা যায়। মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই ২৪ হেজাৰ নিয়োগ কৰিব পৰা যাব বুলি কৈছে। আমাৰ অসমত অইলক-অৰডিনেট গঠন কৰিব পৰা যায় টি ক-অৰডিনেট গঠন কৰিব পৰা যায়। আমাৰ বাগানবিলাকৰ যি

* Speech not corrected

এছিচটেন্ট মেনেজাৰৰ পদ খালী হৈ আছে তাত বাহিৰৰ মানুহ নিয়োগ কৰে। সেইবিলাক বাধা দি ঠলুৱা লোকক নিয়োগ কৰিব পৰা যায়। বাগান বিলাকৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি ৯০ শতাংশ ঠলুৱা মানুহক নিয়োগ কৰাৰ ব্যৱস্থা লব লাগে। মই ভাবো এনে ধৰণে কাম কৰিলে উপকৃত হব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় উপাধ্যক্ষ মহোদয়, মই যিটো দিশত কথা কম বুলি ভাবিছিলো মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ইতিমধ্যে সেই বিষয়টো উল্লেখ কৰিছে। মই এতিয়া মহিলা সকলৰ নিযুক্তিৰ ক্ষেত্ৰত কৰলৈ ওলাইছো। মহিলাসকলক নিযুক্তি দিয়া বুলি কয় যদিও এই ক্ষেত্ৰত কোনো গুৰুত্ব দিয়া নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আমি বহু দিশৰ ফালৰ পৰা মহিলাসকলক নিযুক্তি দিবৰ বাবে দাবী জনাইছো কিন্তু মহিলা-সকলক কোনো ধৰণৰ নিযুক্তি দিয়া হোৱা নাই। মোৰ সমষ্টিতে বহুটো মহিলা গ্ৰেজুৱেট আছে যিসকলে চাকৰিৰ কাৰণে বিভিন্ন কাৰ্য্যালয়লৈ গৈ থাকিব লগা হয় কিন্তু নিযুক্তি নাপায়। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো নিয়োগৰ ক্ষেত্ৰত মহিলাসকলক যাতে অগ্ৰাধিকাৰ দিয়ে। মই আৰু এটা বিষয়ত কব বিচাৰিছো সেইটো হৈছে শিশু শ্ৰমিক। আমি পি ডব্লিও দি বিভাগৰ ৰাস্তা বনোৱা কামত বেছিভাগ শিশু শ্ৰমিকক নিয়োগ কৰা দেখা পাওঁ। এইবিলাক প্ৰায় ১৪ বছৰৰ তলৰ শিশু। এওঁলোকে কাম কৰিলে মালিক পক্ষৰ লাভ হয়। ১৪ বছৰৰ তলৰ শিশু শ্ৰমিক বিলাকক মালিকে পইচা কমকৈ দিব লাগে। সেই কাৰণে 'চাইল্ড লেবাৰ এক্ট'ৰ দ্বাৰা যিটো আইন ১৪ বছৰৰ তলৰ বয়সৰ শ্ৰমিকক কাম কৰিবলৈ নিদিয়াৰ আইন প্ৰণয়ন কৰা হৈছে তাক কাৰ্য্যকৰি কৰিব লাগে। মহিলা শ্ৰমিকেও কাম কৰি থকা দেখা পাইছো, মহিলা সকলক কম পইচা দি কাম কৰোৱাব পাৰে। মহিলাসকলক প্ৰকৃত পাৰিশ্ৰমিক দিয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। পুৰুষ শ্ৰমিক আৰু মহিলা শ্ৰমিকৰ পাৰিশ্ৰমিককো সমভাবে কৰিবৰ বাবে অনুৰোধ জনাই আজি মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Hon'ble Minister (Labour) Shri Phanibhusan Choudhury will reply.

